কৰিছিল পৰ্তুগীজ, ইংবাজ আৰু ওলন্দাজ নাবিকে। ৰামসিংহই নিজৰ নাও-নাৱঁবাৰ সংখ্যা বঢ়াব পাৰিলেহেতেঁন, কাৰণ হাজোৰ সমীপত দুখন প্ৰসিদ্ধ নাওঁশাল আছিল, এখন ৰামদিয়াত আৰু এখন শুৱালকুছিত। ৰামসিংহই এবাৰ ভালেমান অসমীয়া নাও ধৰি তাৰে ৫০০ খন শত্ৰুৰ বিৰুদ্ধে পঠিয়াইছিল। এই নাৱত ববহিলৈ পতা হৈছিল, আৰু সেইবোৰৰ টিঙক ষোলমুখীয়া বুলি বৰ্ণোৱা হৈছে। এখন বুৰঞ্জীত শৰাইঘাটৰ যুদ্ধত ৭২ খন যুদ্ধৰ নাৱঁত উঠি ৰামসিংহৰ সৈন্যই যুদ্ধ কৰিছিল বুলি উল্লেখ আছে, আৰু এনে বুলিও কোৱা হৈছে যে ব্ৰহ্মপুত্ৰৰ পানীত ইমান নাৱঁৰ সঞ্চালন হৈছিল যে কোনো নাওঁ ইফাল-সিফাল কৰিবলৈ ঠাই নৰৈছিল। এই যুদ্ধৰ বেলিকা, ব্ৰহ্মপুত্ৰৰ ইপাৰৰপৰা সিপাৰলৈ যাব পৰাকৈ নৈৰ ওপৰত নাৱেৰে দলং সজা হৈছিল। গুৱাহাটীত অসমীয়া নাও কিমান আছিল তাক সঠিককৈ নিৰূপণ কৰিব নোৱাৰিলেও এইটো অনুমান কৰিব পাৰি যে তাৰ সংখ্যা আৱশ্যক পৰিমাণে সৰহ আছিল। অসমত ভালেমান নাওশাল আছিল আৰু নাও সজা কাৰিকৰী বিদ্যা ভালকৈয়ে উন্নত আছিল। নাও সজা আৰু নাও মৰাৰ কাৰণে দুটা নিৰ্দিষ্ট খেল আছিল, নাওশলীয়া খেল আৰু নাওবৈচা খেল। অসমৰ হাবিত থকা গছৰপৰা নাও সজা কাঠ পোৱা হৈছিল। সেইদেখি অসমত এটি শক্তিশালী আৰু প্ৰচুৰ পৰিমাণৰ নাও-নাৱঁৰা সৃষ্টি হৈছিল। মীৰজুমলাৰ লগত অহা বুৰঞ্জী লিখক চিহাবুদ্দিন টালিছে কৈছে বোলে, অসমত সৰু ডাঙৰ নাও অসংখ্য। এবাৰ গুৱাহাটীৰ সম্বাদ লিখকে কৈছিল যে ৰামজান মাহত লিখা দিনলৈকে ৩২০০০ বচাৰী আৰু কোছা নাও সেই ঠাই পাইছে বা সেই ঠাই পাব হৈ গৈছে।

মোগলৰ বিৰুদ্ধে যুদ্ধৰ পূৰ্বে আহোমসকলে দীঘলীয়া ৰণৰ কাৰণে আহিলা-পাতি যোগান ৰখাৰ আৱশ্যকতা বুজিছিল। বুঢ়াগোঁহাই ডাঙৰীয়াই দিয়া পৰামৰ্শৰপৰা আমি এই কথা জানিব

পাৰোঁ। ডাঙৰীয়াই চক্ৰধ্বজসিংহ স্বৰ্গদেৱ আৰু তেওঁৰ মন্ত্ৰীসকলক কৈছিল,—"নাও-নাৱৰীয়া আৰু আহিলা-পাতি কিমান আছে তাৰ লেখ লব লাগিব। সেইবোৰ ঘাটি পৰিলে বৰ বিষম হব। ভঁড়ালত সবহকৈ আহিলা-পাতি নাথাকিলে, যুদ্ধ দুবছৰ তিনিবছৰ ধৰি চলিলে আমি কি ৰূপে চম্ভালিম? যি কৰিব লাগে এতিয়াই কৰা উচিত, তেনে কৰিলেহে আমি ভবিষ্যতে সংকটৰ হাত সাৰিব পাৰিম"। আহোমসকলে তেওঁলোকৰ কাৰ্যকৰী বুদ্ধিৰ সহায়েৰে ভবিষ্যতৰ সকলো সমস্যা অনুমান কৰিব পাৰিছিল, সেইদেখি যুদ্ধৰ আয়োজনৰ কাৰণে দেশত উৎপত্তি হোৱা সকলোবিধ সম্পদ ব্যৱহাৰ কৰিব পাৰিছিল।

অসম আক্ৰমণ কৰোঁতে ৰজা ৰামসিংহতকৈ নবাব মীৰজুমলাৰ হাতত অধিক পৰিমাণৰ আহিলা-পাতি আছিল। নবাবে চুজাৰ বিৰুদ্ধে কৰা অভিযানৰ কাৰণে অনা অস্ত্ৰ-শস্ত্ৰৰ সুবিধা পাইছিল, কাৰণ এই অভিযান সম্ৰাট আওৰঙ্গজেৱৰ কাৰণে অতি লাগতিয়াল আছিল। আৰাকান ৰাজ্যলৈ পলাই যোৱা চুজাক খেদা অভিযান কিছুদিনৰ কাৰণে স্থগিত ৰাখিব লগা হৈছিল। এই অভিযানৰ কাৰণে মজুত ৰখা সকলো অস্ত্ৰ-শস্ত্ৰ আৰু আহিলা-পাতি কোচবেহাৰ আৰু অসম আক্ৰমণৰ সময়ত প্ৰয়োগ কৰা হৈছিল। বঙ্গৰ চুবেদাৰ হিচাবে সেই দেশৰ সকলো সাজ-সৰঞ্জাম নবাব মীৰজুমলাৰ হাততে আছিল। ৰামসিংহই কিন্তু মীৰজুমলাৰ পৰবৰ্তী চুবেদাৰ নবাব ছায়িষ্টা-খাঁৰ অনুগ্ৰহ আৰু সুবিধাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। মীৰজুমলাৰ নিজৰ ধন-দৌলতৰ কথা গোটেই ভাৰততে বাষ্ট্ৰ আছিল। তেওঁ দাক্ষিণাত্য অঞ্চলত সবাতোকৈ ধনী মানুহ বুলি জনাজাত আছিল, আৰু তেওঁ একুৰি মোন হীৰাৰ মালিক আছিল। সম্ৰাটে মঞ্জুৰ কৰা ধনৰ বাহিৰেও মীৰজুমলাই নিজৰ ভঁৰালৰ ধন ব্যয় কৰি যুদ্ধ কৰিব পাৰিছিল।

মীৰজুমলা আৰু ৰামসিংহৰ নেতৃত্ব সম্পৰ্কেও ভালেখিনি প্ৰভেদ

দেখা যায়। মীৰজুমলাৰ জন্ম হৈছিল পাৰস্যৰ অন্তৰ্গত ইচপাহান নগৰত। এজন সাধাৰণ ভাগ্যান্বেষী মানুহ হিচাবে তেওঁ কৰ্মজীৱন আৰম্ভ কৰে, আৰু অৱশেষত এজন চুলতানৰ সমতুল্য ধন-গৌৰৱ অৰ্জন কৰে। ৰামসিংহ তেওঁৰ সুপ্ৰসিদ্ধ পিতৃদেৱ মিৰ্জাৰজা জয়সিংহৰ ছাঁয়াত ডাঙৰ-দীঘল হয়; গতিকে তেওঁ মীৰজুমলাৰ দৰে কাৰ্যকৌশল, নিজে কাম হাতত লব পৰা শক্তি, পাৰিপাৰ্শ্বিক অৱস্থাৰ সুবিধা লোৱা ক্ষমতা আৰু নিৰ্ভীক কাৰ্য সম্পাদনৰ শক্তি, এইবোৰ গুণ অনুশীলন আৰু আয়ত্ত কৰাৰ প্ৰয়োজন নাছিল। ৰামসিংহৰ বুদ্ধি-বৃত্তি আছিল মজলীয়া খাপৰ, আৰু গুণবোৰো আছিল মৃদু, মাৰ্জিত আৰু মানসিক। ইপোনে মীৰজুমলাৰ গুণ-সমূহ আছিল উদ্যম, অগ্ৰগতি, আৰু কাৰ্যকৰী পন্থা উদ্ভাৱনী শক্তিৰ অনুকূল।

বঙ্গদেশৰপৰা অসম আক্ৰমণ কৰিলে বিদেশী সৈন্য সদায় অসুবিধাৰ সন্মুখীন হৈছিল। অসমীয়াই কিন্তু অতি সুকলমে আৰু সুবিধাৰে সৈতে যুদ্ধ কাৰ্য চলাব পাৰিছিল। লাচিত বৰফুকনে এবাৰ কৈছিল বোলে—"গুৱাহাটীত থাকিলে আমি ঘৰত বহাৰ দৰে ৰণ কৰিব পাৰোঁ।" আক্ৰমণকাৰীয়ে সদায় প্ৰবল সোঁতৰ বিৰুদ্ধে উজনিমুৱা হৈ নাও মাৰিব লগাত পৰিছিল। তেওঁলোকে অতি লাহে লাহেহে আগবাঢ়িব পাৰিছিল। তেওঁলোকৰ নাৱৰ সংখ্যা অপ্ৰচুৰ হলে অসম যুদ্ধৰ কাৰণে আৱশ্যকীয় আহিলা-পাতিও তাকৰ হৈছিল। নাওবোৰ গুণ টানি উজাই আনিব লগা হোৱাত বহুত সংখ্যক মানুহ নিযুক্ত কৰিব লগীয়া হৈছিল। পদাতিক সৈন্যও অটব্য অৰণ্য, ওখ ওখ নল-খাগৰি আৰু দ-পিতনিৰ মাজেদি বাট কাটি আগবাঢ়িব লগাত পৰিছিল। বঙ্গৰপৰা সৈন্য, আহিলা-পাতি অসম পাওঁতে ভালেমান দিন লাগিছিল। ব্ৰহ্মপুত্ৰৰ উজনিত থকা মানুহৰ সুবিধাৰ কথা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮২৪ চনত বুজিছিল। তেতিয়া বৰ্মা সৈন্য গুৱাহাটীত আছিল। কোম্পানীয়ে ভয় কৰিছিল

যে এই বৰ্মা সৈন্যই ভটিয়াই গৈ যিকোনো সময়ত গোৱালপাৰাত থকা কোম্পানীৰ নৌ-বাহিনীৰ দৃষ্টি এৰাই বঙ্গদেশত সোমাব পাৰে, সেইদেখি কোম্পানীয়ে গুৱাহাটীত থকা বৰ্মা সৈন্যক আক্ৰমণ কৰিবলৈ মন কৰিলে। বঙ্গদেশৰ ইতিহাস প্ৰণেতা চাৰ্লচ ষ্টিওৱাৰ্ট চাহাবে মীৰজুমলাৰ আক্ৰমণৰ সময়ত মোগলৰ অভিজ্ঞতাৰ বিষয়ে এইদৰে সংক্ষেপকৈ কৈছে, "তেওঁ এই বৰ্ণনা সমসাময়িক ফাৰ্চী বুৰঞ্জীত পাইছিল।" চাৰ্লচ ষ্টিওৱাৰ্টে কৈছিল,—"মীৰজুমলাই নাওঁ-নাৱৰাৰ ওপৰত দৃষ্টি ৰাখি আগবাঢ়িবলৈ সংকল্প কৰিছিল, কাৰণ তাতে তেওঁৰ সকলো আহিলা-পাতিৰ ভঁৰাল আছিল। সেইদেখি তেওঁ ব্ৰহ্মপুত্ৰৰ পাৰ পালেহি। ৰঙামাটিৰ ওচৰত বহু পৰিশ্ৰমেৰে ধীৰে ধীৰে বাট কাটি ক্ৰমে আগবাঢ়িবলৈ ধৰিলে। এইদৰে যাওঁতে পাদশ্যাহী সৈন্যই সোঁতৰ বিৰুদ্ধে নাওবোৰ টানি লৈ যাব লগাত পৰিছিল। সৈন্যবোৰে কেবা ঠাইতো নৈ পাৰ হৈছিল আৰু পাহাৰ বগাইছিল। এনে কষ্টৰ সন্মুখীন হোৱাত তেওঁলোকে দিনে এমাইল কি দুমাইলৰ বেছি আগবাঢ়িব নোৱাৰিছিল। এই সময়ত শত্ৰুয়ে গতিৰোধ কৰা নাছিল, অৱশ্যে অসমীয়াৰ সৰু সৰু দলে গছৰ আঁৰত থাকি, বা য'তে সুবিধা হয় তাৰে আঁৰ লৈ মোগলক হাৰাশাস্তি কৰিছিল।" এই পৰিশ্ৰম-সাপেক্ষ অভিযানৰ অভিজ্ঞতা মীৰজুমলাৰ দৰে ৰামসিংহয়ো লাভ কৰিছিল।

অসমৰ অস্বাস্থ্যকৰ হাৱা-পানীৰ প্ৰকোপত মোগল সৈন্যৰ শৰীৰত নানাবিধ ব্যাধিয়ে বাহ ললে। মাৰি-মৰকত পৰি বহু সৈন্যই যন্ত্ৰণা ভুগিবলৈ ধৰিলে আৰু প্ৰাণ এৰিলে। অসমীয়াই দগা যুদ্ধ কৰিও বহু মোগল সৈন্য হানি কৰিলে। অসমীয়াৰ চৰিত্ৰ মোগলৰ অপৰিচিত আছিল, সেইদেখি মোগলে অসমীয়াৰ ৰণ-কৌশলৰ সংকেত আৰু ইঙ্গিত একো প্ৰকাৰে নাপাইছিল। নভবা-নিচিন্তাকৈ অহা বৰষুণ, দুৰ্গম পৰ্বত, পিতনি আৰু ডাঠ হাবিৰ কাৰণে বঙালে কষ্ট ভোগ কৰিছিল। এইবোৰ কষ্ট প্ৰত্যক্ষ দৰ্শক

চিহাবুদ্দিন তালিছে বৰ্ণনা কৰি গৈছে। মীৰজুমলাৰ অভিযানৰ বুৰঞ্জীত থকা তাৰে কিছু কথা তলত তুলি দিয়া হ'ল।

(১) "অসম এখন সংকটপূৰ্ণ পোহ-নমনা ভয়ঙ্কৰ দেশ"।

(২) "অসমৰ আলি-পদুলিবোৰ মৃত্যুৰ প্ৰান্তলৈ যোৱা বাটৰ নিচিনা ভয়লগা। জনশূন্য বিনাশ পুৰীৰ দৰে এই দেশ জীৱন-সংহাৰক। অজ্ঞ মানুহৰ হৃদয়ৰ দৰে ইয়াৰ হাবি বননি হিংসাপূৰ্ণ। বিজ্ঞ জনৰ মনৰ নিচিনা ইয়াৰ নদীবোৰ সীমাহীন আৰু গণনাৰ অতীত।"

(৩) "নৈৰ আঁতৰত থকা বাসিন্দাসকলৰ কাৰণে ইয়াৰ হাৱা-পানী অনুকূল, কিন্তু বিদেশীৰ কাৰণে ই একেবাৰে বিষাক্ত। ইয়াত আঠ মাহ ধৰি বৰষুণ হয়, এনেকি জাৰৰ চাৰি মাহো ইয়াত বৰষুণ নোহোৱাকৈ নাথাকে। জাৰকালি বিদেশীসকলে শীত আৰু হিমৰপৰা হোৱা বেমাৰৰ সন্মুখীন হয়, বাসিন্দাসকলৰ মাজত ইয়াৰ প্ৰকোপ দেখা নাযায়। গ্ৰীষ্মকালত পিতপানী নিৰ্গত হোৱাত বিদেশীসকল বাসিন্দাসকলতকৈ বেছি পৰিমাণে ব্যাধিগ্ৰস্ত হয়।"

(৪) "পৰ্বতৰ হাৱা-পানী ধ্বংসাত্মক চিমুম বতাহৰ দৰে বিদেশী আৰু বাসিন্দাসকলৰ কাৰণে বিষাক্ত। পৰ্বতে বেৰি থকাৰ কাৰণে ইয়াৰ ভৈয়ামবোৰৰ পৰা বিষাদ আৰু আতঙ্কৰ উৎপত্তি হয়।"

(৫) "অতীত কালত কোনো বিদেশী ৰজাই বিজয় গৰ্ব্বেৰে এই দেশৰ আঁচল পৰ্যন্ত পৰশিব পৰা নাই, আৰু কোনো বিদেশীয়ে ইয়াক আক্ৰমণৰ ভৰিৰে গচকিব পৰা নাই। বিদেশী সোমোৱা বা পলাই যোৱা বাট অতি ঠেক। আৰু ইয়াৰ বাসিন্দাসকলে অইন দেশলৈ যোৱাৰ ভৰিওঁ লেঙেৰা।"

(৬) "সংক্ষেপকৈ কবলৈ গলে এই দেশত সোমোৱা প্ৰতি-বাহিনী সৈন্যই জীৱন ৰাজ্যৰপৰা বিদায় লব লগাত পৰিছিল, এই দেশত ভৰি দিয়া প্ৰতিটো বেপাৰী সমদলে মৃত্যুৰ বাহৰত টোপোলা-টাপলি থৈ যাব লগীয়া হৈছিল।"

(৭) "ইয়ালৈ অহা মানুহে, মৃত্যুৰাজ্য দৰ্শকৰ দৰে কেতিয়াও উভতি যাব নোৱাৰিছিল, আৰু এইদেশৰ বাসিন্দাসকলৰ আচাৰ-ব্যৱহাৰৰ বিষয়ে বিদেশী মানুহে কেতিয়াও নাজানিছিল। সেইদেখি হিন্দুস্থানৰ মানুহে অসমৰ মানুহক যাতুকৰী মায়াবিদ্যাত পাকৈত বুলি ভাৱিছিল, আৰু তেওঁলোকক মানব জাতিৰ বহির্ভুক্ত বুলি ভাবিছিল। বিদেশীসকলে তেওঁলোকৰ তন্ত্র-মন্ত্র আৰু তাৰ প্ৰতিকাৰত অসমৰ নাম অন্তর্ভুক্ত কৰিছিল। হিন্দুস্থানৰ মানুহে কয় যে অসমলৈ যি আহে তেওঁ যাতুমন্ত্রৰ দ্বাৰা অভিভূত হয় আৰু সেইদেশৰ পৰা ওলাই আহিবলৈ অপাৰগ হয়।"

(৮) "কোনো মানুহ শিবিৰ এৰি ওলাই গলে তেওঁক যে অসমীয়াই গুলী কৰি মাৰিব এইটো নিশ্চিত আছিল। এনে অৱস্থা দিল্লীৰ বুৰঞ্জীত এতিয়াও ঘটা নাছিল। ইয়াত বাৰহেজাৰ অশ্বাৰোহী আৰু অসংখ্য পদাতিক সৈন্য ছ-মাহ ধৰি অৱৰুদ্ধ হৈ আছিল। বৰষুণৰ কাৰণে ওলাই গৈ যুদ্ধ কৰিব নোৱাৰে, আৰু চাৰিওফালে বেৰি থকা শত্রুৱেও আক্রমণ নকৰে। এইসময়ত আহিলা-পাতিও আহি পোৱা নাছিল। আমিৰাসকলে সতৃষ্ণনয়নে দিল্লীৰ ফালে চাই আছিল, আৰু সৈন্যসকলেও লৰা-তিৰোতাৰ সঙ্গলৈ যাবলৈ ব্যগ্ৰ হৈ পৰিছিল।"

(৯) "যুদ্ধৰ আৰম্ভণিত দিলেৰ-খাঁৰ ফৌজত ১৫০০ অশ্বাৰোহী আছিল ; বাৰিষাৰ অন্তত আৰু নামৰূপ অভিযানৰ পাচত তেওঁৰ সৈন্যৰ সংখ্যা হ'লগৈ মাত্র চাৰি-শ কি পাঁচ-শ।"

এনে ধৰণৰ মতামত অসমৰ পৰা ৰামসিংহ আৰু তেওঁৰ লগৰ মানুহে পঠোৱা পত্ৰাদিতো পোৱা যাব। দুৰ্ভাগ্যবশতঃ এই চিঠিবোৰ এতিয়ালৈকে পোহৰলৈ অহা নাই।

অসমৰ দূষিত হাৱা-পানীৰপৰা উদ্ভৱ হোৱা কষ্ট-অসুবিধাৰ উপৰিও অসমীয়াৰ সতর্কতা, আয়োজন, প্ৰলোভনৰ পৰা মুক্তি আৰু শত্রুক প্ৰতিৰোধ কৰাৰ ঐকান্তিক সংকল্প উল্লেখ কৰিব লগীয়া।

গুৱাহাটীৰ চাৰিওমেৰে থকা দুৰ্গই অসমীয়াৰ সংৰক্ষণৰ নিমিত্তে দুৰ্ভেদ্য প্ৰাচীৰৰ কাম কৰিছিল। পৰ্বতৰ টিঙত আৰু নামনিত আৰু দুই পৰ্বতৰ মাজত থকা মাটি-গড়ত খাপে খাপে সৈন্য থোৱা হৈছিল। চাৰিওমেৰে ঠাইখিনিক পালী কৰি বিভক্ত কৰা হৈছিল, প্ৰত্যেক পালীৰে এজন সেনাপতি আছিল, তেওঁৰ লগত আছিল এফৌজ সৈন্য আৰু কিছুমান চোৰবচা। শত্ৰুৰ গতি-বিধিৰ ভালকৈ পম খেদা হৈছিল, আৰু য'তে আৱশ্যক ত'তে প্ৰতিবন্ধক দিয়াৰ ব্যৱস্থা আছিল। গড়ৰ কোনো অংশ ভাঙিলে তাক ততালিকে ভাল কৰা হৈছিল। গুৱাহাটীৰ চাৰিওমেৰৰ গড়ক অসমীয়াসকলে বিশ্বকৰ্মা নিৰ্মিত দেৱৰোদুৰ্গম বুলি কৈছিল। এখন বুৰঞ্জীত লিখিছে—"স্বৰ্গদেৱ চক্ৰধ্বজসিংহ মহাৰজাৰ আজ্ঞামতে গুৱাহাটীৰ চাৰিওমেৰে বিশ্বকৰ্ম্মা হেন নিৰ্ম্মিত গড় কৰিলে। বৰফুকন তাত গাঢ় হৈ থাকিল।"

অসমীয়াক আক্ৰমণ কৰা টান বুলি ৰামসিংহই স্বীকাৰ কৰিছিল, আৰু তেওঁ অসমৰ গড়ক যন্ত্ৰাকৃতি বুলি বৰ্ণনা কৰিছিল। ৰামসিংহই এবাৰ ৰছিদ-খাঁক কৈছিল,—"আহোমে পাহাৰৰ ওপৰত গড় সাজিছে, আৰু তলৰ ভৈয়ামো যুদ্ধৰ কাৰণে ঠেক আৰু অচল। ইয়াৰ নিমিত্তে কোনো বিদেশীয়ে যুদ্ধত অসমক জিনিব পৰা নাই। চক্ৰাকৃতি গড়, আৰু প্ৰত্যেক কোঠৰপৰা ওলাব পৰাকৈ চাৰিটা বাট। আমাৰ হিলৈয়ে শত্ৰুক নেপায়, আৰু কাঁড়-বন্দুকেৰে যুদ্ধ কৰিবৰ সুবিধা নাই। এনে দুৰ্ভেদ্য গড় সজাৰ কাৰণে তেওঁলোকৰ মন্ত্ৰী, সেনাপতি আৰু পদাতিক সৈন্যক প্ৰশংসা কৰিব লাগে।" যুদ্ধ কাৰ্যত ঢিলা কৰাৰ বাবে সম্ৰাট আওৰঙ্গজেৱে জগৰ ধৰাত বজা ৰামসিংহই কৈছিল,—"মই হেলা কৰা নাই, কিন্তু মোৰ সকলো চেষ্টা ব্যৰ্থ হৈছে। সমান থল নাই, সেইদেখি ঢাল, যাঠি, বন্দুকেৰে ৰণ কৰা অসম্ভৱ। অসমীয়াই দুয়োপাৰে দুৰ্ভেদ্য গড় সাজিছে। পানীৰে মাত্ৰ এটা যুদ্ধ আছে।" আমি জানো যে পানীযুদ্ধত ৰামসিংহৰ

সৈন্য ছত্ৰ-ভঙ্গ হয়, আৰু তাতে যুদ্ধৰ সামৰণি পৰে। অসম এৰি যোৱাৰ আগতে ৰামসিংহ ৰজাই হাজোৰ হয়গ্ৰীৱ মন্দিৰ দৰ্শন কৰে। লাচিত বৰফুকনৰ অসাধাৰণ বীৰত্ব আৰু অসমৰ যন্ত্ৰাকৃতি গড়ৰ কাৰণে একো সুবিধা নাপালে বুলি ৰামসিংহই হাজোৰ ব্ৰাহ্মণসকলৰ আগত দুখ কৰিলে।

আলাবৈ পৰ্বতৰ সন্মুখত থকা মুকলি পথাৰত মাত্ৰ ৰামসিংহৰ অশ্বাৰোহীয়ে নিজৰ বল-শক্তি দেখুৱাবলৈ এবাৰ সুযোগ পাইছিল। এদিনৰ ভিতৰতে দহ হেজাৰ অসমীয়া সৈন্যই আলাবৈৰ যুদ্ধত প্ৰাণ হেৰুৱায়। এইদৰে এবাৰ মাথোন জয়লাভ কৰি উৎফুল্ল হৈ ৰামসিংহই কৈছিল,—"অসমৰ ইমান সাহ, অম্বেৰৰ চেৱাৰীৰ লগত মৈদানত যুদ্ধ কৰিবলৈ আহে!" আহোমে মুকলি পথাৰত শত্ৰুৰ সন্মুখীন হবলৈ ইচ্ছা নকৰিছিল, কাৰণ তেওঁলোকৰ পদাতিক সৈন্যই অশ্বাৰোহীৰ আক্ৰমণক সদায় ভয় কৰিছিল। এই কথা আমি চিহাবুদ্দিন তালিচৰ পৰা জানিব পাৰোঁ—"অসমীয়াই ঘোঁৰা দেখিলেই ভয় খায়, সিহঁতে কেতিয়াবা ঘোঁৰা ধৰিলে তাৰ পাচ ভৰিৰ খুৰাত থকা শিৰ কাটি পেলায়। যদি কেতিয়াবা এটা অশ্বাৰোহী মোগল সৈন্যই এশটা অস্ত্ৰধাৰী অসমীয়াক আক্ৰমণ কৰে সিহঁতে অস্ত্ৰ-শস্ত্ৰ পেলাই লৰ মাৰে, যদি পলাব নোৱাৰে সিহঁতে ওপৰলৈ হাত দাঙ্গি বন্দী কৰিবলৈ সুবিধা দিয়ে। যদি এজন মাত্ৰ অসমীয়াই দহোটা মুছলমান পদাতিক সৈন্যক লগ পায় তেন্তে সি নিৰ্ভীকচিত্তে সিহঁতক বধিবলৈ চেষ্টা কৰে, আৰু তাত কৃতকাৰ্যও হয়?" আলাবৈ ৰণৰ পাচত ৰামসিংহই তেওঁৰ অশ্বাবোহী সৈন্যক যুদ্ধত লগাবলৈ দ্বিতীয়বাৰ সুবিধা পোৱা নাছিল। আন্ধাৰুবালিৰ গড়ত এটা সুৰুঙা দেখি ৰামসিংহই এফৌজ অশ্বাবোহী সৈন্য নাৱত তুলি পঠিয়াইছিল, কিন্তু সিহঁতে গড় পোৱাৰ আগতেই অসমীয়াই ঘটুৱাই পঠালে। সেই আক্ৰমণ ৰমাসিংহই নিজে পৰিচালনা কৰিছিল। অসমীয়াই

ভালকৈ জানিছিল যে শত্ৰুৰ অশ্বাৰোহী সৈন্য এবাৰ গুৱাহাটীৰ থলভূমিত সোমালে সিহঁতৰ আক্ৰমণ ব্যৰ্থ কৰাটো সহজ নহব।

এজন বিশ্বাসী আৰু সুদক্ষ সেনাপতিৰ অভাবৰ পৰাও ৰামসিংহই অসুবিধা ভোগ কৰিছিল। তেওঁৰ তুৰলীয়া সেনাপতিজন বিদ্ৰোহী আৰু অবিশ্বাসী বুলি প্ৰমাণিত হৈছিল। ৰছিদ-খাঁই অসমীয়াৰ সৈতে গোপনে মিত্ৰতা কৰিছিল বুলিও সন্দেহৰ সৃষ্টি হৈছিল। দিলেৰ-খাঁ দাউদজাইৰ দৰে এজন সুদক্ষ সেনাপতি ৰামসিংহৰ লগত থকা হলে ঘটনাৰ চক্ৰ অন্যৰূপ ঘূৰিলহেঁতেন। দিলেৰ-খাঁৰ অপূৰ্ব সাহসৰ কাৰণে মীৰজুমলাই শিমলুগড়ৰ গগনস্পৰ্শী দুৰ্গ অধিকাৰ কৰিব পাৰিছিল। এই দুৰ্গ অবৰোধ কৰাটো অতি সুনিপুণ সেনাপতিসকলৰো শক্তিৰ অতীত আছিল। 'মাচিৰ-উল-উমৰা' গ্ৰন্থত, মীৰজুমলাৰ আগুৱা সৈন্যৰ সেনাপতি দিলেৰ-খাঁক বিজয়ৰ সঙ্গী বুলি বৰ্ণোৱা হৈছে। এই গ্ৰন্থত আৰু কোৱা হৈছে—"সময়ৰ শুভদৃষ্টি আৰু গ্ৰহৰ প্ৰভাৱত দিলেৰ-খাঁ জীৱনৰ আৰম্ভণিৰপৰা সৌভাগ্যৰ শিখৰত উঠি ফুৰিছিল। দৈৱৰ সংঘাতত তেওঁ কেতিয়াও কোনো কামত বিফল-মনোৰথ হোৱা নাছিল আৰু নিন্দা বা মৰ্যাদা-হানিৰো পাত্ৰ হব লগাত নপৰিছিল।" ছাৰ যদুনাথ চৰকাৰৰ মতে, শিবাজীৰ বিৰুদ্ধে যুদ্ধৰ অভিযানত—"পুৰন্দৰ দুৰ্গৰ সন্মুখত কালান্তক যমৰ নিচিনাকৈ বজ্ৰ-গম্ভীৰ হৈ দিলেৰ-খাঁ বহি আছিল। আৰু আন আন মানুহে যি কাম এমাহতো শেষ কৰিব নোৱাৰে তাক দিলেৰ-খাঁৰ মানুহে এদিনতে শেষ কৰিছিল।" ৰামসিংহৰ অসম অভিযানত ৰছিদ-খাঁৰ সলনি দিলেৰ-খাঁ তুৰলীয়া সেনাপতি-ৰূপে অহা উচিত আছিল, কিন্তু সেই সুপ্ৰসিদ্ধ আফগান সেনাপতি-জনা তেতিয়া দেৱগড় আৰু বিজাপুৰৰ বিৰুদ্ধে যুদ্ধ কামত, আৰু চুলতান মোৱাজ্জেম আৰু যশোৱন্তসিংহক পাচে-পাচে সষ্টম হৈ খেদি যোৱা কামত ব্যস্ত আছিল।

সশস্ত্ৰ সংগ্ৰামেৰে যুদ্ধ জিনিব নোৱাৰি ৰামসিংহই যাবতীয়

কূটনৈতিক উপায় অবলম্বন কৰিছিল—সাম, দান আৰু ভেদ। সময়ে সময়ে আৱশ্যক হলে, যুদ্ধ আৰু কূটনীতি এই দুয়োৰে আশ্ৰয় লৈছিল। এইবোৰ উপায় তেওঁ পিতৃ মির্জাবজা জয়সিংহৰপৰা ভালকৈ শিকিছিল।

শিবাজীৰ বিৰুদ্ধে যুদ্ধ চলি থকা অৱস্থাত মহাৰাষ্ট্ৰৰ নেতাৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ উচটাই দাক্ষিণাত্যৰ ভালেমান ৰজালৈ জয়সিংহই উকীল-পত্ৰ পঠিয়াইছিল। মোগলৰ পক্ষ গ্ৰহণ কৰিম বুলি প্ৰতিশ্ৰুতি দি বহুজন ৰজা আৰু জমিদাৰে জয়সিংহলৈ দূত পঠিয়াইছিল। শিবাজীৰ বিৰুদ্ধে কক্ষা থকা, আৰু ভোঁচলাসকলৰ প্ৰতিপত্তিত হিংসাভাবাপন্ন হোৱা প্ৰতিজন মানুহকে জয়সিংহ ৰজাৰ গুপ্তচৰে লগ ধৰিছিল আৰু আফজল-খাঁৰ পুতেক ফজল-খাঁকে আদি কৰি কেবাজনো নেতাই জয়সিংহৰ অধীনত সেনাপতিৰ কাম কৰিছিল। ধন-সোণৰ প্ৰলোভন আৰু মোগলৰ তলত ডাঙৰ পদবীৰ প্ৰতিশ্ৰুতি দি শিবাজীৰ বিষয়াসকলৰ মাজতো জয়সিংহই বিদ্ৰোহ-ভাৱৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ ফলত শিবাজীৰ কেবাজনা সেনাপতি আৰু কৰতলীয়া ৰজাই জয়সিংহৰ বাহৰলৈ গতি কৰে। মহাৰাষ্ট্ৰীয় ঐতিহাসিক এজনে কৈছে—“জয়সিংহই শিবাজীৰ অনুগতসকলৰ মাজত ভেদভাৱ সৃষ্টি কৰিবলৈ যত্ন কৰাৰ প্ৰমাণ আমাৰ হাতত যথেষ্ট আছে। জয়সিংহই যে ভেদ পন্থা অৱলম্বন কৰিছিল আমি তাক আওৰঙ্গজেবলৈ দিয়া চিঠি এখনৰপৰা নিশ্চয়কৈ জানিব পাৰোঁ।” চন্দ্ৰৰাও মোৰেৰ সম্বন্ধীয় এজন, আফজল-খাঁৰ পুতেক এজন আৰু শিবাজীৰ কাৰণে বন্দুক তৈয়াৰ কৰা মুছলমান কৰ্মচাৰী আৰু শিবাজীৰ অনুচৰবৰ্গ, এওঁলোকক জয়সিংহই মনচৰ দিম বুলি নিমন্ত্ৰণ কৰিছিল। অস্ত্ৰযুদ্ধৰ সহযোগী পন্থাৰূপে এই কূটনীতিৰ ব্যৱস্থা কৰা লৈছিল। উচ্চখাপৰ সামৰিক পদবী আৰু সম্ৰাটেৰে সৈতে বন্ধুত্ব আৰু সদ্ভাৱৰ পুনৰ সংস্থাপনৰ আশ্বাস, এইবোৰৰ আশাত শিবাজীয়ে বশ মানিছিল।

ইয়াৰ বছৰচেৰেকৰ পাচত, জয়সিংহৰ পুতেক ৰামসিংহই মোমাই-তামুলী বৰবৰুৱাই নিৰ্ধাৰিত কৰা সীমা বিচাৰি পুতেক লাচিত বৰফুকনলৈ পত্ৰ দিলে। পিতৃৰ নিবন্ধ শ্ৰদ্ধা কৰিবলৈ কৈ ৰামসিংহই লাচিতৰ পিতৃৰ প্ৰতি আনুগত্যৰ আৱশ্যকতাৰ কথা সোঁৱৰাই দিলে। ৰামসিংহই বুজালে যে বৰফুকনে পূৰ্বৰ নিবন্ধ মানি চলিলে সি সোণ-ৰূপৰ স্তম্ভৰ নিচিনা চিৰকলীয়া হব, আৰু তেওঁৰ যশস্যা অনন্তকাললৈকে জীয়াই থাকিব। অসমীয়া সেনাপতি-সকলে এই প্ৰস্তাবক হাঁহি উৰুৱাই দিলে আৰু ইয়াক ছাঁই-আলি বুলি আখ্যা দিলে। তেওঁলোকে কলে যে স্বৰ্গদেৱৰ সন্মতি নহলে কোনো নিবন্ধ সিদ্ধ হব নোৱাৰে, আৰু সম্ৰাট আওৰঙ্গজেৱৰ সন্মতি নোলোৱাকৈ ৰামসিংহই কৰা নিবন্ধৰো কোনো নিৰ্ণয় নাই। যুদ্ধ নকৰি শান্তিপূৰ্ণ আলোচনাৰ সহায়েৰে মীমাংসাৰ সমাধানৰ চেষ্টা কৰাত অসমীয়াই ৰজাক মৃদুভাৱে নিন্দা কৰিলে। তেওঁলোকে বুজালে যে ৰামসিংহ এজন ডাঙৰ যোদ্ধা, তেওঁৰ বিক্ৰমৰ প্ৰমাণ দিবলৈকেহে অসমলৈ পঠোৱা হৈছে, আৰু বিনা জয়ে অসমৰপৰা উভতি গ'লে তেওঁৰ সুখ্যাতিত চেকা পৰিব।

ৰামসিংহই ধন-সোণ দি লাচিত বৰফুকন আৰু তেওঁৰ বিষয়া-সকলক বৰিবলৈ বাৰম্বাৰ চেষ্টা কৰিছিল। বৰফুকনে শত্ৰুৰপৰা এবুৰি কাঠৰ চৰাই আনিবলৈ অনুমতি নিদিছিল, এনেস্থলত বৰফুকনৰ মানুহে ধন-সোণৰ উপহাৰ গ্ৰহণ কৰাটো ভাবিব নোৱাৰা কথা। ভকতদাহ কটকীয়ে চূড়ামণি দৈৱজ্ঞক ৰামসিংহৰ তালৈ পলুৱাই নিব খুজিছিল। এইদৰে যত্ন কৰাৰ কাৰণে শাস্তি স্বৰূপে বৰফুকনে কটকীক পানীত পেলাবলৈ মন কৰিছিল। তেওঁৰ মানুহে প্ৰলোভনৰ চাৰিবেৰত ভৰি দিয়াটোকো বৰফুকনে ভাল নাপাইছিল, কাৰণ তেনেকথাত চকুমুদি থাকিলে সৈন্যৰ দৃঢ়তা আৰু একাগ্ৰতা ধ্বংস হোৱাৰ আশংকা।

ৰামসিংহ এজন একনিষ্ঠ বৈষ্ণৱ আছিল। তেওঁ জানিছিল যে

তেওঁৰ শত্ৰুসকল হিন্দু আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত। সেইদেখি ৰামসিংহই তেওঁৰ প্ৰস্তাববোৰত হিন্দু-বিশ্বাস জড়িত ভাষা ব্যৱহাৰ কৰিছিল। এবাৰ তেওঁ অসমীয়া কটকীক কৈছিল—"মই যদি ইয়াতকৈ অধিক বিচাৰো তেনেহলে মোৰ হাতত থকা তৰোৱালৰূপী পৰমেশ্বৰীয়ে মোক খাব, আৰু মোৰ ডিঙিত থকা কণ্ঠহাৰ স্বৰূপ মহালক্ষ্মীয়ে মোক চিৰকাললৈ এৰিব, আৰু মোৰ চৈধ্যপুৰুষ নৰকত পৰিব। যদি মোৰ কথাত সঞ্জাত নহয় তেনেহলে লৌহিত্যৰ তীৰত থকা মাধব গোসাঁইৰ মন্দিৰলৈ গৈ মই শপত কাঢ়িবলৈ মান্তি আছোঁ। ভাই বৰফুকনে মোৰ প্ৰস্তাৱ মানি ললে তেওঁ যি বিচাৰে মই তাকে দিবলৈ সন্মত আছোঁ"। ৰামসিংহই আৰু এবাৰ কৈছিল —"ফুকন আৰু ৰাজখোৱাসকলক দিবলৈ মই কিছু ধন পঠিয়াম। তেওঁলোকে যেন ফুকনক বুজাই-বঢ়াই গুৱাহাটী এৰি দিয়ে। মোক যি কৰিবলৈ কয় মই তাকেই কৰিম"। ৰাজপুত সেনাপতিৰ প্ৰলোভনৰ চেষ্টা গধুৰ কাণত পৰা যেন হ'ল, আৰু শত্ৰুক ধ্বংস কৰাৰ প্ৰতিজ্ঞাত অসমৰ সেনাপতিবৃন্দ অচল-অটল হৈ থাকিল।

অসমীয়া সৈন্যসকলৰ মাজত লাচিত বৰফুকনৰ প্ৰতি অবিশ্বাস জন্মাবলৈ আৰু তাৰ দ্বাৰা ভেদ সৃষ্টি কৰিবলৈ ৰামসিংহ যত্নবান হৈছিল। সেই অৰ্থে তেওঁ অসমীয়া সেনাপতিসকলৰ কোঠলৈ কাঁড় মাৰি পঠিয়াইছিল। বাহৰ চুঙা এটাৰ ভিতৰত পত্ৰ ভৰাই তাক কাঁড়ৰ আগত বান্ধি মৰা হৈছিল। ৰামসিংহই এবাৰ মিৰি-সন্দিকৈ ফুকনৰ কোঠলৈ এইদৰে পত্ৰ এখন কাঁড় মাৰি পঠিয়াইছিল। বৰফুকন আৰু সন্দিকৈ ফুকনৰ মাজত কিছু মনোমালিন্য আছিল। চিঠিখন আছিল বৰফুকনৰ নামে। চিঠিত এই লিখিছিল,—"নবাৱ, যোৱাকালি তুমি আমাৰপৰা একলাখ টকা পুৰস্কাৰ লৈ যুদ্ধ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰি এখন কবুল-পত্ৰ লিখি দিছিলা, যাতে আমি বিনাবাধাই গুৱাহাটী সোমাব পাৰোঁ। আমাক গুৱাহাটী প্ৰৱেশৰ বাট মুকলি কৰি নিদি তুমি আজি যুদ্ধক্ষেত্ৰত নামিছা।

ইয়াৰ কাৰণ কি জনাবানে?” মিৰি-সন্দিকৈ ফুকনে অতিৰঞ্জিত কৰি স্বৰ্গদেৱলৈ কথাটো জনাই পঠালে। বৰফুকন আৰু তেওঁৰ সেনাপতিসকলৰ মতামত শুনাৰ আগতে স্বৰ্গদেৱে এই পত্ৰখন পোৱাত তেওঁৰ মন বিষাক্ত হ'ল। লাচিতৰ আগেয়ে ঘোঁৰাকোঁৱৰৰ বৰফুকনৰ পদত অধিষ্ঠিত হৈছিল, আৰু তেওঁ স্বৰ্গদেৱ আৰু গুৱাহাটীৰ সেনাপতিসকলৰ মাজত যোগাযোগ ৰক্ষা কৰিছিল। এই ঘোঁৰাকোঁৱৰে হয়তো জুইত ঘিঁউ ঢালিছিল। ইয়াৰ পৰিণামত লাচিতক মাৰিবৰ নিমিত্তে স্বৰ্গদেৱে মানুহ আৰু কৰত-কুঠাৰ দি পঠালে। ঘোঁৰাকোঁৱৰৰ লগত মণিচন্দ্ৰ বৰুৱাও আহিছিল। বুঢ়াগোহাঁই ডাঙৰীয়াই বুৰঞ্জী আৰু ৰজাঘৰীয়া দৰ-দস্তুৰৰ পৰা উদাহৰণ দি প্ৰকৃত অৱস্থা বুজাই স্বৰ্গদেৱলৈ পত্ৰ দিলে। বুঢ়া-গোঁহাইৰ পত্ৰৰ পৰা আচল কথা জানি স্বৰ্গদেৱে লাচিতক নিৰ্দোষী বুলি বিবেচনা কৰিলে। আতন বুঢ়াগোঁহাই ডাঙৰীয়াই মধ্যস্থ হৈ এনে এটা বিষম দুৰ্ঘটনাৰ অৱসান ঘটালে। ৰামসিংহৰ চক্ৰান্তত যে এনে অৱস্থা ঘটিছিল এতিয়া তাক সকলোৱে বুজিলে, আৰু তেতিয়াৰেপৰা বঙালৰ কোঠৰপৰা মাৰি পঠিওৱা কাঁড়-পত্ৰত বিশ্বাস কৰিবলৈ এৰিলে। আহোম সৈন্যৰ মাজত বিভেদ-সৃষ্টি কৰাৰ চেষ্টা এইদৰে দুপতীয়াতে নষ্ট হ'ল।

আতন বুঢ়াগোঁহাই আৰু লাচিত বৰফুকনৰ কোঠলৈকো এইদৰে পত্ৰ বান্ধি কাঁড় মাৰি পঠোৱা হৈছিল। প্ৰথমখনত কোৱা হৈছিল যে বৰফুকনে ৰামসিংহৰ সৈতে মিতিৰালি কৰি যুদ্ধলৈ মন এৰিছে। দ্বিতীয় পত্ৰত বুঢ়াগোঁহাইৰ বিৰুদ্ধেও সেই একে অভিযোগকে অনা হৈছিল। বুঢ়াগোঁহাই আৰু বৰফুকনে সহজে বুজি পালে যে ই দুয়োৰে মাজত বিভেদ সৃষ্টি কৰাৰ চেষ্টাহে, আৰু তেওঁলোকে তালৈ একো কাণ নিদিলে। তেওঁলোকে সেনাপতি আৰু সৈন্যসকলক আগতকৈও অধিক সাৱধান হৈ থাকিবলৈ আজ্ঞা কৰিলে।

একো উপায় নাপাই ৰামসিংহই অসমৰ স্বৰ্গদেৱৰ সৈতে দ্বন্দ্বযুদ্ধ

কৰিবলৈ বিচাৰিলে, আৰু আহোম সেনাপতি বুঢ়াগোঁহাইকো ফুকনে-লগ পাব খুজিলে। প্ৰথম প্ৰস্তাৱটো স্বৰ্গদেৱে অগ্ৰাহ্য কৰিলে; বোলে—"ৰামসিংহ এজন সাধাৰণ ভৃত্য, তেওঁ ছত্ৰধাৰী স্বাধীন ৰজা নহয়।" বুঢ়াগোঁহাই ফুকনে দম্ভেৰে উত্তৰ দিলে, বোলে—"মোৰ সলনি মোৰ একুৰি হেজাৰ সৈন্য পঠিয়াম, সিহঁতে গৈ ৰজাৰ সৈন্যক পিহি পিঠাগুৰি কৰিব।" ৰামসিংহৰ শান্তিপূৰ্ণভাৱে মীমাংসা সমাধানৰ প্ৰস্তাৱসমূহো অসমীয়াই এইদৰে ঠাট্টা-বিদ্ৰূপেৰে অগ্ৰাহ্য কৰিছিল। অসমীয়াৰ বিৰুদ্ধে, যুদ্ধই হওক বা কূটনীতিয়েই হওক কোনোবিধ সুবিধা লোৱাত ৰামসিংহ কৃতকাৰ্য নহৈছিল। অসমত তেওঁ দুখ লগা অভিজ্ঞতাৰ বিষয়ে এবাৰ কৈছিল—"মই হেন ৰামসিংহ থলত থাকিও কোনো ছিদ্ৰ নাপাওঁ!"

কোনো কষ্ট-অসুবিধা নোহোৱাকৈ যুদ্ধ কৰাৰ উদাহৰণ আমি পৃথিবীৰ বুৰঞ্জীত ক'তো নেপাওঁ, হিটলাৰৰ হঠাৎ আক্ৰমণৰ পদ্ধতিৰ বাহিৰে। প্ৰকৃতিয়ে দিয়া বা মানুহে দিয়া প্ৰতিবন্ধক আৰু হেঙাৰৰ সন্মুখীন নোহোৱাকৈ কোনো শত্ৰুসৈন্যই আন এখন দেশত সোমাব পৰা নাই। কষ্ট-অসুবিধা অতিক্ৰম কৰাৰ শক্তি অনুৰূপে আমি সেনাপতিৰ ৰণ-কৌশল আৰু বিক্ৰমৰ পৰিমাণ বিচাৰ কৰোঁ। কাৰণ যিয়েই নহওঁক, ৰামসিংহই নিজে স্বীকাৰ কৰিছিল যে তেওঁ অসম যুদ্ধত একো সুবিধা নাপালে। ইয়াৰ পৰা তেওঁৰ উপস্থিত বুদ্ধি আৰু কাৰ্য ক্ষমতাৰ অভাৱৰ প্ৰমাণ পোৱা যায়, আৰু অসমীয়াৰ বিচক্ষণ সংগঠন শক্তি আৰু নেতৃত্বৰ প্ৰমাণ পাওঁ।

গুৱাহাটীৰ দুৰ্গ, অসমৰ হাৱা-পানী আৰু অন্যান্য স্বাভাৱিক অৱস্থাই এই দেশৰ সংৰক্ষণৰ দুৰ্ভেদ্য প্ৰাচীৰ স্বৰূপ আছিল। কিন্তু অসমীয়াৰ একতা আৰু অবিচলিত স্বাধীনতা প্ৰেম, তেওঁলোকৰ জয়লাভৰ দৃঢ়প্ৰতিজ্ঞা, দূৰদৰ্শিতা, সংগঠন আৰু নিয়মানুবৰ্তিতা, আৰু সেনাপতিসকলৰ অতুলনীয় নেতৃত্ব, এইবোৰে অসমৰ চাৰিওফালে এটা দুৰ্ভেদ্য গড় নিৰ্মাণ কৰিছিল, ইয়াক দিল্লী আৰু

অম্বেৰৰ ঐশ্বৰ্য বা ৰাজপুতসকলৰ কূটনীতিয়ে বিচলিত আৰু বিধ্বস্ত কৰিব নোৱাৰিছিল। তেওঁলোকৰ মনৰ ভাব টান শিলেৰে নিৰ্মাণ কৰা প্ৰাচীৰ স্বৰূপ আছিল, আৰু এই উপমাক বহলাই কবলৈ গলে, শত্ৰুৰ হিলৈৰ গুলী, দুৰ্গ আৰু বুৰুজত নিপতিত হলে তাত মাথোন এধানমানি ধূলিহে উৰিছিল, আৰু দুৰ্গৰ বেৰ ভাঙি পেলোৱাৰ কোনো চিন পোৱা নগৈছিল।

নেতাসকলৰ দৃষ্টান্তই আছিল এই অপৰাজেয় মনোভাৱৰ সৃষ্টিৰ কাৰণ। যুদ্ধত জয়লাভ কৰিবৰ নিমিত্তে স্বৰ্গদেৱ দৃঢ়প্ৰতিজ্ঞ হৈছিল, আৰু সেনাপতিসকলো এই মনোভাৱৰদ্বাৰা প্ৰণোদিত হৈছিল। স্বৰ্গদেৱে সেনাপতিক নিয়ন্ত্ৰণ কৰিছিল আৰু তেওঁক দ্ৰুতগতিৰে কাম কৰিবলৈ উদগনি দিছিল। বুঢ়াগোঁহাই ডাঙৰীয়ায়ো সেনাপতিক ভয় কৰিছিল, অৱশ্যে প্ৰয়োজন অনুসৰি সেনাপতিয়ে নভবা-নিচিন্তাকৈ কোনো কাম কৰিব খুজিলে বুঢ়াগোহাঁইয়ে বাধা দিছিল। ওপৰ খাপৰ সেনাপতিসকলৰ মাজত কোনো অসূয়া-অপ্ৰীতি বা অসন্তুষ্টিৰ ভাব নাছিল, তেওঁলোকে এক উদ্দেশ্যৰে কাম কৰিছিল,—"অসমীয়া সৈন্যৰ জয়লাভ।" এই উদ্দেশ্য অনুসৰণ কৰোঁতে তেওঁলোকে নিজৰ অহমিকা ভাব সম্পূৰ্ণকৈ বৰ্জন কৰিছিল। তেওঁলোকৰ মনোভাৱ তলতীয়া সেনাপতিসকলৰ গাতো লম্ভিছিল, আৰু এই ভাৱ সেনাপতিসকলে তেওঁলোকৰ সৈন্য আৰু লগৰ মানুহৰ অন্তৰতো সৃষ্টি কৰিছিল। স্বৰ্গদেৱকে আৰম্ভ কৰি অতি নিঃকিন খেতিয়কলৈকে সদৌ অসমীয়া জাতিয়ে একমত হৈ এটা মানুহৰ দৰে কাম কৰিছিল। এই দৃশ্য দেৱতাসকলে চাব লগীয়া চিত্ৰ আছিল। আৰু অসমীয়াৰ পক্ষে এই দৃশ্য হৈছে দেশ পুনৰ সংস্থাপন আৰু উন্নতিৰ কাৰণে অনুপ্ৰেৰণাৰ খিলঞ্জীয়া কঠিয়াতলী।

এই কালৰ যুদ্ধত কোনো আপদত পৰিলে তাৰপৰা সোনকালে গা টঙাব পৰা শক্তিৰ প্ৰমাণ অসমীয়াই ভালকৈ দিছিল। মীৰজুমলাৰ আক্ৰমণত অসমৰ মহা বিপৰ্যয় ঘটিল। স্বৰ্গদেৱ

জয়ধ্বজসিংহই নতশিৰ হৈ সন্ধিৰ প্ৰস্তাব গ্ৰহণ কৰিব লগাত পৰিল, তেওঁৰ জীয়েককো পাদশ্যাহৰ মহললৈ উলিয়াই দিলে। মোগললৈ খৰ-খেদাকৈ পেচ্ কচ্ পঠিয়াব লগা হ'ল। আৰু গাঁও এৰি যোৱা প্ৰজাসকলক ওভোতাই আনি ঠায়ে ঠায়ে পাতি নিজ নিজ ব্যবসায় চলাবলৈ সুবিধা দিব লগাত পৰিল। ইয়াৰ উপৰিও, জাতীয় মৰ্যাদাৰ পুনৰুদ্ধাৰ, দেশৰ ৰাজক্ষমতাত আৰু নিজৰ ওপৰত প্ৰজাৰ আত্মবিশ্বাসৰ সৃষ্টি, আৰু তেওঁলোকৰ পৰাজয়মূলক মনোবৃত্তি গুচাই তাৰ ঠাইত জয়লাভমূলক মনোবৃত্তিৰ অৱতাৰণা, এইবোৰ উদ্দেশ্যে কাম কৰিব লগা হৈছিল। জয়ধ্বজসিংহ মহাৰাজে যি উদ্যমেৰে মোগলৰপৰা কামৰূপ উদ্ধাৰ কৰি ঢাকাৰ সমীপলৈকে ৰাজ্য জয় কৰিব পাৰিছিল সেই উদ্যমেৰে আৰু দূৰদৰ্শিতাৰে ৰাজ্য পুনৰ সংস্থাপনৰ কাৰণে মনোনিবেশ কৰিছিল। স্বৰ্গদেৱে কোচবেহাৰ, জয়ন্তীয়া আৰু নৰ্তঙ্গীয়া ৰজালৈ দিয়া পত্ৰৰ পৰা মোগলৰ সৈতে পুনৰ ৰণ কৰিবলৈ সংকল্প কৰাৰ প্ৰমাণ পোৱা যায়। কোচৰ প্ৰাণনাৰায়ণ ৰজালৈ স্বৰ্গদেৱে লিখিলে, বোলে—"সূৰ্যক যদি ৰাহুয়ে এবাৰ গ্ৰাস ক'ৰে সেই সূৰ্য কি পুনৰ প্ৰকাশ নহয়?" ঘিলাঝাৰি-ঘাটৰ সন্ধিৰ পাচত স্বৰ্গদেৱ জয়ধ্বজসিংহই মাথোন মাহচেৰেকহে জীয়াই আছিল, আৰু তেওঁৰ দিনতে অসমৰ এনে দুৰ্দশা হোৱা কাৰণে তেওঁ নিৰন্তৰে চকুপানী টুকিছিল। মৃত্যুশয্যাত পৰি কোৱা কথাখিনিৰ পৰা আমি স্বৰ্গদেৱৰ অন্তৰৰ শোকৰ বিষয়ে জানিব পাৰোঁ—"বঙাল শত্ৰুৱে আমাৰ বুকুত মৰা শেলডাল উঘালিবলৈ পাৰামানে যত্ন কৰিবা।"

স্বৰ্গদেৱ চক্ৰধ্বজসিংহই দেশৰ দুৰ্দশা দেখি মৰ্মাহত হৈ হাত সাবটি বহি থকা বিধৰ মানুহ নাছিল। অসমে বঙালক সদায় যুদ্ধত ঘটুৱাই আহিছে, মীৰজুমলাৰ দিনত হোৱা দুৰ্দশা তাৰে এটা ব্যতিক্ৰম মাত্ৰ। স্বৰ্গদেৱে বঙালক গুৱাহাটী আৰু কামৰূপৰপৰা খেদাৰ আয়োজন কৰি নিজৰ আত্মবিশ্বাসক কাৰ্যকৰী কৰিলে।

মিত্ৰৰজাসকললৈ দিয়া পত্ৰাৱলীৰপৰা স্বৰ্গদেৱৰ উদ্যম আৰু সংকল্পৰ কথা জানিব পাৰি। স্বৰ্গদেৱে প্ৰাণনাৰায়ণ ৰজালৈ লিখিছিল— "বঙালক আমি বাৰম্বাৰ ঘটুৱাইছোঁ তাক তুমি ভালকৈ জানা। আমাৰ জানিবা এবাৰ পৰাভৱ ঘটিল, তাৰপৰা বুজায় নেকি যে আমাৰ পুনৰ পৰাভৱ হব?" যুদ্ধৰ আয়োজনৰ কামত কিছু পৰিমাণে আগবাঢ়ি স্বৰ্গদেৱে প্ৰাণনাৰায়ণ ৰজালৈ আকৌ লিখিলে—"মোগলে আমাক এবাৰ ঘটুৱাইছে বুলি বঙালৰ অধীনতা গুচাবলৈ আমি যত্ন নকৰিমনেকি"? শিবাজীয়ে মোগলক পৰাস্ত কৰি একুৰি দিনৰ বাটলৈ হোঁহোঁকাই পঠিয়াইছিল, চক্ৰধ্বজসিংহ স্বৰ্গদেৱে এই বাৰ্তাৰ পৰাও অনুপ্ৰেৰণা পাইছিল। জয়ধ্বজসিংহ আৰু চক্ৰধ্বজসিংহ স্বৰ্গদেৱৰ কাৰণে, মীৰজুমলাৰ আক্ৰমণৰ দুৰ্দশাই নতুন উদ্যম, সংগঠন আৰু সৰ্বশক্তি প্ৰয়োগৰ নিমিত্তে ইন্ধনহে যোগাইছিল। এই নতুন কাৰ্যপন্থাৰ সম্ভাৰ অকল মানুহ আৰু আহিলা-পাতিয়েই নাছিল, ইয়াৰ সম্ভাৰ আছিল অসমীয়াৰ অন্তৰ্নিহিত দেশপ্ৰেম আৰু সুপ্ত হৈ থকা শক্তি জাগৰণৰ সম্ভাৱনা।

আগৰ দিনৰ অসমীয়াই ভালকৈ জানিছিল যে তেওঁলোকৰ জনশক্তি আৰু আহিলা-পাতিৰ সম্পদ বিস্তৰ, আৰু কোনো উদ্দেশ্য সিদ্ধিৰ কাৰণে যে এই সম্পদক একত্ৰীভূত কৰিব লাগে, তাকো তেওঁলোকে ভালকৈ জানিছিল। স্বাৰ্থত্যাগী আৰু দেশপ্ৰেমিক নেতাসকলৰ অক্লান্ত পৰিশ্ৰমৰদ্বাৰাই এই সম্পদৰাজিক একমুখীভাৱে প্ৰয়োগ কৰিব পাৰি, তাকো তেওঁলোকে যথাৰূপে বিশ্বাস কৰিছিল। জয়ধ্বজসিংহ স্বৰ্গদেৱৰ দিনত মীৰজুমলাৰ হাতত অসমীয়াৰ বিপৰ্যয় ঘটাৰ কাৰণ আছিল—শক্তিমন্ত নেতাৰ অভাৱ, যদিও যুদ্ধৰ আহিলা-পাতি অপৰ্যাপ্ত আছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱে মোগল ৰাজ্য আক্ৰমণ কৰিবলৈ সংকল্প কৰাৰ বেলিকা কুঁৱৈগঞা বুঢ়াগোঁহায়ে ৰণমেলত দিয়া পৰামৰ্শত সুদক্ষ নেতাৰ প্ৰয়োজনৰ কথা ভালকৈ স্বীকৃত হৈছিল। বুঢ়াগোঁহাই ডাঙ্গৰীয়াই কৈছিল—"স্বৰ্গদেৱে উত্তমহে

সুধিছে ৰবপাত্ৰ গোঁহায়ে উত্তমহে কৈছে। স্বৰ্গদেৱৰ পূৰ্বে পুলিন ৰজাদেৱে তেজশক্তিৰ বলে ৰঙ্গামাটি চবাই কৰতোৱা গঙ্গাত খাণ্ডা পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহা সীমাকৈ গৈছে। জয়ধ্বজসিংহ ৰজাদেৱৰ দিনত এনে আহিলা-পাতি বহুতো আছিল, তত্ৰাপি নাম হ'ল ভগনীয়া ৰজা। অস্ত্ৰ-শস্ত্ৰ আহিলা-পাতি সমস্তো জড়। স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতন, সেয়ে চলালেহে চলে। তাৰো বলাবল বুজিব লাগে, শত্ৰুৰো বলাবল বুজিব লাগে। জয়-পৰাজয় দুয়ো আছে। তাকে বিশেষৰূপে বুজিহে বাঢ়িবলৈ ভাল যেন দেখি"। যেতিয়াই অসমীয়াই এইবোৰ কথা হৃদয়ঙ্গম কৰিছিল, আৰু যেতিয়াই উপযুক্ত নেতা পোৱাৰ সৌভাগ্য ঘটিছিল, তেতিয়াই তেওঁলোকে কামত অপ্ৰয়াসে সিদ্ধিলাভ কৰিছিল আৰু পুনৰ সংস্থাপনৰ বেলিকাও কৃতকাৰ্য হৈছিল। সেইদৰে অন্তৰ্বিৰোধ আৰু খোৱা-কামোৰাৰ পৰিণামত যেতিয়া ডাঙৰীয়াসকল মিলেৰে কাম কৰাত অসমৰ্থ হ'ল, আৰু দেশৰ প্ৰচুৰ সম্পদক প্ৰজাৰ ভালৰ নিমিত্তে ব্যৱহাৰ কৰিব নোৱাৰা হ'ল, তেতিয়াহে অসমৰ অৱনতি ঘটিল।

সৰ্বসাধাৰণ প্ৰজাৰ মন কোমল। তাক নেতাসকলে আৱশ্যক-মতে গঢ় দিব পাৰে। অসমীয়াৰ সামৰিক গুণৰ কথা বিদেশী দৰ্শক-বৃন্দই স্বীকাৰ কৰি গৈছে। আমি এইখিনিতে মীৰজুমলাৰ বুৰঞ্জী লিখক চিহাবুদ্দিন তালিচৰ কথাখিনি উদ্ধৃত কৰিব পাৰোঁ— "অতি অল্প সংখ্যক অসমীয়া সৈন্যই হেজাৰ সৈন্যক বাধা দিব পাৰে। তেওঁলোকে মোগলৰ সৈতে প্ৰায় ৰাতিহে যুদ্ধ কাৰ্যত প্ৰবৃত্ত হয়, কাৰণ এই কালছোৱাত তেওঁলোকে শুভমুহূৰ্ত বুলি বিবেচনা কৰে"। হিৰাট নগৰীৰ মোল্লা দৰবেশ নামে এজন কবি মীৰজুমলাৰ লগত অসমলৈ আহিছিল। চিহাবুদ্দিন তালিচে এওঁক বাক্য-প্ৰয়োগত সুনিপুণ আৰু আমাৰ অসম অভিযানৰ মৰমিয়াল সঙ্গী আৰু সহযোগী বুলি বৰ্ণনা কৰিছে। কবিয়ে অসমীয়াৰ সাহ-পিত

এইদৰে প্ৰশংসা কৰিছে—"অসমৰ বজাই যুদ্ধক্ষেত্ৰত এনে এক সৈন্যবাহিনী নমালে যে সিহঁত অসংখ্য হোৱাৰ নিমিত্তে পৃথিবীত চৰাই সজাৰ দৰে হ'ল। বিপ্লৱ অনাত সিহঁত পটু, আৰু ৰমণীৰ চকুৰ দৰে কাঁড় আৰু বজ্ৰ নিক্ষেপৰ সহায়েৰে আক্ৰমণত অদ্বিতীয়, তথাচ সন্মুখ সমৰত অচল-অটল। সিহঁতৰ শৰীৰ জীৱনৰ অগ্নিশিখাৰে পৰিপূৰ্ণ, তথাপি ভৈয়াম আৰু পৰ্বতত জীৱন সংহাৰ কৰা কাৰ্যত সিহঁতক কোনেও চেৰ পেলাব নোৱাৰে। জলদৈত্য ইফ্রিটৰ দৰে সিহঁতৰ প্ৰত্যেক সৈন্যক দেখিলে গাৰ লোম শিয়ৰি উঠে। সিহঁতে যুদ্ধ কৰিবলৈ ধৰিলে শিৰৰপৰা শৰীৰ আৰু শৰীৰৰপৰা শিৰ বিছিন্ন নোহোৱালৈকে সংগ্ৰাম ক্ষেত্ৰ নেৰিছিল। সিহঁত পাতালপুৰীৰপৰা নিৰ্গত ঠিক যেন আহ্রিমান দৈত্য, নাইবা বন্দীয়াবৰ জিঞ্জিৰৰপৰা পলাই মুক্ত হোৱা কোনো জন্তু"।

মানৰ আক্ৰমণৰ সময়ত, আভাৰ প্ৰসিদ্ধ সেনাপতি কিয়ামিঙ্গি বৰগোঁহায়ে অসমীয়া সেনাৰ বল-শক্তি দেখি আচৰিত মানিছিল। উপযুক্ত সেনাপতিৰ অভাৱত অসমীয়াই যুদ্ধত হাৰিছিল বুলি কিয়ামিঙ্গিয়ে বিশ্বাস কৰিছিল। ১৮১৯ চনত ফেব্ৰুৱাৰী মাহত ফুলপানিছিগা ৰণত অসমীয়া সৈন্য পৰাজিত হোৱা দেখি কিয়ামিঙ্গিয়ে মানৰ মিত্ৰ মোমাই বৰুৱাক কৈছিল—"তোমালোকৰ দেশত অনেক বণুৱা, কিন্তু তোমালোকৰ ভাল সেনাপতি নথকা গতিকে আমি ঘটুৱাব পাৰিলোঁ"। এতিয়াও, নেতাৰ অভাৱত অসমৰ সুপ্ৰচুৰ সম্পদৰাজিৰ সুব্যৱহাৰ হোৱা নাই বুলি ঘুহুক-ঘানাককৈ শুনা যায়।

কিন্তু, সুদক্ষ নেতা হবলৈ গলে কি কি গুণৰ আৱশ্যক? জৰ্জ-ডি-হেল্‌চিয়ে তেওঁৰ "নেতা কেনেকৈ হব পাৰি?" গ্ৰন্থত নেতাৰ গুণসমূহক এইদৰে বিশ্লেষণ কৰি দেখুৱাইছে—"ন্যায়পৰায়ণতা, আন্তৰিকতা, সততা, নিৰপেক্ষতা, নিৰ্ভীকতা, আত্মবিশ্বাস, ততালিকে সিদ্ধান্ত লব পৰা ক্ষমতা, উপায়-উদ্ভাৱনাৰ শক্তি, কৌশল, মিত্ৰতা

কৰা আৰু মিত্ৰক মিত্ৰভাৱে ৰাখিব পৰা গুণ, উৎসাহ আৰু উদ্যম, আৰু আনৰ অন্তৰত উদ্দীপনা জন্মাব পৰা শক্তি, উৎসুকতা, নিৰীক্ষণ শক্তি, মুকলি মন, বিচাৰ-শক্তি, ক'তো খুত নোহোৱাকৈ আৰু ন্যায়নিষ্ঠভাৱে কাম কৰিব পৰা শক্তি, উপস্থিত বুদ্ধি, মৌলিকতা, সংগঠন শক্তি, কিটিপ-কৌশল, আৰু কাৰ্য সম্পাদনা শক্তি।"

অসমৰ কৰ্মক্ষেত্ৰত অতি প্ৰয়োজনীয় নেতাসকলৰ আবিৰ্ভাৱ হলেহে, আমি বছৰচেৰেকৰ পূৰ্বে বৰ্ণোৱা স্বপ্ন ফলিতাৰ্থ হোৱা দেখা পাম—

"আমাৰ দেশখনক আমি যি নামৰ দ্বাৰা অভিহিত কৰিছোঁ তাৰ দৰে আন কোনো নামে ভাবাৰ্থ আৰু উৎপত্তিৰ সম্পৰ্কে এনে মতভেদৰ সন্মুখীন হবলগীয়া হোৱা নাই। কিন্তু মত প্ৰাধান্যলৈ চাই আসাম বা অসম নামৰ ব্যাখ্যা অসম অৰ্থাৎ তুলনাবিহীন বুলি কব পাৰি। অসম অৰণ্যে অসম বা অসমান আৰু ঈশ্বৰে সৃষ্টি কৰা গিৰি-ভৈয়ামৰ সংযোগৰ পৰা উৎপত্তি হোৱা সম্ভাৱনাসমূহত এই অসমতাৰ উৎপত্তি হৈছে। জনজাতিসকলৰ শাৰীৰিক উদ্যম আৰ্যসকলৰ সূক্ষ্ম বুদ্ধিৰ পৰিপূৰক হৈছে। ভৈয়ামৰ প্ৰজাবৃন্দৰ টুটি অহা শৌৰ্য-বীৰ্যক পৰ্বতীয়া জাতিৰ আদি-উদ্যমে সবল কৰিছে। এই পৰ্বতীয়া ভাইসকলৰ শাৰীৰিক শক্তি আমাৰ কোনো শক্তিপূৰ্ণ কাম কৰিবলৈ হলে সদায় আমাৰ সহায়ত আছে। অসমৰ এই দুই শ্ৰেণীৰ বাসিন্দাৰ শক্তি একে উদ্দেশ্যতে প্ৰয়োগ কৰিব লাগিব, কাৰণ তেওঁলোকৰ সামীপ্য আৰু সংসৰ্গই অসমৰ কৃষ্টি-সভ্যতা, ধৰ্ম আৰু সমাজ প্ৰভাৱান্বিত কৰিছে।

"অসমৰ অতি মূল্যবান সম্পদ হৈছে, ইয়াৰ প্ৰাকৃতিক বিভূতি সমূহ, নদ-নদী আৰু জান-জুৰি, তেলপুং আৰু কয়লাৰ খনি, চূণৰ খনি, গছ-গছনি আৰু সাকুৰা মাটি। এইবোৰ সম্পদ ভালকৈ ব্যৱহাৰ কৰি অসমক সমৃদ্ধিশালী কৰি তুলিব পাৰিলে অসমক পূৰ্ব-ভাৰতৰ উঠি অহা তৰা বুলি আখ্যা দিব পৰা যাব। আৰু অসমক পূৰ্বতে, নিশা,

তেজীমলা আৰু টোপনি গধুৰ বুলি কোৱা হৈছিল, সেইবোৰ শব্দই অসমৰ অগ্ৰগতিক জাজ্জ্বল্যমান কৰি তুলিব মাত্ৰ"।

আমাক এনেকুৱা নেতা লাগে যি নেতাই দেশপ্ৰেম আৰু দেশৰ উন্নতিৰ অৰ্থে সেৱা কাৰ্যত স্বাৰ্থহীনতাৰ শৃঙ্গত উঠিব পাৰিব। তেওঁলোকে দৃষ্টান্ত আৰু উপদেশৰ সহায়েৰে দেশবাসীক উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত কৰিব পাৰিব। তেওঁলোকৰ পূৰ্বপুৰুষসকলো এনে উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ভবিষ্যত যুগৰ অনুসৰণ আৰু উদ্দীপনাৰ কাৰণে জাতীয় বুৰঞ্জীত সংৰক্ষিত তেওঁলোকৰ বাণী আৰু মন্তব্য আদিত সেই উচ্চ আদৰ্শৰ আভাস পোৱা যায়।

এইবোৰ উক্তি ৰাজনৈতিক মামুলি বাক্য-বচনৰ অন্তৰ্গত নহয়, আৰু ই বাগ্মী বোলাই ফুৰা নেতাৰ বক্তৃতাক শোভা কৰা বাণীও নহয়, সেইবোৰ বাণী শিলৰ গাঁঠনিৰ ওপৰত স্থাপিত আৰু ভয়াবহ জাতীয় দুৰ্যোগ অতিক্ৰম কৰাৰ কাৰ্যাৱলীত সেইবোৰ ৰূপান্তৰিত হৈছিল। আলোচনা আৰু আচৰণ, সংকল্প আৰু সম্পাদন, চিন্তা আৰু প্ৰগতি, একেলগে প্ৰবৰ্তিত হৈছিল। এই কথা অম্বেৰৰ ৰজা ৰামসিংহ আৰু তেওঁৰ সুবিজ্ঞ কটকী পণ্ডিতৰায়ে কৰা অসমীয়াৰ সম্পৰ্কে মন্তব্য-সমূহৰপৰা আমি জানিব পাৰোঁ—

(১) ৰামসিংহই বছিদ-খাঁক কৈছিল—"আহোমে পৰ্বতৰ ওপৰত গড় সাজিছে। ওচৰৰ ভৈয়ামো মুকলি যুদ্ধৰ নিমিত্তে অতি ঠেক। এই কাৰণেহে বিদেশীয়ে কৰা আক্ৰমণৰ বেলিকা অসমে অপৰাজেয় বুলি প্ৰমাণ দেখুৱাইছিল"।

(২) ৰামসিংহই আকৌ বছিদ-খাঁক কৈছিল—"আত্মৰক্ষাৰ কাৰণে অসমীয়াই এনে দুৰ্ভেদ্য গড় কৰিছে, তাৰ নিমিত্তে অসমৰ মন্ত্ৰী, সেনাপতি আৰু পদাতি সকলোকে প্ৰশংসা কৰিব লগীয়া"।

(৩) ৰামসিংহৰ কটকী পণ্ডিতৰায়ে কৈছিল—"বৰপাত্ৰ গোঁহাই, বৰগোঁহাই, গোহাই-ফুকন আৰু বৰফুকন এওঁলোক সুনিপুণ সেনাপতি, দেখাত সুন্দৰ, কাৰ্যতো চতুৰ, সাহিয়াল আৰু ধীৰ"।

(৪) পণ্ডিতবায়ে ৰামসিংহক কৈছিল—“বুঢ়াগোঁহাই বয়সত অল্প, গৌড়, সুন্দৰ, ধীৰ আৰু গহন আসৈ, সকলো কাৰ্যতে সুদক্ষ, তেওঁৰ পৰামৰ্শ মতে সকলো চলে। বুঢ়াগোঁহাই মহা চক্ৰীত”।

(৫) আতন বুঢ়াগোঁহাইৰ বিষয়ে ৰামসিংহ ৰজাই কৈছিল—“ইমান কোমল বয়সতে মানুহ এনে বুদ্ধিমন্ত হব পাৰে, ই বৰ আচৰিত। বয়স হলে এওঁক কোনে তৰ্কিব পাৰিব? যি দেশত এনে মন্ত্ৰী জন্মিছে সেই দেশ ধন্য”।

(৬) শৰাইঘাটৰ যুদ্ধৰ পাচত ৰামসিংহই কৈছিল—“প্ৰতিজন অসমীয়া সৈন্যই নাও বোৱা, কাঁড় মৰা, খাৱৈ খন্দা, বন্দুক আৰু বৰহিলৈ মৰা, এই সকলো কামতে সুনিপুণ। এনে ধৰণে সকলো কাম জনা মানুহ ভাৰতৰ কোনো অঞ্চলতে মই দেখা পোৱা নাই”।

(৭) ৰজা ৰামসিংহই কৈছিল—“ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য দেশ! একেটা মানুহে সকলো সৈন্য চলায়! মই হেন ৰামসিংহই হালত থাকিও একো ছিদ্ৰ নেপাওঁ”!

# প্ৰথম পৰিশিষ্ট

## উক্তি সংগ্ৰহ

বিবিধ ঘটনা-সূত্ৰে নেতাসকলে কোৱা মন্তব্য আৰু বাণী চুটি-দীঘল পৰিমাণে সমসাময়িক অসমীয়া বুৰঞ্জীৰ পাতত সংৰক্ষিত হৈছে। ঘটনাৱলীক সঞ্জীৱিত কৰা সেইবোৰ উক্তিৰপৰা অসমীয়াৰ আদৰ্শ আৰু যুদ্ধ-কৌশলৰ আভাস পোৱা যায়। অসমৰ স্বৰ্গদেৱ আৰু সেনাপতি, কোচবেহাৰ, জয়ন্তীয়া আৰু নৰ্তঙ্গীয়া মিত্ৰ-ৰজাসকলৰ কিছুমান উক্তি তলত উদ্ধৃত কৰি দিয়া হ'ল। লাচিত বৰফুকনৰ বৰ্তমান বুৰঞ্জী গ্ৰন্থত সেইবোৰ উক্তিয়ে ঘটনা সংক্ৰান্তত ঠাই পাইছে আৰু তৃতীয় পৰিশিষ্টত থকা ৰজাঘৰীয়া পত্ৰাৱলীতো আছে। এইবোৰ উক্তি মনোযোগেৰে অধ্যয়ন কৰিলে, ১৬৬৩ চনৰপৰা ১৬৭১ চনলৈকে হোৱা অসম আৰু মোগলৰ সংঘৰ্ষৰ ধাৰাবাহিক কাহিনীৰো আভাস পাব পাৰি।

(১) মীৰজুমলা নবাবে অসম এৰাৰ পাচত, জয়ধ্বজসিংহ স্বৰ্গদেৱে ৰণত হেলা কৰা আৰু লগ এৰা মানুহক শাস্তি দিব খোজোঁতে গড়গঞা ৰজাশহুৰ ৰাজমন্ত্ৰী থামোন নাওবৈচা ফুকনে কৈছিল ঃ

"মূৰৰ চুলি দুই-এডাল পকিলে তাক কাঢ়িলে শোভা দেখি। সকল যদি পকিল তাক কাঢ়িলে আপোনাৰ মূৰত দুখ পাবলৈহে আছে।"

(২) জয়ন্তীয়া ৰজা যশমত্তৰায়ে জয়ধ্বজসিংহ স্বৰ্গদেৱলৈ লিখিছিল ঃ

"জয়ন্তা আৰু গড়গাঁও দুই নহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে, আমাৰ মনত এনে দুখ লাগিছে। যি হৱৰ আছিল সি হ'ল। এতিয়া যিৰূপে দিন-দিন অধিক প্ৰীতি হয় তাকে কৰিবা। আৰু বঙালে খানিক ৰাজ্যক পীড়া কৰিলে, এইমাত্ৰ, মাটিক নিব নোৱাৰিলে। সেই দেশ, সেই লোকসকল আছে, তুমি আপুনি কুশলে আছা। এতিয়া এনে কাৰ্য কৰি তুমি আমি একপ্ৰীতি হৈ যাতে বঙালৰ দাদ লব পাৰোঁ তাকে কৰা। বঙালে যি কৰিছে যদি তেনে দাদ লব পাৰোঁ তেহে আমাৰ সন্তোষ হয় আৰু মন-দুখ যায়।"

(৩) জয়ন্তাৰ তলপীয়া নৰ্তঙ্গীয়া ৰজা মানিকসিংহই জয়ধ্বজসিংহলৈ দিয়া পত্ৰত লিখিছিল ঃ

"দুইজন কি ? তোমাৰ কাৰ্যৰ নিমিত্তে যদি দশ-বিশ হাজাৰ লোক পৰিল, তথাপি আমাৰ অসন্তোষ নাছিল।"

(৪) নৰ্তঙ্গীয়া ৰজাই স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ আৰু লিখিছিল :

"অন্যো-অন্যে চিত্ত শুদ্ধ থাকিলে দূৰেও সন্নিহিত, এনেকৈ চিত্তে লয় যেন। গড়গাঁও জয়ন্তীয়া দুই নহয়। তোমাৰ দেশ বঙালে মাৰিলে, আমি কুশলে আছিলো, মনত এনে দুখ লাগিছে। হুকুম নকৰিলোঁ দশ-বিশ হাজাৰ লোক আমাৰ গৈ নপৰিল, এইখানহে আমাৰ চিত্তত অধিক দুখ লাগিছে।"

(৫) কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণে স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ লিখিছিল :

"তোমাৰ যে ৰাজ্যচ্যুত হৈছে ইয়াৰ কাৰণে তোমাৰ কোনোমতে দুখ কৰিবৰ উচিত নহয়। দেখা, ৰামচন্দ্ৰ, সুৰথ, যুধিষ্ঠিৰ এইসকলৰো ৰাজ্যচ্যুতি হৈছিল। কিন্তু তেওঁলোকে উদ্যোগ কৰি ৰাজ্য ফিৰাই ললে নিমিত্তে তেওঁ-লোকৰ অকীৰ্তি নহ'ল।"

(৬) স্বৰ্গদেৱ জয়ধ্বজসিংহই প্ৰাণনাৰায়ণ ৰজালৈ লিখিছিল :

"তুমি যি ৰাজ্যচ্যুত হোৱাৰ নিমিত্তে উদ্যোগ কৰিবৰ কাৰণে ক'লা তাক কৰ পোৱা। কিন্তু সূৰ্যক ৰাহুৱে আগ্ৰহণ কৰি থয়, তথাপিতো কি সূৰ্যে পুনৰ প্ৰকাশ নকৰে ?"

(৭) জয়ধ্বজসিংহ স্বৰ্গদেৱে প্ৰাণনাৰায়ণ ৰজালৈ আৰু লিখিছিল :

"এতেকে আমিও বলাবল জিজ্ঞাসা কৰি যতন কৰিছো, তুমিও ইয়াৰ নিমিত্তে যতন কৰিবা। বিশেষ, অগ্নি, বায়ু সংযোগ হৈ তৃণসকল দহি ছন্ন কৰে। তুমি আমি তেমনে প্ৰীতি হলে শত্ৰুক দমন কৰি নষ্ট কৰিব পাৰোঁ তেনে কৰিবা।"

(৮) মৃত্যুশয্যাত পৰি স্বৰ্গদেৱ জয়ধ্বজসিংহই পাত্ৰ-মন্ত্ৰীসকলক মাতি আনি কলে :

"ভগা ৰাজ্যখন যি ৰূপে ৰক্ষা পৰিব তোমালোক সকলো যুক্তি হৈ একমতিয়ে প্ৰৱৰ্তি এজনক আগত লৈ প্ৰতিপাল কৰিবা। আৰু বঙাল শত্ৰুৰ বুকুৰ শাল উদ্ধাৰ কৰিব পাৰিলে ভাল হয়।"

(৯) বঙালে পেচ্‌কচ্‌ খুজি গৰ্ববচন বুলিলত মহাৰাজ চক্ৰধ্বজসিংহ স্বৰ্গদেৱে ক'লে :

"বঙালৰ অধীন হৈ থকাতকৈ মৰণেহে উচিত।"

(১০) বঙালৰ টান মাত শুনি চক্ৰধ্বজসিংহ স্বৰ্গদেৱে কলে ঃ

"মোৰ পুথাও-পুলিনে লোকৰ তলপ হৈ যোৱা নাই। এতিয়া মই লোকৰ তলপ হৈ থাকিব নোৱাৰোঁ।"

(১১) চক্ৰধ্বজসিংহ স্বৰ্গদেৱে মোগলক মাৰিবলৈ আদেশ দিয়াত আতন বুঢ়াগোঁহাই ডাঙৰীয়াই বুজনি দিলে ঃ

"ৰাজা হলে শত্ৰুক মাৰি-কাটি আপোনাৰ সীমনাত ৰাখিব লাগে, তেবেসে যশ-ধৰ্ম্ম বৃদ্ধি হয়। দেবতাই যিখান বুলিছে উত্তমকেহে বুলিছে। সকল দিন স্বতন্ত্ৰ ৰজা। বঙালৰ আইচটি সহিব নোৱাৰি।"

(১২) চক্ৰধ্বজসিংহ স্বৰ্গদেৱে বঙালক মাৰিবলৈ আজ্ঞা দিলত আতন বুঢ়াগোহাঁয়ে আৰু কলে ঃ

"কিন্তু ৰাজ্যো ভাগিছে, এতিয়া স্বৰ্গদেৱে পূৰ্ব্বৰ ঠায়ে-ঠায়ে পাতিছে। তাৰ চাউল-কঠা কানিখান হৈছে নহৈছে তাকো বিচাৰ কৰিব লাগে। সকলো দ্ৰব্যত কৰি চাউল-কঠাহে প্ৰধান, তাৰ বিকল হলে কোনো কাৰ্য সিদ্ধ নহয়।"

(১৩) আতন বুঢ়াগোহাঁয়ে আৰু কলে ঃ

"মানুহ চৰা নাৱত উঠে, আগৰ বৈচা, মাজৰ বৈচা, পাচৰ বৈচা তিনিৰো একেবাৰে চাব্ পৰিলে দেখিবলৈকো ভাল, বাওঁতায়ো উৎসাহ পায়, নাও চলে, কঢ়াৰীয়ে দি চল পাই। আগৰ মাজৰ পিচৰ তিনিৰো তিন চাব যদি হল কঢ়াৰীও দি চল নেপায়, নাও নচলে, দেখোঁতায়ো ভাল নেদেখে। এনেৰূপে প্ৰমাণ কৰি স্বৰ্গদেৱে যদি কাৰ্যত মন দিব পাৰে তেনেহলে শত্ৰুক মাৰি পূৰ্ব্ব সীমনাত ৰাজ্য ৰাখিব পাৰে।"

(১৪) চক্ৰধ্বজসিংহ স্বৰ্গদেৱে প্ৰাণনাৰায়ণ ৰজালৈ লিখিলে ঃ

"বঙালৰ হাতত একবাৰ ঘাটিছোঁ বুলিনেকি আমি যত্ন নকৰিম, আৰু সিটো একবাৰসে আমাক এনে কৰিছে, তাৰ কাৰণে বাৰম্বাৰ যেনে কৰিছোঁ তাক তুমি আপুনি সমস্তবোৰ জানা।"

(১৫) চক্ৰধ্বজসিংহ স্বৰ্গদেৱে বেহাৰৰ প্ৰাণনাৰায়ণ ৰজালৈ লিখিলে ঃ

"কিন্তু মোগলক বাৰম্বাৰ যেনেখান কৰিছোঁ তাকো তুমি আপুনি সমস্তকে জানা। আৰু বিধাতাই যদি আমাক একবাৰ ঘটাইছে বাৰম্বাৰনেকি আমাৰ এনে হব ?"

(১৬) মোগল আক্ৰমণৰ কাৰণে অসমৰ সেনাপতি কেনে মানুহ হব লাগে তাৰ বিষয়ে চক্ৰধ্বজসিংহ স্বৰ্গদেৱে ক'লে :

"বঙাল শত্ৰু ওচৰতে আছে। কেনেকৈ ছৈয়দ পিৰোজ ছৈয়দ চালাক ধৰিব পৰা যাব? অধিকাৰী যাক দিম সিও গাঢ় হব লাগিব।"

(১৭) মোমাই-তামূলীৰ সৰুজনা পুতেক লাচিতে চক্ৰধ্বজসিংহ স্বৰ্গদেৱক কলে :

"স্বৰ্গদেৱৰ ৰাজ্যত নো মানুহ নাইনেকি? বঙালনো সি কি?—মানুহহে! আমাৰ ৰাজ্যত নোলাবনেকি তেনে মানুহ? স্বৰ্গদেৱে ধূলা দিবহে লাগে। মন কৰি চাওঁক।" ।

(১৮) আহোম সৈন্যই গুৱাহাটীলৈ যুদ্ধ যাত্ৰা কৰাৰ সময়ত চক্ৰধ্বজসিংহ স্বৰ্গদেৱে সেনাপতিসকলক কলে :

"তইঁতৰো ভাৰ্যা-পুত্ৰ, গো-ব্ৰাহ্মণ সকলো ৰক্ষা পৰিব লাগে। বঙালক যুদ্ধে জিনিলোঁ, ইও যশস্যা মঞি পাব লাগে। যদি ইটাখুলিত ভঙ্গাব নোৱাৰ, আৰু তইঁতৰ নিচিনা ফুকন ৰাজখোৱাইঁতো নোলাবনেকি?"

(১৯) অসমীয়া সৈন্যই মোগলক খেদি গুৱাহাটী আৰু কামৰূপ উদ্ধাৰ কৰা বাৰ্তা পাই চক্ৰধ্বজসিংহ স্বৰ্গদেৱে হৰ্ষযুক্ত হৈ ক'লে :

"এতিয়াহে মঞি সুখে ভাত এগৰাহ খাওঁ।"

(২০) গুৱাহাটী কামৰূপ লোৱাৰ পাচত জয়ন্তীয়া ৰজা যশমন্তৰায়লৈ চক্ৰধ্বজসিংহ স্বৰ্গদেৱে লিখিলে :

"তোমাৰ সীমনা লোৱা শুনি মঞি বহুত সন্তোষ হলো, ইখান বুলিব পোৱা। ইয়াতো তোমাৰ আমাৰ অভিন্ন প্ৰীতিগোট হৈছে, সেইকাৰণে তুমি সন্তোষ হোৱা উচিত।"

(২১) ৰাতিৰ ভিতৰত গড় সাজি উলিয়াব নোৱাৰাত লাচিত বৰফুকনে মোমায়েকক হেংদানেৰে কাটিলে, বোলে :

"দেশতকৈ মোমাই ডাঙ্গৰ নহয়।"

(২২) গড়ত উঠি অসংখ্য মোগল সৈন্য দেখি লাচিত বৰফুকনৰ চকুৰ লোতক ববলৈ ধৰিলে, বোলে :

"মঞি ফুকনৰ দিনত এনাই হ'ল! মোৰ ৰজা ৰক্ষা হব কেনেকৈ? ৰাজ্য ৰক্ষা হব কেনেকৈ? পাচলৈ বা ৰক্ষা হব কেনেকৈ?" এই বুলি স্থিৰ

কৰি সুস্থ হৈ পালী ফুৰি সোমালতি। পাছে যুদ্ধ কৰিবলৈ সকলকো আজ্ঞা কৰিলে।"

(২৩) গুৱাহাটীৰ গড় দেখি ৰামসিংহ আতঙ্কিত হোৱা বাৰ্তা শুনি আতন বুঢ়াগোহাঁই ডাঙৰীয়াই অসমীয়া সেনাপতি আৰু সৈন্যসকলক কলে :

"সকলেও শুনিবা, শত্ৰুৰ বল-উৎসাহ হ্রাস।"

(২৪) মোগল সৈন্যৰ বল-উৎসাহ হ্রাস হোৱা শুনি অসমীয়া সেনাপতি আৰু সৈন্যসকলে কলে :

"বৰফুকনে মাত্ৰ দৃঢ় কৰিব, আমি প্ৰাণ পৰিশ্ৰমে যুঁজিম।"

(২৫) সাম, দান, দণ্ড, ভেদ এই চাৰিবিধ যুদ্ধৰ পন্থা দেখুৱাই লাচিত বৰফুকনে ৰামসিংহলৈ জনাই পঠিয়ালে :

"এতেকে প্ৰস্তুত কাৰ্য বুজিলেহে জ্ঞাতা বুলি।"

(২৬) ৰামসিংহই বৰফুকনক জনালে :

"ভাই ফুকনে একঘড়ি লেঢ়াই দিয়ক।" ইয়াৰ উত্তৰত বৰফুকনে কৈ পঠিয়ালে, বোলে,—

"একঘড়ি লেঢ়াই দিবৰ যি কথা কৈছে শৰীৰ থাকেমানে যুদ্ধ কৰা যাব।"

(২৭) নিজৰ সৈন্য অসংখ্য বুলি বুজাবৰ কাৰণে ৰামসিংহই এটোপোলা পোস্তৰ গুটি বৰফুকনলৈ পঠিয়ালে।—ইয়াৰ উত্তৰত বৰফুকনে বালি এচুঙা দি বোলে :

"এইখান পটা দিছোঁ, পোস্তৰ গুটি ইয়াতে বাতিলে পানী হব। লগতে বালি এচুঙা দিছোঁ, আমাৰ সৈন্যৰ এনয় লক্ষণ।"

(২৮) অসমৰ সেনাপতি বুঢ়াগোহাঁই-ফুকনক ৰামসিংহই চাবলৈ মন কৰাত ফুকনে কৈ পঠিয়ালে, বোলে :

"দেখাম, দেখাম। সেইদৰে মানুহ কুৰি হেজাৰ মান দিম, পটাত বাতে হেন বাতিম।"

(২৯) ৰামসিংহই চক্ৰধ্বজসিংহ স্বৰ্গদেৱৰ সৈতে দ্বন্দ্ব যুদ্ধ [কৰিবলৈ বিচাৰিলে। ইয়াৰ উত্তৰত স্বৰ্গদেৱে কলে :

ৰামসিংহ হৈছে মোগলৰ নকৰ, মূৰত ছত্ৰ নাই, এনে শুদা মানুহৰ সৈতে আমাৰ যুদ্ধ নচলে।"

(৩০) আলাবৈৰ যুদ্ধত একেদিনাৰ ভিতৰতে দহ হাজাৰ অসমীয়া সৈন্য যুদ্ধত পৰা দেখি লাচিত বৰফুকনে দুখ কৰি কলে :

"আমাৰ মানত একোটা মানুহ একোটা হাতী। ডাঙৰ কাৰ্য-কামত ইমান মানুহ নপৰিল, অল্প কাৰ্যত দহহাজাৰ লোক পৰিল।"

(৩১) আলাবৈৰ ৰণত অনেক সৈন্য হানি হোৱাত লাচিত বৰফুকনে দুখ কৰা দেখি আতন বুঢ়াগোহাঁই ডাঙৰীয়াই কলে :

"ফুকন, শেষলৈ আমাৰে যুদ্ধ জয় হব, এই আশা এৰিব নালাগে। বাৰীৰ ভিতৰত পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে। এইটো ৰণহে হৈছে। এই জানি দুই-চাৰিলোক কিয় নপৰিব?"

(৩২) আলাবৈৰ ৰণত অসমীয়া সৈন্যক পৰাস্ত কৰি ৰামসিংহ হৰ্ষযুক্ত হ'ল। লাচিত বৰফুকনে ৰামসিংহলৈ জনাই পঠিয়ালে :

"দাঁতিয়াল ৰজা অনেক আহিছে, তিনিলাখ প্ৰজা সমন্বিতে পাহাৰী ৰজাসকলো আহিছে, স্বৰ্গদেৱতো প্ৰাৰ্থি আহিছে, স্বৰ্গদেৱৰ ঠাইৰ লোক, ফুকনৰ আজ্ঞালৈকো বাট নেচায়, কোনো ঠাইত ছলে পালে ঘাইলো কৰে তাকো নেজানি।"

(৩৩) ৰামসিংহ ৰজাই বাৰম্বাৰ গুৱাহাটী খোজাত লাচিত বৰফুকনে কোপতীয়া মাধবচৰণৰ মুখে কৈ পঠিয়ালে, বোলে,—

"আমি স্বৰ্গদেৱৰ আজ্ঞাকাৰী। তাঞ্জিৰ আমাৰ নিবন্ধ কতকাল ৰহিব? নিবন্ধ-কবুল প্ৰীতিগোট কৰিলে উত্তৰোত্তৰ বৃদ্ধি পাবলৈ হব, তেবেসে কৰণো উত্তম, লোকেও প্ৰশংসে।"

(৩৪) মাধবচৰণ কটকীয়ে লাচিত বৰফুকনৰ হৈ আৰু কলে :

"সুচাৰু সুবুদ্ধিমন্তৰ নিমিত্তে ৰামসিংহ ৰজাক আমাৰ দেশৰ যুদ্ধৰ সন্মুখে পঠাইছে। ই দেশত পৰাংমুখ হৈ গলে তাঞ্জি বিশেষকাৰ্যত কিৰূপে প্ৰশংসা পাব?"

(৩৫) পুনৰ গুৱাহাটী খুজি ৰামসিংহই পতিতৰায় কটকীক বৰফুকনৰ তালৈ পঠিয়ালে। বৰফুকনে কলে :

"উদয়গিৰিৰ স্বৰ্গমহাৰাজ, অস্তগিৰিৰ পাদশ্যাহ, দুইজনে প্ৰীতি হলে তবে জাগ্যা ছাৰি দিব পাৰো। তোমাৰ বঙলা দেশকো ছাৰি দিব। চন্দ্ৰ-দিবাকৰ থাকেমানে প্ৰীতি ৰহে। সেৱকৰ নিবন্ধ, স্বামীজনে কিয় ৰাখিব?"

(৩৬) কিবা অজ্ঞাত কাৰণত অসমীয়া সেনাপতিসকলে গুৱাহাটী এৰি দিব খোজাত আতন বুঢ়াগোহাঁই ডাঙৰীয়াই অসন্মত হৈ কলে :

"তোমালোকে যি বুলিছা ইও এক কথা। কিন্তু এতিয়া গুৱাহাটী এৰি দিব লাগিলে আগেনো এৰি নিদি কি নিমিত্তে যুদ্ধ কৰি আহিলা-পাতি হানি কৰিলোঁ? ৰামসিংহে শপত কৰি সীমনা খুজিছে। ৰামসিংহৰ নিবন্ধ ছাঁইৰ আলি। আমি দিলেও ৰামসিংহৰ শপত পাদশ্যাহে ৰাখিবনেকি? ৰামসিংহক গুচাই আন নবাবক যেতিয়া বহাব তেতিয়া সেয়ে ৰাখিবনেকি? যদি শপত নাৰাখে পাচে কোনখান কৰা যাব? আৰু গড়ে সহিতে গুৱাহাটী এৰি দি আমি বা কত থাকিম? যদি গুৱাহাটীৰ গড় এৰি দিয়া যাব, তেবে আমি গড়গাঁৱকো এৰি নামৰূপলৈকে যাব লগাহে হ'ল। এতেকে আমি গুৱাহাটী এৰি দিব নোৱাৰো।"

(৩৭) লাচিত বৰফুকনৰ টান নৰিয়া হোৱা শুনি অসমীয়া সৈন্যই যুদ্ধলৈ মন এৰিব খোজাত বৰফুকনে কলে:

"কবি, চিলাৰ পৰ্বতত চাৰিকড়াৰ মাটি কিনিছোঁ, মই নেযাওঁ, লৰাৰ কাল আছে, যদি যায় ৰাজ্যতকৈ পাচতহে যাব।"

(৩৮) অসমীয়া সৈন্যই যুদ্ধলৈ মন এৰি ভাগিব খোজাত নৰা হাজৰীকাই অশ্বক্রান্তত স্বৰ্গদেৱৰ শৰণ দি কলে:

"ৰাজ্য ঐ, সুনীয়া কাঁহিত বিহ ঢাল হতে ভাগ।"

(৩৯) দৈবজ্ঞ অচ্যুতানন্দ দলৈয়ে খেনহিলৈ মাৰিবলৈ নিষেধ কৰাত লাচিত বৰফুকনে কলে:—

"বঙাল দেখো আমাৰাজুৰি পাৰ হ'ল। গণক, তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউলকানি মাৰিলি।"

(৪০) ৰাজ্য ভাগিবৰ দেখি চহিয়ালে নাও উজাই মেলিব খোজাত বৰফুকনে কলে:

"মোক স্বৰ্গদেৱে বঙালক যুদ্ধৰ নিমিত্তে এই থলখানৰ সকলো লোক মোৰ হাতত দি থৈছে। নুয়ুঁজি লৰা-তিৰোতাৰ লগলৈ যামনেকি?"

(৪১) লাচিত বৰফুকনে মানুহ ভাগিবৰ দেখি নাৱৰপৰা কলে:

"বঙালে মোক ধৰি নিয়ক, ৰাজ্য সুখে যা!"

(৪২) ৰণ এৰি নাও ভৰা দি উজাবলৈ মন কৰা অপৰাধত আতন বুঢ়াগোহাঁই ডাঙৰীয়াই কৈছিল:

"মোৰ এনে দুৰ্যশ আনে। লোকে বুলিব গোহাঁয়ে ভৰা দিবলৈ বোলাতহে দিছে।"

(৪৩) ৰণত হাৰি ৰামসিংহ ভটিয়াই যাওঁতে বঙালক ধৰি তাৰ আহিলা-পাতি আনিবলৈ প্ৰস্তাৱ কৰাত লাচিত বৰফুকনে কলে ঃ

"এক বৎসৰ যুদ্ধে নোৱাৰি লাজ হুই ভটিয়াই যায় ! এই হেন স্বৰ্গদেৱৰো পাত্ৰ-মন্ত্ৰীৰো যশস্যা এৰি বস্তু আনিলে কি হব ?"

(৪৪) যুদ্ধৰ পাচত মোগল সৈন্য ৰঙামাটিলৈ ভটিয়াই যাওঁতে ফুকনবোৰে ভাগিযোৱা বঙালৰ আহিলা-পাতি ৰাখিবৰ মন কৰাত লাচিত বৰফুকনে কলে ঃ

"অনেকদিন যুঁজি বলে নোৱাৰি ৰামসিংহ ভটিয়াই গ'ল, ই যশস্যা নাটিল ! দুখপোৱা মানুহ হাজাৰচাৰেকে পেলাই যোৱা খড়া দা, খড়া বাৰু এইৰেহে মহাৰাজাক গিৰি কৰিম খেদি গৈ ধৰিলেও আমাৰ হাজাৰ চাৰেক মানুহ হানি হোৱাৰ ভয় আছে।"

# দ্বিতীয় পৰিশিষ্ট

## ঐতিহাসিক গ্ৰন্থৰপৰা টোকা

(১) ছাৰ যদুনাথ চৰকাৰ, 'আওৰঙ্গজেৱৰ বুৰঞ্জী', ইংৰাজী, তৃতীয় খণ্ড :

"১৬৬৭ চনৰ ডিচেম্বৰ মাহত, পাদশ্যাহে গুৱাহাটী হেৰোৱাৰ বাৰ্তা শুনি মীৰ্জাৰজা জয়সিংহৰ পুতেক ৰামসিংহক অসমত লুপ্ত হোৱা পাদশ্যাহী মৰ্যাদা পুনৰ উদ্ধাৰৰ কাৰণে পঠালে। বাটত আহোঁতে পাটনাৰপৰা ৰজাই শিখৰ গুৰু টেগবাহাদুৰক লগত ললে। ১৬৬৮ চনৰ ফেব্ৰুৱাৰী মাহত ৰামসিংহ ৰঙ্গামাটি পালেহি কিন্তু, প্ৰথমৰেপৰা ৰামসিংহৰ অভিযান আশাশূন্য হৈ পৰিছিল। অসমত চাকৰি কৰাটো অতি অপ্ৰিয়জনক আছিল, আৰু বাধ্য নকৰিলে কোনো সৈনিকে অসমলৈ যাবলৈ আগনেবাঢ়িছিল। আগ্ৰাত বন্দী অবস্থাৰপৰা শিবাজী পলাই যোৱাত ৰামসিংহই গোপনে সহায় কৰাৰ অপৰাধৰ শাস্তিস্বৰূপে তেওঁক অসমলৈ পঠোৱা হৈছিল বুলি ভাবিবলৈ যথেষ্ট কাৰণ আছিল। গুৱাহাটীৰ ফৌজাদাৰ ৰছিদ-খাঁৰ অবাধ্যতা আৰু বিৰোধিতাৰ পৰা ৰামসিংহৰ শান্তিৰ প্ৰস্তাব সকলো ব্যৰ্থ হ'ল। আহোম সকলে পুনৰ আক্ৰমণ কৰিবলৈ ধৰিলে। নতুন সৈন্য আহি পৰাত ৰামসিংহৰ যুদ্ধলৈ অনিচ্ছা কিছু পৰিমাণে লাঘব হ'ল। ছেগা-চোৰোকাকৈ অনেকদিন যুদ্ধ চলিবলৈ ধৰিলে। ১৬৭১ চনৰ মাৰ্চ মাহত বিফল-মনোৰথ হৈ আৰু যুদ্ধ কৰি আমনি লগাত ৰামসিংহ ভটিয়াই ৰঙামাটিলৈ গ'ল। অসমৰ সীমান্তত কেবাবছৰো থাকিল, কিন্তু পুনৰ আক্ৰমণৰ কাৰণে তেওঁৰ বল-শক্তি নোহোৱাৰ নিচিনা হ'ল। অৱশেষত, ১৬৭৬ চনত তেওঁ ৰঙামাটি এৰি যাবলৈ অনুমতি পালে, আৰু সেই বছৰৰ জুন মাহত গৈ বাদশ্যাহৰ চ'ৰা পালেগৈ।" পিঠি ২১২-২১৬।

(২) ছাৰ এডোৱাৰ্ড গেইট, 'অসমৰ ইতিহাস' ইংৰাজী :

"মুছলমানৰ সৈতে কথা-বাৰ্তা চলিবলৈ ধৰিলে। পূৰ্ব্বৰ সীমনা থাকিব লাগে বুলি ৰামসিংহই প্ৰস্তাব কৰিলে, লাচিত বৰফুকনো সেই প্ৰস্তাৱত সন্মত হ'ল। কিন্তু, স্বৰ্গদেৱৰ সমৰ্থনলৈ বাটচাই থাকোঁতেই ৰামসিংহই সৈন্য লৈ সাতামাৰিৰ পোনে খেদি গ'ল আৰু এফৌজ সৈন্য দৰঙ্গলৈ পঠিয়ালে। ইতিমধ্যে নতুন সৈন্য আহি ৰামসিংহৰ লগ ধৰিছিলহি আৰু তেওঁ বৰফুকনৰ

কথাত হঠাৎ সজ্ঞাত নগৈছিল। মাটিৰ যুদ্ধত আহোমে জয়লাভ কৰিছিল, কিন্তু তেওঁলোকৰ নাও-সৈন্য বৰহিম্লালৈ উভতি আহিছিল, আৰু তেওঁলোকৰ সৈন্যই ৰণথলি এৰিবলৈ বাধ্য হৈছিল। আৰু কিছু নাও-নাৱৰী লৈ বৰফুকনে অহাত আহোমে পুনৰ আক্ৰমণ চলাবলৈ ধৰিলে। এইবাৰ মোগলৰ নৌ-বাহিনী পৰাজিত হল, আৰু দ্বিতীয়বাৰৰ মাটিৰ যুদ্ধত আহোমে জয়লাভ কৰিলে। ১৬৭১ চনৰ মাৰ্চ মাহত অনেক সৈন্যৰ হানিৰ কাৰণে দুৰ্ব্বল হৈ পৰাত ৰামসিংহ পোনতে মানাহা নৈলৈ ভটিয়াই গ'ল, তাৰপিচত ৰঙামাটিত থানা কৰি থাকিলগৈ। বঙাল ভটিয়াই যোৱা শুনি উদয়াদিত্যসিংহ স্বৰ্গদেৱে বৰ আনন্দ পালে আৰু বৰফুকনক অনেক বঁটা-বাহন দিলে।" ১ম তাঙৰণ, পিঠি ১৪৯—১৫০।

(৩) ৰজা ৰামসিংহৰ অসম যুদ্ধৰ বিষয়ে বিবৰণী টোকা : *

"খৃষ্টীয় ১৬৬৮ চনত অসমৰ জমিন্দাৰক আক্ৰমণ কৰিবৰ অভিপ্ৰায়ে মহাৰজা ৰামসিংহক পঠোৱা হৈছিল। গুৱাহাটী আদি সামৰিক কেন্দ্ৰবোৰ উদ্ধাৰ কৰি চৈয়দ পিৰোজ-খাঁ আৰু চৈয়দ চালাৰ-খাঁৰ পৰা নিজৰ হাতলৈ আনি সেইবোৰ ৰক্ষা কৰিবৰ কাৰণে ৰামসিংহক আদেশ দিলে। সম্ৰাটে ৰামসিংহক কলে যে আহিলা-পাতিৰ যোগান দিবলৈ তেওঁ উমদাতুল-মুলকক আদেশ দিছে। বাৰিষাৰ অন্তত গুৱাহাটীৰ দুৰ্গ অধিকাৰ কৰিবলৈ মহাৰাজাক আদেশ কৰিলে, আৰু অধিক সৈন্য পঠিয়াম বুলি প্ৰতিশ্ৰুতি দিলে।

"১৬৬৯ চনৰ মাৰ্চ মাহত সম্ৰাটে নিজৰ জন্মোপলক্ষে ৰামসিংহক গুৱাহাটী আক্ৰমণৰ পুৰস্কাৰ স্বৰূপে পাঁচহাজাৰী মনচবৰ মৰ্য্যাদা দিলে। আৰু তেওঁক গুৱাহাটীৰ দুৰ্গ অধিকাৰ কৰিবলৈ বা দেশ লুটিবলৈ নিৰ্দ্দেশ দিলে।

"পাচলৈ, ১৬৬৯ চনৰ আগষ্ট মাহত সম্ৰাটে ৰামসিংহক আদেশ দিলে যে তেওঁ আচৰ-খাঁৰ সৈতে উমৰাওচিং হাডাক ওভোতাই পঠিয়াই উমদাতুল-মুলকে দিয়া সৈন্যৰ সৈতে ৰঙামাটিত থাকিব লাগে, কাৰণ সোনকালে গুৱাহাটীৰ দুৰ্গ জয় কৰাটো টান, আৰু এই কামৰ কাৰণে সৈন্যৰ সংখ্যাও তাকৰ। সম্ৰাটে আৰু কলে যে বাৰিষা শেষ হলে মহাৰজাই উমদাতুল-মুলকৰ উপদেশ মতে কাম কৰিব।

* এই টোকা জয়পুৰৰ মহাফেজখানা-শাখাৰ অধ্যক্ষ শ্ৰীএম-পামনাথাৰ পৰা ১৯৭১ চনৰ আগষ্ট মাহত পোৱা হৈছিল।

"১৬৭৬ চনৰ ফেব্রুৱাৰী মাহত সম্রাটে মহাৰজা ৰামসিংহক আজ্ঞা কৰিলে বোলে, বাৰিষা হোৱাৰ পূৰ্ব্বেই উমদাতুল-মুলকে নিযুক্ত কৰা বিষয়াক ভাৰ দি মহাৰজাই ৰঙামাটিৰ থানা এৰি আহিব। এই ভাৰ পোনতে আবু-নছৰ খাঁ আৰু তাৰপাচত ইবন-ই-হুচেন-খাঁক সমৰ্পন কৰা হয়।"

(৪) লেফটেনেণ্ট-কৰ্ণেল জেম্‌চ টড প্ৰণীত 'ৰাজস্থানৰ কাহিনী আৰু ইতিবৃত্ত', ইংৰাজী, দ্বিতীয় খণ্ড, অম্বেৰৰ কথা ঃ

"মীৰ্জাৰজা খিতাপেৰে জয়সিংহ অধিক জনাজাত। তেওঁ ৰজা মানসিংহৰ পৰবৰ্ত্তী দুজনা ৰজাই কলুষিত কৰা কচ্ছোৱা নামৰ গৌৰব পুনৰ প্ৰতিষ্ঠা কৰে। আওৰঙ্গজেৱৰ দিনত জয়সিংহই মোগল সাম্ৰাজ্যৰ কাৰণে অনেক সুখ্যাতিপূৰ্ণ কাম কৰে, সম্রাটে ভাল পাই তেওঁক ছয় হাজাৰী মনচবৰ মৰ্যাদা দিয়ে। তেওঁ সুপ্ৰসিদ্ধ শিবাজীক বন্দী কৰি সম্রাটৰ চ'ৰালৈ আনে, আৰু যেতিয়া দেখিলে তেওঁ কৰা নিৰাপদৰ অঙ্গীকাৰ ভাঙ্গো-ভাঙ্গো হৈছে তেতিয়া তেওঁ শিবাজীক মুক্তি লাভৰ কাৰণে সহায় কৰিলে। কিন্তু ভাতৃ-সংগ্ৰামৰ কালত চুলতান দাৰাৰ প্ৰতি কৰা বিশ্বাসঘাতকতাই এই মহানুভবতাৰ গ্লানি আনিলে। ইয়াৰ দ্বাৰা দাৰাৰ আশা-ভৰসা সম্পূৰ্ণভাৱে চূৰ্ণ হ'ল। এইবোৰ কাৰ্যৰ পৰিণামৰ পৰা ৰজা জয়সিংহৰ অপৰিমিত উগ্ৰস্বভাৱৰ সৃষ্টি হ'ল, আৰু স্বেচ্ছাচাৰী সম্রাট আওৰঙ্গজেৱে জয়সিংহক ধ্বংস কৰিবলৈ সঙ্কল্প কৰিলে।

"অম্বেৰৰ ইতিহাস মতে জয়সিংহৰ বাইশ হাজাৰ অশ্বাৰোহী সৈন্য আছিল আৰু তেওঁৰ তলত বাইশজন খ্যাতনামা তলতীয়া ৰজাই সেনাপতিৰ কাম কৰিছিল। জয়সিংহই এইবোৰ সৈন্য আৰু সেনাপতি সমন্বিতে দৰবাৰত বহি হাতত দুটা পিয়লা লৈ কৈছিল, 'এটা পিয়লাৰ নাম দিল্লী আৰু আনটোৰ নাম সাতাৰা।' তাৰে এটা মাটিলৈ দলিয়াই দি জয়সিংহই কৈছিল,—'এয়া সাতাৰা ধ্বংস হ'ল, দিল্লী মোৰ হাতত আছে, তাকো মই দলিয়াই পেলাব পাৰোঁ।'

"এনে ধৰণৰ গৰ্ব্ববচন সম্রাটৰ কাণত পৰাত, পুতেকৰ হতুৱাই বাপেকক হত্যা কৰোৱাৰ পৈশাচিক উপায়েৰে মাৰোৱাৰৰ যেনেকৈ ধ্বংস সাধন কৰিছিল জয়সিংহৰ বেলিকাও সেই একে উপায়কে সম্রাটে অনুসৰণ কৰিলে। জয়সিংহৰ বৰপুতেক ৰামসিংহক ৰজা নেপাতি ভায়েক কিৰাতসিংহক অম্বেৰৰ গাদীত বহুৱাবলৈ অঙ্গীকাৰ কৰিলে যদি কিৰাতসিংহই বাপেকক মাৰিবলৈ কথা দিয়ে। কিৰাতসিংহই কানিৰ লগত বিহ মিহলাই বাপেকৰ হত্যাকাণ্ড

সম্পাদন কৰি অম্বেৰৰ ৰজাৰ পদ দাবী কৰিলে। কিন্তু সম্রাটে কিৰাতসিংহক কামাহ নামে জিলাখনৰ শাসনভাৰ দিলে। পূৰ্ব্বোক্ত ইতিহাস মতে, তেতিয়াৰেপৰা অম্বেৰৰ অৱনিত হবলৈ ধৰিলে।

"জয়সিংহৰ পাচত ৰামসিংহ অম্বেৰৰ অধিপতি হল। তেওঁক সম্রাটে চাৰি-হাজাৰী মনচব দিলে, আৰু অসমৰ বিৰুদ্ধে যুদ্ধলৈ পঠিয়ালে।" —পিঠি ৩২৭-৩২৮।

(৫) জে-ডি কানিংহাম, 'শিখৰ ইতিহাস', ইংৰাজী, ১৯১৮ চন:

"টেগবাহাদুৰক শিখসকলে নেতা বুলি মান্য কৰিছিল। ক্ষমতাকাঙ্খী আৰু শান্তিভঙ্গকাৰী অপৰাধত তেওঁক দিল্লীলৈ মাতি অনা হল। কিন্তু তেওঁ জয়পুৰৰ মহাৰজাক সহায়ৰূপে পালে। ৰজাই টেগবাহাদুৰৰ হৈ মাতিলে, আৰু কলে যে ৰাজক্ষমতা নিবিচাৰি এনে সাধুপুৰুষে তীৰ্থলৈ যোৱা উচিত। বঙ্গদেশলৈ যাওঁতে টেগবাহাদুৰকো লগত লৈ যাম বুলি ৰামসিংহই প্ৰতিশ্ৰুতি দিলে।

"ৰজাৰ লগত টেগবাহাদুৰ পূৰ্ব্বদেশলৈ গ'ল। তেওঁ কিছুদিন পাটনাত থাকি ৰামসিংহৰ অসম অভিযানৰ সৈন্যৰ লগত গ'ল। যোৱাৰ উদ্দেশ্য আছিল সৈন্যৰ জয়লাভ সাধন কৰা। তেওঁ ব্ৰহ্মপুত্ৰৰ পাৰত ধ্যান কৰিছিল। কামৰূপৰ ৰজাৰ হৃদয় জয় কৰি তেওঁক গুৰু টেগবাহাদুৰে নিজৰ পন্থলৈ আনিছিল বুলিও জনপ্ৰবাদ আছে।" পিঠি ৬৩-৬৪।

(৬) হেন্‌ৰী ব্লকমেন, 'কোচবেহাৰ আৰু অসম' প্ৰবন্ধ, ইংৰাজী, এচিয়াটিক ছোচাইটি অব্‌ বেঙ্গল পত্ৰিকা, ১৮৭২, ১ম ভাগ, ১ম সংখ্যা, পিঠি ৪৯-১০১ঃ

(ক) মীৰজুমলাই অসম এৰিবৰ সময়ত গুৱাহাটী চাৰি বছৰ ধৰি সীমা আছিল, ১৬৬৭ চনৰ শেহলৈকে। অসমীয়াৰ দ্বাৰা গুৱাহাটী পুনৰ উদ্ধাৰ ঘটনাটো 'আলম-গীৰ-নামা' গ্ৰন্থত বৰ্ণিত শেষ কাহিনী,—

"এই সময়ত, ১৬৬৭ চনৰ ডিচেম্বৰ মাহত বঙ্গৰপৰা সম্রাটে বাৰ্ত্তা পালে যে অসমীয়াই অনেক সৈন্য আৰু নাও-নাৱৰা লৈ বঙ্গৰ সীমান্তত থকা গুৱাহাটী আক্ৰমণ কৰিছে। চৈয়দ ফিৰোজ-খাঁ থানাদাৰে যথাসময়ত আহিলা-পাতি যোগাৰ নাপালে। থানাদাৰ আৰু তেওঁৰ সৈন্যই সাহসেৰে আত্মৰক্ষা কৰিছিল, কিন্তু অবশেষত ৰাজভক্তিৰ পন্থত নিজৰ জীৱন আহুতি দিলে। অসমীয়াক শাস্তি দিবৰ সংকল্পেৰে সম্রাটে ৰামসিংহক

পাদশ্যাহী সৈন্যৰ সেনাপতি পাতিলে, আৰু বঙ্গৰ সৈন্যবাহিনীৰ পৰা সৈন্য আনি পাদশ্যাহী ফৌজক পৰিপুষ্ট কৰাৰ ব্যৱস্থা হ'ল। ১৬৬৭ চনৰ ২৭ ডিচেম্বৰ তাৰিখে ৰামসিংহই পাদশ্যাহৰপৰা এটা খেলাট পালে, সোণোৱালী জিনৰ সৈতে এটা ঘোঁৰা, আৰু মুকুতাৰ বন কৰা কমৰবন্ধাৰে সৈতে এখন জামদাৰ। এইবোৰ উপহাৰ দি সম্ৰাটে ৰামসিংহক অসমৰ ৰণলৈ পঠালে। ৰামসিংহৰ লগত আছিল, নচিৰী-খাঁ, কিশোৰী সিংভৰ্ত্তীয়া, মিৰ্থাৰ ৰঘুনাথ সিং, বৈৰাম দেউ ছিছোদিয়া, অন্যান্য মনচবদাৰসকল, ১৫০০ আহাদি আৰু ৫০০ হিলৈমৰা মানুহ।"

(খ) 'মাছিৰী ই আলমগীৰি'ৰ পৰা ব্লকমেনৰ টোকা : ( বিব্‌লথেকা ইণ্ডিকা সংস্কৰণ, পিঠি ৯৭ )

"চাৰি হেজাৰ মনচবৰ অধিকাৰী ৰামসিংহ ৰজাক পাঁচ হেজাৰী মৰ্যাদালৈ উন্নীত কৰা হ'ল। তেওঁৰ পুতেক কৃষ্ণসিংহক মুকুতাৰ বন কৰা চৰপেচ উপহাৰ দিয়া হ'ল, ১৬৭০ চনৰ আৰম্ভণি।"

"১৬৭৬ চনৰ ২৪ জুন তাৰিখে ৰজা ৰামসিংহ অসমৰপৰা উভতি আহি সম্ৰাটৰ চ'ৰাত অভিবাদন জনালে।" —পিঠি ১৭৩।

"১৬৭৯ চনৰ পহিলা মাৰ্চৰ দিনা, চুলতান মহম্মদ আজমৰ কৰ্মচাৰী ছাহৰুখে, সম্ৰাটৰ সৈন্যই গুৱাহাটী দখল কৰাৰ বিবৰণী দাখিল কৰিলে। পত্ৰবাহকে এহেজাৰ টকা পুৰস্কাৰ পালে, আৰু চুলতান আজমলৈ পুৰস্কাৰ পঠোৱা হ'ল,—দুইলাখ টকা মূল্যৰ একুৰি এঘাৰটা মুকুতা থকা এধাৰি কণ্ঠহাৰ, আৰু পঁচিশ হাজাৰ টকা মূল্যৰ মুকুতাৰ বনকৰা এথোপা টুৰা বা মণি।"

(গ) ৯৮-৯৯ পিঠিত থকা ব্লকমেনৰ পাদটীকা, এচিয়াটিক ছোচাইটি অব্‌ বেঙ্গল পত্ৰিকা, ১৮৭২ :

"ৰামসিংহ অম্বেৰৰ প্ৰথমজনা জয়সিংহৰ পুত্ৰ আছিল। জয়সিংহৰ সহায়েৰে আওৰঙ্গজেৱে সিংহাসন লাভ কৰিছিল। শিবাজীৰ ৰণত ৰামসিংহই বাপেকৰ তলত চাকৰি কৰিছিল। শিবাজী ভোঁছলা আৰু পুতেক শম্বাজী দিল্লীৰ ৰাজচ'ৰালৈ আহোঁতে, তেওঁলোকৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ আৰু যাতে তেওঁলোকে পলাব নোৱাৰে তাৰ প্ৰতি সাৱধান হবলৈ সম্ৰাটে ৰামসিংহক আদেশ দিছিল। কিন্তু বাপেক-পুতেক দুয়ো পলাল। ৰামসিংহ সম্প্ৰতিকলৈ অখ্যাতিত পৰিল, আৰু তেওঁৰ মৰ্যাদা

হেৰুৱালে। অলপ পাচতে জয়সিংহ ৰজাৰ মৃত্যু ঘটে, ইয়াৰ কাৰণে কিৰাতসিংহৰ বিৰুদ্ধেও সন্দেহ কৰিব পাৰি। ইয়াৰ পাচত ৰামসিংহই পুনৰ সংস্থাপিত হৈ ৰজা উপাধি ওভোতাই পালে, তাৰ লগতে চাৰি-হাজাৰী মনচবো পালে। সেই একে বছৰতে গুৱাহাটীলৈ যাবলৈ ৰামসিংহক আদেশ দিয়া হ'ল। ১৯৭৫ চনৰ মাজভাগলৈকে ৰামসিংহই অসমতে থাকিল। শাস্তিস্বৰূপে যে ইমান দীঘলীয়াকৈ অসমত থাকিব লগীয়া হৈছিল এইটো দেখা-দেখি কথা।"

# তৃতীয় পৰিশিষ্ট

## পত্ৰাৱলী

লাচিত বৰফুকনৰ যুগত অসম আৰু মোগলৰ মাজত চলাচল হোৱা পত্ৰাৱলী সমসাময়িক অসম বুৰঞ্জীত লিপিবদ্ধ হৈ আছে। তাৰে কিছুমান শ্ৰীসূৰ্য্যকুমাৰ ভূঞা সম্পাদিত 'কামৰূপৰ বুৰঞ্জী' আৰু 'জয়ন্তীয়া বুৰঞ্জীৰ' অন্তৰ্ভুক্ত হৈছে। পূৰ্বে প্ৰকাশিত আৰু অপ্ৰকাশিত কিছুমান চিঠি, সম্পূৰ্ণ বা সংক্ষেপকৈ সৰ্বসাধাৰণে বুজিব পৰা যথাসম্ভৱ আধুনিক ভাষালৈ ৰূপান্তৰ কৰি তলত দিয়া হ'ল।

(১) মোগলৰ সেনাপতি নবাব আল্লায়াৰ-খাঁৰপৰা অসমৰ সেনাপতি মোমাই-তামূলী বৰবৰুৱালৈ। মাঘ, ১৫৬১ শক।

"ই ঠাইৰ কুশল, তোমাৰ কুশল-মঙ্গল সদায় কামনা কৰোঁ। তোমাৰ পত্ৰৰ সমাচাৰ জানিলোঁ। তোমাৰ-আমাৰ প্ৰীতি উত্তৰোত্তৰ বৃদ্ধি পাওঁক তাকে বাঞ্ছা কৰিলোঁ, এই বিষয়ে অন্তৰত একো সন্দেহ নকৰিবা। আমাৰ দুয়ো ৰাজ্যৰ সীমা হৈছে উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি। তুমি এই নিবন্ধৰ কথা উল্লেখ কৰি কৈছা যে উক্ত সীমনা কেতিয়াও ব্যতিৰেক নহ'ব, এইৰূপে কৰিলে আমাৰ প্ৰীতি বৃদ্ধি হ'ব, আৰু দুই দেশৰ গো-ব্ৰাহ্মণ সুখে ৰহিব। এই নিবন্ধ মানি চলিলে তোমাৰ যশস্যা আৰু গৌৰৱ স্থাপিত হ'ব, আৰু তোমাৰ দুয়োৰে নাম কোনো অকীৰ্তি নোহোৱাকৈ গোটেই পৃথিবীতে ব্যাপৃত হ'ব।

"তোমাৰ উকীল সনাতন আৰু কানু শৰ্মাৰ লগত ছেখ-মৈদা আৰু ঝাৰখাণ্ডৰ আকাদশক পঠালোঁ। তোমাৰ স্বৰ্গমহাৰজাৰ সমীপে তেওঁলোকক হাজিৰ কৰি পাঁচ-দহদিনৰ ভিতৰতে ওভোতাই পঠিয়াবা। ইয়াকে কৰিলে কোনো শঙ্কা বা সন্দেহ নাথাকিব।" ইয়াৰ পাচত সন্দেশৰ লেখা।

(২) মোমাই-তামূলী বৰবৰুৱাৰপৰা নবাব আল্লায়াৰ-খাঁলৈ। জেঠ, ১৫৬২ শক।

"তোমাৰ দুই উকীল ছেখমৈদা আৰু আকাদশ ই ঠাই পালেহি। এওঁলোকৰ মুখে তোমাৰ কুশল-মঙ্গল বাৰ্ত্তা পাই সন্তুষ্ট হ'লোঁ। তুমি জনাইছা যে উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি, এই সীমনা মানি

চলিলে দুয়ো ৰাজ্যৰে উপকাৰ হব, আৰু আমাৰ যশস্যা-গৌৰব বৃদ্ধি পাব আৰু কেতিয়াও হ্রাস নহব। তুমি যে এনেকৈ লিখিছা ই বৰ প্ৰশংসাৰ কথা। ভাল মানুহৰ মিত্ৰতা আৰু অঙ্গীকাৰ কেতিয়াও লৰচৰ হব নেপায়। সি যাতে উত্তৰোত্তৰ বৃদ্ধি পায় তাকে যত্ন কৰিবা।

"তোমাৰ কথামতে দহ-পাঁচদিনৰ পিচতে তোমাৰ উকীলক ওভোতাই পঠিয়ালোঁ। আমি তেওঁলোকক লগত নি স্বৰ্গমহাৰজাৰ আগত হাজিৰ কৰিলোঁ। স্বৰ্গমহাৰজাই তেওঁলোকক কি কলে তোমাৰ উকীলৰ মুখে শুনিবা।

"পূৰ্বাপৰে আমি গুৱাহাটীত থকা নবাবৰে সৈতে কথা-বাৰ্ত্তা চলাই-ছিলোঁ। এতিয়া গুৱাহাটীৰ কাৰ্য্যভাৰ তোমাৰ ওপৰত পৰিছে, আৰু এই ঠাইৰ কাৰ্য্যভাৰ আমাৰ হাতত পৰিছে। তুমি যি আৱশ্যক মনে কৰা সেই বিষয়ে আমালৈ লিখিবা। এইৰূপে আচৰিলে আমাৰ প্ৰীতি দীৰ্ঘকাল স্থায়ী নহব কিয়? বাকী জানিব লগীয়া কথা সনাতন আৰু কানুৰ মুখে শুনিবা।" ইয়াৰ পাচত সন্দেশৰ লেখা।

(৩) ঘিলাঝাৰীঘাটৰ সন্ধিৰ কাকত, তাৰিখ ১৫৮৪ শক, ৯ মাঘ।

"মীৰজুমলাই অসম মাৰোঁতে অসম আৰু মোগলৰ মাজত তিপামৰ ঘিলাঝাৰীঘাটত যি সন্ধি নিবন্ধ হয় তাৰ কাকত এই।

"শ্ৰীশ্ৰীদিল্লীশ্বৰ পাদশ্যাহৰ দস্তকত মোহৰ। শ্ৰীশ্ৰীৰাজা জয়ধ্বজসিংহ। সকলম, ৯ মাঘ হিজৰী সন ১০৭২, বঙ্গলা দেবশক ১৫৮৪ সাল। লিখিতং শ্ৰীশ্ৰীৰাজা জয়ধ্বজসিংহ ও শ্ৰীবৰগোহাঁই ও শ্ৰীবুঢ়াগোহাঁই, ও শ্ৰীবৰপাত্ৰ গোহাঁই, ও শ্ৰীৰাজমন্ত্ৰী, আসাম ৰাজ্যৰ।

"আগে আমি চুলতান চুজাৰ আমোলত বল কৰি গুৱাহাটী থানা লুটিলোঁ। পাদশ্যাহী ৰায়ত উঠাই আনি আপোনাৰ মলুকত বহুৱালোঁ। এই নিমিত্তে শ্ৰীযুত নবাব খানখানা মাজুম-খাঁই পাদশ্যাহী লস্কৰ লৈ আমাৰ মলুক মাৰিলে। আমি পলাই আহি নামৰূপৰ পাহাৰত উঠিলোঁ।

"তেতিয়া আমাৰ জীউ আৰু মলুক ৰাখিবৰ কাৰণে দিলেৰ-খাঁক জামিন দি বিশহাজাৰ তোলা সোণ, একলাখ বিশহাজাৰ টকা, আৰু নব্বৈ হাতী লগত দি আমাৰ কন্যা আৰু তিপাম ৰজাৰ কন্যাক পাদশ্যাহী মহলৈ দিবলৈ কবুল কৰিলোঁ।

"আৰু উত্তৰ কোলে ভৰড়ী নদী সীমা কৰি দৰ, পৰগণা দক্ষিণ

কোলে সীমা কৰি ডুমৰীয়া ও কাজলী ও বেলতলী, এই চাৰি পৰগণা মোৰ কন্যাৰ লগত যৌতুক দিলোঁ।"

"বাকী আশীহেজাৰ তোলা ৰূপা আদায় কৰি নিদিওমানে বৰগোহাঁই ও বুঢ়াগোঁহাই ও বৰপাত্ৰ ও ৰাজমন্ত্ৰী এই চাৰি পাত্ৰৰ চাৰি প্ৰতেক গুৱাহাটীত ওল হৈ থাকিব।

"আৰু মোৰ ভাল মানুহ উকীল এজন কিছুমান পাইক সৈতে গুৱাহাটীত ফৌজাদাৰৰ লগত সদায় হাজিৰ হৈ থাকিব।"

"আৰু প্ৰতি বছৰে একুৰি হাতী পাদশ্যাহৰ লালবন্দী কবুল কৰিলোঁ। ইয়াক প্ৰতিবছৰে বিনাওজৰে গুৱাহাটী থানাত পহুছাই দিম।"

"এই প্ৰতিজ্ঞা কৰি আমি আপোনাৰ দস্তখত আৰু মোহৰ কৰি তমছুক লিখি দিলোঁ।"

মকাম তিপামৰ ঘিলাঝাৰীঘাট, তাৰিখ চন ॥
দস্তখত মোহৰ—শ্ৰীবড়গোহাঁই।
দস্তকত মোহৰ—শ্ৰীবুঢ়াগোহাঁই।
দস্তকত মোহৰ—শ্ৰীবড়পাত্ৰ গোহাঁই।"
দস্তকত মোহৰ—শ্ৰীৰাজমন্ত্ৰী।

(৪) বঙ্গৰ চুবেদাৰ নবাব ছায়িষ্টা-খাঁই অসমৰ মহামন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়ালৈ দিয়া পত্ৰ। ১৫৮৫ শক।

"তোমাৰ দুই উকীল সনাতন আৰু চন্দ্ৰকন্দলীক পত্ৰ দি ওমৰাওৰ তালৈ পঠালোঁ। তেওঁ পাদশ্যাহৰ ঠাইত হাজিৰ কৰিলে। পাদশ্যাহেও তোমাৰ স্নেহ আৰু মমতা দেখি সন্তোষ পালে, সেই কথা দুই উকীলৰ মুখে শুনিবা। এইবাৰ আমাৰ অতি বিশ্বাসী পণ্ডিতৰায় উকীলক পঠিয়াইছোঁ, তেওঁক শীঘ্ৰে ওভোতাই পঠিয়াবা। তোমাৰ সৌভাগ্য যে এনে এজন ব্ৰাহ্মণ আৰু পণ্ডিত তোমাৰ তালৈ গৈছে। তেঁওক সকলো প্ৰকাৰ সন্তোষ দিবা। তাৰপৰা তুমি ধৰ্ম্ম-কৰ্ম দুয়োকে অৰ্জন কৰিব পাৰিবা।

"বাকী থকা পেচ্‌কচ্‌ শীঘ্ৰে পঠিয়াবা, এই কামত যেন আৰু বিলম্ব নহয়। তোমাৰ মিত্ৰতাৰ কাৰণে মোৰ হিয়াই আকাঙ্ক্ষা কৰিছে, কিন্তু তোমাৰ তেনেভাৱ নেদেখোঁ। ইয়ালৈ অহা মোৰ এবছৰ ছমাহ হ'ল। মোৰ কুশল মঙ্গল বাৰ্ত্তা বিচাৰি তুমি পত্ৰ দিয়া নাই কিয়? তাৰ কাৰণ জানিব নোৱাৰিলোঁ। মই সদায় তোমাৰ মঙ্গল কামনা কৰোঁ, তোমাৰ ভালৰ

নিমিত্তে মই কওঁ যে পাদশ্যাহক সন্মান-সৎকাৰ কৰিলে তোমাৰ বহুত উপকাৰ হব। পাদশ্যাহ কেনে মানুহ তুমি জানা। তুমি এনেমতে আচৰিবা যাতে তোমাৰ প্ৰজা আৰু গো-ব্ৰাহ্মণ সুখেৰে থাকে। আৰু কথা মাধবচৰণ আৰু পূৰ্ণানন্দৰ মুখে শুনিবা।" সংক্ষিপ্ত।

টোকা—ওপৰত দিয়া চিঠিখনৰ ১৫৮৫ শক তাৰিখ ২৯ মাত্ৰ দিয়া আছে, মাহৰ উল্লেখ নাই। আমাৰ মনেৰে চৈত্ৰ মাহ হব লাগে, তেতিয়া হলে ইংৰাজীমতে ১২ এপ্ৰিল ১৬৬৪ চন হব। ১৫৮৫ শকৰ ৪ পুহৰ দিনা উকীলে অসম এৰে। চিঠিত কোৱা ওমৰাও জনা পাদশ্যাহৰ চৰাৰ এজন ডাঙৰ বিষয়া হোৱা সম্ভৱ, তেওঁৰ যোগেদি সম্ৰাটৰ সৈতে সাক্ষাত হব পাৰি। অসমীয়া কটকীৰ দিল্লী যাত্ৰাৰ বৰ্ণনা-সূত্ৰে পাদশ্যাহৰ চৰাৰ আড়ম্বৰৰ বৰ্ণনা কৰা হৈছে। সম্ৰাটে কটকী দুজনক কৈছিল,—"কোষে সীমাতকৈ যদি অধিক ৰাজ্য লোৱা হৈছে তাক ওভোতাই দিম। আৰু যিবোৰ অসমীয়া প্ৰজাক আমাৰ মানুহে ধৰি লৈ আহিছে তাকো ওভোতাই দিয়া যাব।"

(৫) জয়ন্তীয়া ৰজা যশমন্তৰায়ৰপৰা জয়ধ্বজসিংহ স্বৰ্গদেৱলৈ। তাৰিখ ১০ জেঠ, ১৫৮৫ শক।

"তোমাৰ দেশ বঙালে মাৰিলে বুলি শুনিছোঁ। কিন্তু আমাক সেই বিষয়ে নজনোৱা কাৰণে মনত দুখ লাগিছে। গড়গাওঁ আৰু জয়ন্তীয়া দুই নহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে মনত এনে দুখ লাগিছে। যি হব লগীয়া আছিল সি হ'ল। এতিয়াৰপৰা আমাৰ পৰস্পৰ মিত্ৰতা দৃঢ় কৰিব লাগিব। বঙালে তোমাৰ দেশ মাত্ৰ মাৰিলে আৰু তাক নিজৰ তলতীয়া কৰি ৰাখিব নোৱাৰিলে। সেই দেশ, সেই লোকসকল বৰ্ত্তমানে আছে, আৰু তুমিও কুশলে আছা। আমি প্ৰীতি হৈ এনে কাম কৰিব লাগিব যাতে মোগলৰ ওপৰত প্ৰতিশোধ লব পাৰোঁ। তেনেহলেহে আমাৰ সন্তোষ হব, আৰু মনৰ দুখ আঁতৰিব।" সংক্ষিপ্ত।

(৬) জয়ন্তীয়া ৰজাৰ কৰতলীয়া মানিকসিংহ নৰ্তঙ্গীয়া ৰজাই স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ দিয়া পত্ৰ। তাৰিখ ১০ জেঠ, ১৫৮৫ শক—

"আমাৰ দুই মানুহ বঙালৰ হাতত পৰাৰ কথা তুমি লিখিছা। দুজন কিয়? তোমাৰ নিমিত্তে যদি দশ-বিশ হাজাৰ লোক পৰিলহেঁতেন তথাপিও আমাৰ মনত অসন্তোষ নাছিল। আমাৰ লোক তোমাৰ কাৰ্য্যত যে নাহিল তাৰ কাৰণেও দুখ লাগিছে। তোমাতকৈ আমাৰ অধিক মিত্ৰ কোনো নাই,

আৰু তোমাৰ চিত্ততো এনে ভাৱ আছে বুলি আমি জানো। দুয়োৰে অন্তৰ শুদ্ধ হলে দূৰো ওচৰ হয়, 'যো যস্য মিত্রং নহি তস্য দূৰম।' গড়গাওঁ আৰু জয়ন্তীয়া দুই নহয়। তোমাৰ দেশ বঙালে মাৰিলে আমি কুশলে আছিলোঁ, ইয়াতেহে দুখ লাগিছে। হুকুম নকৰিলোঁ, আমাৰ দশ-বিশ হাজাৰ লোক তোমাৰ কামলৈ পঠাব নোৱাৰিলো, এই কাৰণেহে মনত দুখ লাগিছে। বঙালৰ প্ৰাণশক্তি যি আছিল তাকে কৰিলে। আমাক যেনে কৰিলে তেনে প্রতিফল পালেহে ভাল। আমাৰ মানুহ সুখেৰে বহি আছিল আৰু তুমি ইমান বিপদত পৰিছিলা ইয়াতকৈ লাজৰ কথা আন একো হব নোৱাৰে। যিদিনা শক্ৰৰ নির্য্যাতন কৰিব পাৰোঁ সেইদিনাহে আমাৰ লাজৰ অন্ত পৰিব।" সংক্ষিপ্ত।

(৭) কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণৰপৰা স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ। তাৰিখ আহাৰ ৫, ১৫৮৫ শক।

"তুমি যি পত্ৰ লিখিলা ইয়াতে তুমি মোক কিনি আপোনাৰ বশ কৰিলা। তুমি কৃষ্ণদেউ, মই তোমাৰ সেৱক অৰ্জুন, আৰু তুমি যি কৰা মই তাকে কৰিম। আমাৰ প্ৰীতি আজিৰ নহয়। তোমাৰ পূৰ্বীয় স্বৰ্গদেৱসকলৰ সৈতে আমাৰ প্ৰপিতামহে শপত খাই প্ৰীতি স্থাপন কৰি গৈছে।

"মোৰ ৰাজ্যচ্যুত হৈছে, তোমাৰো ৰাজ্যচ্যুত হৈছিল। যেহেতু আমাৰ ভিতৰত কোনো অসূয়াভাৱ নাছিল সেইদেখি আমি পুনৰ ৰাজ্য লাভ কৰিলো। তুমি কিছুদিনৰ কাৰণে ৰাজ্য হেৰুৱাৰ লগাত একো দুখ নকৰিবা। ৰামচন্দ্ৰ, সুৰথ আৰু যুধিষ্ঠিৰো এনে বিপদৰ হাত সাৰিব পৰা নাই। তেওঁলোকে পৰিশ্ৰম কৰি নিজৰ ৰাজ্য উদ্ধাৰ কৰিব পাৰিলে, সেইদেখি তেওঁলোকৰ একো অকীৰ্ত্তি নহল। আমাৰ ৰাজ্য পুনৰ উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰিলেহে আমাৰ অকীৰ্ত্তি হব। তুমি যিদৰে লিখিছা আমি তেনে কৰিলেহে দুয়োৰো প্ৰীতি স্থাপন হব।

"আমি শুনিছোঁ তুমি আপোনাৰ ক্ষমতা আৰু মৰ্যাদা স্থাপনৰ নিমিত্তে বহু ব্যয় কৰিছা, ময়ো তেনে কৰিম, তাৰপৰা তোমাৰো উপকাৰ হব, সময়ত প্ৰমাণ পাবা। মই যি জোখা কষ্ট পাব নালাগে মোৰ মানুহৰপৰা তেনে জোখা কষ্ট পালো। তুমিও তোমাৰ মানুহৰপৰা যি জোখা কষ্ট পাব নেলাগিছিল সেই জোখা কষ্ট পালা। এতিয়া গোটেইটো অৱস্থা বুজি পাইছোঁ, তুমিও বুজি পাইছা। অপৰাধীবোৰক দোষানুৰূপে মই দণ্ড

কৰিছো শাস্তি দিছোঁ, আৰু কাটিছোঁ, আৰু ভৱিষ্যতেও মই তেনে কৰিম। তুমিও তেনে কৰিবা, তেনেহ'লেহে ৰাজ্যত ৰজা হৈ থাকিব পাৰিবা। ৰজাৰ দণ্ড প্ৰধান। তুমি যি ঠাইত দুৰ্গ কৰিছা তাত মানুহ সহিতে তিনিবছৰৰ জোখাই আহিলা-পাতি যোগান দি থবা। সেই জোখা মতে অস্ত্ৰ-শস্ত্ৰ তুলিবা। যিসকলে তোমাৰ আত্মীয় বন্ধু বুলি কয় সিসকলক সৈন্য কৰি লবা। যিসকলে তোমাৰ মিত্ৰ বুলি কৈয়ো সৈন্য হব নোখোজে তাক শত্ৰু বুলি ভাবিবা, আৰু সেইমতে শাস্তি দিবা। তোমাৰ ওচৰে-পাঁজৰে থকা মানুহবোৰক খুৱাই-পিন্ধাই মিত্ৰ কৰিবা। এইমতে কাম কৰি থাকিবা, মই সেইমতে কাম কৰিছোঁ, আৰু আগলৈকো কৰিম। আমাৰ পৰস্পৰ প্ৰীতিৰ বীজ কেনেকৈ ৰোপণ কৰিব পাৰি সেইকথা তোমাৰ উকীলৰ মুখে জনাম। আশা কৰোঁ মই কোৱা কথা কামত লগাবা, যাতে আমাৰ দুয়োৰে প্ৰীতি পল্লবিত কুসুমিত আৰু ফলিত হব পাৰে।" সংক্ষিপ্ত। ইয়াৰ পিচত মীৰজুমলাৰ কোচবেহাৰ আক্ৰমণ, আৰু পুনৰ ৰাজ্য উদ্ধাৰৰ বৰ্ণনা।

(৮) কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণৰপৰা ৰজাশহুৰ ৰাজমন্ত্ৰী ফুকনলৈ। তাৰিখ ৫ আহাৰ, ১৫৮৫ শক।

"বাদুলি ফুকনে মোগলৰ লগলোৱাৰ পাচত তুমি গো-ব্ৰাহ্মণ আৰু দেশৰক্ষাৰ কাৰণে মোগলক পেচ্‌কচ্‌ দি ওভোতাই পঠিয়াব লাগে বুলি স্বৰ্গদেৱক যি পৰামৰ্শ দিলা সেইটো বৰ জ্ঞানী মানুহৰ কাম কৰিলা। তোমাৰ এই কাৰ্য্য নীতিশাস্ত্ৰ সম্মত। ইয়াত লিখা আছে যে পৰশত্ৰুৰ হাতত পৰাভৱ ঘটিলে ৰজাই সন্ধি কৰি হাতত সময় লবৰ কাৰণে আন একো উপায় নাই। তুমিও অবস্থা বুজি ভাল কাম কৰিলা। ৰজা আৰু দেশ অটুট হৈ থাকিলে নিজৰ বলাবল বুজি যথা ব্যবস্থা গ্ৰহণ কৰিব পৰা যাব।" সংক্ষিপ্ত।

টোকা :—বিজয়ী শত্ৰুৰ সৈতে সম্প্ৰতিকলৈ প্ৰীতি নিবন্ধ কৰি পাচলৈ প্ৰস্তুত হৈ শত্ৰুক আক্ৰমণ কৰিব লাগে, এই নীতিটো আহোমৰ ৰণ-কৌশলৰ পন্থা আছিল। মোৱামৰীয়া বিদ্ৰোহৰ প্ৰথম ছোৱাত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই এই নীতিৰ পুনৰুক্তি কৰিছিল। ইং ১৭৬৯ চনত মৰাণৰ জয় হোৱাত স্বৰ্গদেৱ লক্ষ্মীসিংহই ৰংপুৰ এৰি চিন্তামণিগড়ত আশ্ৰয় লৈছিল। তাত থাকোঁতে বৰবৰুৱাই কৈছিল,—"কোনোজন ৰজাই পৰদেশৰ ৰজাৰ হাতত পৰাস্ত হ'লে তেওঁ উপায় বুদ্ধিৰে নিবন্ধ কৰি আৰু তাক বিনা-ওজৰে সম্পাদন কৰি শত্ৰুক

দেশৰপৰা ওভোতাই পঠিয়াব লাগে, পাচত যেতিয়া ভাল সুবিধা আহে, পৰাজিত ৰজাজনে উপযুক্ত সৈন্যৰ সহায়েৰে শত্ৰুক মাৰি নিজৰ ৰাজক্ষমতা পুনৰ উদ্ধাৰ কৰিব লাগে।”

(৯) অসমৰ স্বৰ্গদেৱ জয়ধ্বজসিংহৰপৰা কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণলৈ। তাৰিখ ২৬ ভাদ, ১৫৮৫ শক।

“বিশ্বসিংহ ৰজাৰ দিনৰেপৰা আমাৰ প্ৰীতি-অনুবন্ধ চলি আহিছে আৰু এতিয়াও সেই প্ৰীতি বৰ্ত্তমান আছে, তুমি এই কথা সোঁৱৰাই দি ভাল কৰিলা। তুমি মোক দেশ উদ্ধাৰৰ কাৰণে চেষ্টা কৰিবলৈ উপদেশ দিছা। এইটো বৰ ভাল কথা। সূৰ্য্যক ৰাহুৱে এবাৰ গ্ৰাস কৰিলে, সেই সূৰ্য্য কি পুনৰ প্ৰকাশ নাপায়? আমাৰ শক্তি অনুসাৰে যত্ন কৰিছোঁ, আশাকৰো তুমিও তেনে কৰিছা। অগ্নি আৰু বায়ুৰ সংযোগ হলে অলপ সময়ৰ ভিতৰতে বৃক্ষ আৰু তৃণসকল দগ্ধ হয়। আমাৰ দুয়োৰে সহযোগ ঘটিলে শত্ৰুক পৰাভৱ আৰু ধ্বংস কৰিব পাৰিম। আমাৰ দুয়ো দেশৰে বাৰ্ত্তা পোৱাত যাতে কোনো ব্যাঘাত নহয় তালৈ দৃষ্টি ৰাখিবা।” সংক্ষিপ্ত।

(১০) কলিয়াবৰত থকা অসমৰ বৰফুকন লেচাই ঘোৰাকোঁৱৰৰপৰা মোগলৰ সেনাপতি দিলেৰ-খাঁলৈ। তাৰিখ ৮ ফাগুন, ১৮৮৫ শক।

“তুমি হাতী আৰু টকাৰ কথা কৈছা। উত্তৰত জনাওঁ যে কাতি মাহত গদাইৰ হাতে ৰাছিদ-খাঁলৈ একলাখ টকা পঠিয়াইছোঁ আৰু আহাদিৰ হাতে ৪৪০০০ টকা আৰু ৪৪ হাতী পঠিয়াইছোঁ, আৰু বাকী হাতী আৰু টকা গোটাবলৈ যত্ন কৰিছোঁ। গোটেইখিনি পঠিয়াব নোৱাৰিলেও যি পাৰোঁ তাকে পঠিয়াবলৈ চেষ্টা কৰিছোঁ। বিলম্ব ঘটিছে নিশ্চয়, কিন্তু ৰাজ্য উজাৰ হোৱা কাৰণেহে এনে হৈছে। সমুদায় পেচ্‌কচ্‌ দিব পাৰিলে আমাৰ হে বোজা পাতল হব। পূৰ্ব্ব সীমনাৰ বিষয়ে যি কৈছিলা সেইকথা নাপাহৰিবা, আৰু সেই সীমনা যাতে ৰক্ষা হয় সেইমতে কাৰ্য্য কৰিবা।” সংক্ষিপ্ত। ইয়াৰ পাচত সন্দেশৰ লেখা. তাৰ ভিতৰত আছিল একুৰিডোখৰ গান্ধ আৰু এৰেৰ সুৰগা।

(১১) স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰপৰা কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণলৈ। তাৰিখ ২ আষাঢ়, ১৫৮৬ শক।

“আমাৰ দুয়ো দেশৰে প্ৰীতি আজি নহয়, বহুদিন ধৰি চলি আহিছে। যাতে আমাৰ দুয়োৰে প্ৰীতি উত্তৰোত্তৰ বৃদ্ধি পায় তাৰ নিমিত্তে চেষ্টা

কৰিব লাগিব। তুমি লিখিছা 'তোমাৰ দেশ বঙালে দখল কৰিছে আৰু তোমাৰ হাবিত হাতী ধৰিছে, এইকথা শুনি আমি বৰ দুখ পাইছোঁ'। তুমি ভালকেহে কৈছা! আপ্তজনৰ হানি-দুৰ্গতিত দুখ নাপালে তেওঁক মিত্ৰ বুলি কব নোৱাৰি, হানি যিমানেই সামান্য নহওঁক। আমাৰ প্ৰতি মিত্ৰতা দেখুৱাই যি কৈছা তাক শুনি পৰম আনন্দ লভিলোঁ। আমি যিদৰে মোগলক বাৰম্বাৰ ঘটুৱাইছোঁ তাক তুমি ভালকৈ জানা। দৈৱৰ দুৰ্বিপাকত আমি যদি এবাৰ হাৰিলোঁ আমি কি পুনৰ তেনেকে ঘাটিম? মোগলৰ হাতত তোমাৰ হানি আৰু কষ্ট হোৱা শুনি আমিও সমানে দুখ পাইছোঁ। আমি একেযোত্ৰ হৈ শত্ৰুক যাতে পৰাভৱ কৰি নিজৰ কষ্ট গুচাব পাৰোঁ তাৰ কাৰণে আমি চেষ্টা কৰা উচিত। শত্ৰুয়ে যাতে কোনো ছিদ্ৰ নেপায় সেইমতে আয়োজন কৰিব লাগিব।"

(১২) কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণৰপৰা স্বৰ্গদেৱ চক্ৰধ্বজসিংহলৈ। তাৰিখ ৫ মাঘ, ১৫৮৬ শক।

"আমাৰ ৰাজ্য উদ্ধাৰ কৰি যি আনন্দ পাইছোঁ আশাকৰো তুমিও শুনি আনন্দ পাবা। যিজনে আনৰ দুখত দুখ পায় আৰু সুখত আনন্দ পায় তেওঁকহে মিত্ৰ বুলিব পাৰি। তুমি কৈছা যে দৈৱৰ দোষত এবাৰ ঘাটিলা বুলি আকৌ ঘাটিবা এনে নহয়। তুমি জ্ঞানী মানুহৰদৰে এই কথা কৈছা। তুমি নেজানানে যে দৈৱ অতি প্ৰধান? যি হল, দৈৱৰ নিবন্ধতহে ঘটিলে, দৈবকহে দূষিব লাগে, তাক কোনেও অতিক্ৰম কৰিব নোৱাৰে। দৈব সহায়ত থাকিলে দুৰ্ব্বলীয়েও সবলীক ঘটুৱাব পাৰে। আমি দুয়ো একেযোত্ৰ হলে শত্ৰুয়ে কোনো সুবিধা নাপাব। দৈৱৰ সহায়ত আমি প্ৰতিশোধৰ কাৰণে যথেষ্ট সুবিধা পাম।

"তুমি শুনি সুখী হবা যে মোগলৰ দখলৰপৰা আমি ফতেহপুৰ পৰগণা উদ্ধাৰ কৰিছোঁ। তোমাৰ হেৰোৱা পৰগণাবোৰ উদ্ধাৰ কৰাৰ বাৰ্ত্তা শুনিলে আমিও পৰম সন্তোষ পাম।" সংক্ষিপ্ত।

(১৩) অসমৰ স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰপৰা কোচবেহাৰৰ প্ৰাণনাৰায়ণ ৰজালৈ। তাৰিখ ২৪ মাঘ, ১৫৮৭ শক।

"তোমাৰ প্ৰীতি সৰ্ব্বদা বাঞ্ছা কৰোঁ। তুমি মুখজেবানে বাৰ্ত্তা পঠিয়াইছা যে শেৱা আৰু মোগলৰ যুদ্ধ আৰম্ভ হৈছে, যে শেৱাই মোগলক হুকুৱাই কুবিদিনৰ বাট হোঁহোঁকাই পঠিয়াইছে; দাউদ-খাঁ পৰিল, আৰু

দিলেৰ-খাঁ ঘাইল হ'ল, আৰু বাদশ্বাহ দিল্লীৰ পৰা আগ্ৰালৈ আহিছে। কাৰ জয় হব, কাৰ পৰাজয় হব, একো কব নোৱাৰি। তুমি আৰু কৈছা যে তুমি দুৰ্গ আৰু খাৱৈবোৰ ভাল কৰিছা, আৰু আমাৰো কোঠ-বুৰুজ আওতাৱলৈ আৰু ৰণুৱাক শিকাবলৈ কৈছা। আমাক এইদৰে উপদেশ আৰু উদ্গনি দি ভাল কাম কৰিছা। মোগলে আমাক এবাৰ পৰাভৱ কৰিলে বুলি মোগলৰ বশ্যতা দলিয়াই পেলাবলৈ আমি যত্ন নকৰিমনেকি? মোগলে আমাক এবাৰ হৰুৱাইছে, আমি মোগলক বাৰম্বাৰ হৰুৱাইছোঁ, এইকথা তুমি ভালকৈ জানা।

"আমি শুনিছোঁ যে তোমাৰ তালৈ পঠোৱা গোপালচৰণক বাটতে পানবাৰীৰ মানুহে ধৰি মাৰিলে, সেইদেখি মই সৰহকৈ মানুহ পঠিয়াবলৈ এৰিছোঁ।"

(১৭) অসমৰ স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰপৰা কোচবেহাৰৰ ৰজা প্ৰাণ-নাৰায়ণলৈ। তাৰিখ ২৮ শ্ৰাবণ, ১৫৮৯ শক।

"বিশেষ সমাচাৰ এই যে আমি আৰু আমাৰ মিত্ৰ ৰজা তুমি মোগলৰ হাতত যি অপমান পাইছোঁ তাৰ প্ৰতিশোধ লবলৈ আমি এতিয়ালৈকে সমৰ্থ হোৱা নাই। বৰ্ত্তমানে উপযুক্ত ক্ষণ আহিছে। গুৱাহাটীৰ কোঠত থকা মোগলক মই ইফালৰপৰা ধৰিম, আৰু তুমিও তোমাৰ সীমাত থকা মোগলক সিফালৰপৰা ধৰিবা।"

(১৫) জয়ন্তীয়া ৰজা যশমন্তৰায়ৰপৰা অসমৰ স্বৰ্গদেৱ চক্ৰধ্বজসিংহলৈ। তাৰিখ ৯ কাতি, ১৫৮৯ শক।

"গড়গাওঁ আৰু জয়ন্তা দুই নহয়। দুয়োৰে প্ৰীতি-অনুবন্ধ অবিচ্ছিন্নভাবে চলি আহিছে, সেইদেখি আমাৰ দুইৰাজ্য এক ৰাজ্য যেন হৈছে। তোমাৰ হাতী আৰু ঘোৰা আমাৰ শালত আছে, আৰু আমাৰ কন্যা তোমাৰ কাৰেঙত আছে। এতিয়াও তুমি আমাৰ কন্যা খুজি পঠিয়াইছা। আমি শুনিছোঁ যে তোমাৰ হেৰোৱা ৰাজ্য লবৰ কাৰণে মোগলক মাৰিবলৈ সৈন্য পঠিয়াইছা। এই বাৰ্ত্তা শুনি আমি পৰম আনন্দ পালোঁ। মোগল তোমাৰো শত্ৰু, আমাৰো শত্ৰু। আমাৰ এফৌজ সৈন্য ডিমৰুৱাৰ বাটে যাবলৈ বুলি তৈয়াৰ হৈ আছে, মাত্ৰ তোমাৰ নিৰ্দ্দেশ পাবলৈ বাটচাই আছোঁ। ঢাকাত থকা মোগলৰ বিষয়ে আমাৰ উকীলৰ মুখে আমি পঠোৱা বাৰ্ত্তা শুনিবা। মোগলৰ সৈতে সাৱধানে যুদ্ধ কৰিবা।" সংক্ষিপ্ত।

(১৬) অসমৰ স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰপৰা জয়ন্তীয়া ৰজা যশমন্তৰায়লৈ। তাৰিখ ৫ পুহ, ১৫৯০ শক।

"তুমি লিখিছা যে আমাৰ দুই ৰাজফৈদৰ ভিতৰত বিবাহ সম্বন্ধ স্থাপিত হৈছে, আৰু তুমি লিখামতে এই সম্বন্ধ আজিলৈকে চলি আহিছে। তোমাৰ জী নাথাকিলেহে তোমাৰ ভাগিনা দিয়া উচিত। তোমাৰ জীৰ প্ৰতি যেনে স্নেহ তোমাৰ ভাগিনাৰ প্ৰতি তেনে স্নেহ হব পাৰেনে? সেইদেখি তোমাৰ কন্যাকহে দিয়া উচিত। তুমি কৈছা,—"তোমাৰ সীমন্ত লোৱা শুনি আমি বৰ সন্তোষ পাইছোঁ।" তুমি এনেকৈ আনন্দ প্ৰকাশ কৰিবা বুলি ভাবিছোঁ। তুমি আৰু কৈছা,—"ডিমৰুৱাইদি লোকজন পঠিয়াবৰ নিমিত্তে আমি তৈয়াৰ হৈ আছোঁ, মাত্ৰ তোমাৰ বচনৰ কাৰণে অপেক্ষা কৰিছোঁ।"

"তুমি জানা যে পূৰ্ব্বাপৰে আমি কোনো নিৰ্দ্দিষ্ট বাটেদি সৈন্য অনা নাই। তোমাৰ কবুল ৰাখি শীঘ্ৰে বিশ-ত্ৰিশ হাজাৰলোক পঠিয়াই দিবা, আৰু আমাক সেই বাৰ্ত্তা জনাবা। আমি যেইপোনে কাৰ্য্য-কামলৈ ছল পাওঁ সেইপোনেদি তোমাৰ সৈন্য আনিম। সিহঁতে আহি আমাৰ গড়-প্ৰাকি তৈয়াৰ কৰাত সহায় কৰিব।"

টোকা:—জয়ন্তীয়াৰ ৰাজ্যবৃদ্ধি কৰাৰ কামত ডিমৰুৱা প্ৰতিবন্ধক আছিল। জয়ন্তীয়া সৈন্য ডিমৰুৱাইদি পঠিয়াব পাৰিলে ডিমৰুৱাৰ মৰ্যাদা হানি হব বুলি জয়ন্তীয়াই ভাবিছিল।

(১৭) মোগলৰ সেনাপতি ৰজা ৰামসিংহৰপৰা অসমৰ সেনাপতি লাচিত বৰফুকনলৈ। ১৫৯১ শক।

"আমাৰ দুই মানুহ চাজুৱা আৰু আবদুল্লাক তোমাৰ তালৈ পঠাইছোঁ। পূৰ্ব্বে নবাব আহ্লায়াৰ খাঁ আৰু তোমাৰ পিতৃৰ মাজত অধিকাধিক প্ৰীতি আছিল। এতিয়া সেই প্ৰীতি সংস্থাপিত কৰিলে তোমাৰ যশস্যা ৰহিব আৰু বৃদ্ধি পাব। আমাৰ প্ৰতিজ্ঞা সোণৰ আৰু ৰূপৰ স্তম্ভ বুলি পৰিগণিত হব, আৰু চন্দ্ৰ-দিবাকৰ থাকেমানে সেই স্তম্ভ প্ৰতিষ্ঠিত হৈ থাকিব। যদি তুমি প্ৰীতি ৰোপণ কৰিবলৈ বাঞ্ছা কৰা তেন্তে সোনকালে উত্তৰ দিবা। আৰু অধিক কি লিখিম, তুমি আপুনি সমস্ত জানা।" সন্দেশ,—বানাত এখান, কাচৰ বান চাৰিটা।

টোকা:—পত্ৰৰ শেষত ৰামসিংহই লিখিলে যে,—"যদি প্ৰীতি বাঞ্ছা কৰা তেনেহলে গুৱাহাটী এৰি দিবা আৰু ছৈয়দ ফিৰোজৰ পুত্ৰেক চৈয়দ

চালা মীৰবক্সিক এৰি দিবা।" সেই সময়তে ৰামসিংহই কাড়ৰ আগত পত্ৰ মাৰি বৰফুকনলৈ গুৱাহাটী খুজি পঠালে, বোলে,—"সুপ্ৰসিদ্ধ মহানুভৱ শ্ৰীযুত জয়সিংহৰ পুতেক মই ৰামসিংহ নিজে আহিছোঁ।"

(১৮) অসমৰ সেনাপতি লাচিত বৰফুকনৰপৰা শ্ৰীশ্ৰীযুত মীৰ্জাৰাজা-জয়সিংহাত্মজ ৰজা ৰামসিংহলৈ। ১৫৯১ শক।

"তোমাৰ মঙ্গল আৰু কুশল সদায় বাঞ্ছা কৰোঁ। চাজুৱা আৰু আবদুল্লাক পঠাই যি বাৰ্ত্তা দিছা তাৰপৰা মিত্ৰতা ৰহিব। মোৰ পিতৃ ববৰুৱাই আহ্লায়াৰ-খাঁৰ সহিতে প্ৰীতি নিবন্ধ কৰিছিল। তাৰ যশস্যা আজি পৰিমিতে প্ৰকাশ পাই আছে। তুমিও যদি তেনেখান কৰিব পাৰা তেনেহলে তোমাৰ আমাৰ যশস্যা চন্দ্ৰ-দিবাকৰমানে ৰহিব। আৰু যদি প্ৰীতিবাঞ্ছা কৰা তেন্তে পণ্ডিতৰায়ক পঠিয়াই দিবা। আৰু অধিক কি লিখিম। তুমি অম্বেৰৰ অধিপতি জয়সিংহৰ পুতেক আৰু ৰজা মান্ধতাৰ নাতিয়েক। এনেজনৰ লগত যি প্ৰীতি আৰু কবুল কৰা যায় সি চাৰু আৰু সুযোগ্য ব্যৱহাৰৰ দ্বাৰাহে সিদ্ধ হয়, অন্যমতে নহয়। আমাৰ ঠাইত অন্য সমাচাৰ শ্ৰীনাৰাণ আৰু ৰামচৰণে কহিব।" তাৰপাচত সন্দেশৰ লেখা।

(১৯) মোগল সেনাপতি ৰজা ৰামসিংহৰপৰা অসমীয়া সেনাপতি লাচিত বৰফুকনলৈ। শক ১৫৯০।

"তোমাৰ ঠাইলৈ পণ্ডিতৰায় আৰু কবিশেখৰক পঠাইছোঁ। এতিয়া আমাৰ প্ৰতি তোমাৰ প্ৰীতিৰ প্ৰমাণ সততে বাঞ্ছা কৰিলোঁ। তেহে গো-ব্ৰাহ্মণ ৰক্ষা পৰিব। আমি যি নিবন্ধ কৰোঁ তাক সদায় মানি চলা হব, তাক কদাচিতো অন্যথা নহব। বাকী সমাচাৰ পণ্ডিতৰায়ৰ মুখে শুনিবা।"

(২০) অসমৰ সেনাপতি লাচিত বৰফুকনৰপৰা মোগলৰ সেনাপতি ৰামসিংহ ৰজালৈ। শক ১৫৯১।

"পণ্ডিতৰায় আৰু কবিশেখৰক ওভোতাই পঠিয়ালোঁ। তুমি প্ৰীতিৰ কথা কৈছা, কিন্তু পূৰ্ব্বে কি ঘটিছিল তাক তুমি স্মৰণ কৰা নাই আমি দুয়ো নিজ-নিজ সীমনাত থাকিবলৈ বাঞ্ছা কৰোঁ, আৰু সেই সীমনা ৰক্ষা হব বুলি তোমাৰ প্ৰতিজ্ঞা বিচাৰোঁ। অধিক কি লিখিম, তুমি সকলো জানা। বাকী সমাচাৰ কৌপতীয়া মাধবচৰণ আৰু ৰামানন্দ আৰু তোমাৰ দুয়ো মানুহ পণ্ডিতৰায় আৰু কবিশেখৰৰ মুখে শুনিবা।"

টোকা:—ওপৰৰ চিঠিখন পাই ৰামসিংহই অসমৰ কটকী কৌপতীয়া

মাধবচৰণক কলে,—"মাধবচৰণ কৌপতীয়া, বাৰম্বাৰ উকীল গতাগত কৰে, কিন্তু প্ৰীতিৰ একো প্ৰমাণ নেপাওঁ। মুখতে শান্তিৰ কথা কোৱা, কিন্তু তাৰ লগে-লগে যুদ্ধৰ আয়োজন নেৰা।"

(২১) মোগলৰ দুৱলীয়া সেনাপতি ৰছিদ-খাঁৰপৰা অসমৰ সেনাপতি লাচিত বৰফুকনলৈ ১৫৯২ শক।

"মই পূৰ্ব্বাপৰে খানখানা নবাব আৰু দিলেৰ-খাঁৰ লগত অসমলৈ আহিছিলোঁ। আৰু এতিয়া, পাদশ্যাহৰ হুকুমমতে ৰামসিংহৰ সহিত আহিছোঁ। বৰনবাব ফুকনে গোসাঁইজী [ লাচিত বৰফুকন ] মোৰ সৈতে পূৰ্ব্বৰেপৰা মিত্ৰ। সেই মিত্ৰতা পুনৰ প্ৰৱৰ্ত্তিলে দুয়োপক্ষৰে মঙ্গল।"

টোকা ঃ—নবাব মীৰজুমলাই ৰছিদ-খাঁক গুৱাহাটীৰ ফৌজাদাৰ নিযুক্ত কৰিছিল, তাৰপাচত ফিৰোজ-খাঁ ফৌজাদাৰ হয়। দুৱলীয়া সেনাপতিৰূপে ৰছিদ-খাঁ ৰামসিংহৰ লগত অসমলৈ আহিছিল। এখন পুৰণি অসম বুৰঞ্জীত কৈছে যে ওপৰৰ চিঠিখন ৰছিদ-খাঁই ৰামসিংহৰ অনুমতি নোলোৱাকৈ বৰফুকনলৈ পঠিয়াইছিল। ইয়াৰ নিমিত্তে ৰামসিংহই ৰছিদ-খাঁক বিকৰ্থনা কৰে। এই চিঠি চুঙাত বান্ধি কাঁড়মাৰি অসমৰ বাহৰলৈ পঠোৱা হৈছিল। তাত থকা পৰীয়াই নি লাচিত বৰফুকনক দিলে। এই অপৰাধৰ শাস্তি স্বৰূপে ৰামসিংহই লগৰ ৰাজপুতৰ হতুৱাই ৰছিদ-খাঁৰ টামিঘৰৰ জৰি কাটি দিলে। অযথাভাৱে নহবৎ বজোৱা কাৰণেও ৰামসিংহই ৰছিদ-খাঁক দায় ধৰিছিল। এই দুই কথাতে দুখ পাই ৰছিদ-খাঁ ভটিয়াই গ'ল বোলে,—"মই যদি ৰামসিংহক ধৰো তেওঁৰ লগত থকা পাঠান আৰু ৰাজপুত সৈন্যই মোক হকুৱাব পাদশ্যায়ো খং কৰিব।"

# চতুৰ্থ পৰিশিষ্ট

## 'ৰামসিংহৰ যুদ্ধৰ কথা' নামৰ বুৰঞ্জী

শিবসাগৰ চহৰৰ সমীপবৰ্তী চেৰেকাপাৰ গাওঁ নিবাসী শ্ৰীযুত নগেন্দ্ৰনাথ গগৈৰপৰা ১৯৩৪ চনত অসমৰ পুৰাতত্ত্ব বিভাগে 'ৰামসিংহৰ যুদ্ধৰ কথা' নামৰ এখন পুৰণি অসমীয়া সাঁচিপতীয়া পুথি পায়। এই বুৰঞ্জীত ৰামসিংহৰ লগত হোৱা সংঘৰ্ষ আৰু বুৰঞ্জী লিখকে নিজে দেখা ঘটনাৰ বিবৰণ আছে। ইয়াত নক্ষত্ৰ আদিৰ লক্ষণ আৰু চূড়ামণি আৰু সৰোবৰ নামে দুজনা দৈবজ্ঞৰ বচন আৰু কাৰ্য-কামৰ বিশেষ উল্লেখ আছে। এওঁলোক দুজনে যুঁজাৰু হিচাবে নহলেও দৈবজ্ঞ হিচাবে যুদ্ধৰ পৰিচালনাত অংশ গ্ৰহণ কৰিছিল।

১৫৯০ শকৰ চ'তৰ ১১ তাৰিখৰ দিনা মানাহানদীৰ ওচৰৰপৰা অসমৰ সৈন্য গুচি অহা দিন ধৰি সকলো কথা এই বুৰঞ্জীত বৰ্ণোৱা হৈছে। ১৫৯২ শকত ৫ আহিনৰ দিনা আলাবৈৰ যুদ্ধ প্ৰথম হোৱাৰ ঘটনাৱলীতে এই বুৰঞ্জীৰ হঠাতে সামৰণি পৰিছে। বুৰঞ্জীখনৰ ভাষা হৈছে প্ৰাচীন আৰু দুৰুহ অসমীয়া গদ্য, আৰু ইয়াৰ পাঠো বিকৃত হৈছে, মাজে মাজে কথা পাবলৈ নাই, হেবোৱা কথাখিনি পুনৰ উদ্ধাৰ কৰা টান। চূড়ামণি দৈবজ্ঞই নিজৰ গণনা সমৰ্থন কৰি কোৱা মূল সংস্কৃতৰ শ্লোকবোৰ বুৰঞ্জীত উদ্ধৃত কৰা হৈছে। সৰ্বসাধাৰণ পাঠকে ঘটনাৰ ধাৰাবাহিকতা অনুসৰণ কৰিবলৈ আৰু কিছুমান ঘটনাৰ তাৎপৰ্য উলিয়াবলৈ টান পাব। বৰ্তমান 'লাচিত বৰফুকন' গ্ৰন্থ সঙ্কলন কামত এইখন বুৰঞ্জীৰপৰা বহুল পৰিমাণে সহায় লোৱা হৈছে। অৱশ্যে যিবোৰ কথাক নিশ্চিন্তভাৱে ঠাৱৰ কৰিব পাৰি তাকেহে ইয়াত সন্নিবিষ্ট কৰা হৈছে।

পুথিখনত সৰ্বমুঠ ২৮টা পাত আছে। পিঠিৰ সংখ্যা দুই পৰ্যায়ৰ,—প্ৰথম পাতৰপৰা সপ্তম পাতলৈকে প্ৰথম পৰ্যায়, আৰু ৩নং পাতৰপৰা ২৩নং পাতলৈকে দ্বিতীয় পৰ্যায়। সেইদৰে ৩নং পাতৰপৰা ২নং পাতলৈকে আমাৰ দুটা পাতহে আছে, অৱশ্যে অন্তৰ্ভুক্ত পাত সম্পূৰ্ণভাৱে একে নহয়। প্ৰথম সাত পাতৰ পাঠ অনুমান প্ৰথমে সঙ্কলিত হৈছিল ; আৰু দ্বিতীয় পৰ্যায়ৰ ৩নং পাতৰপৰা ২৩নং পাতলৈকে থকা কথাখিনি প্ৰথম

পৰ্য্যায়ৰ ১নং পাতৰপৰা ৭নং পাতলৈকে মিলে, অৱশ্যে মাজে-মাজে পাঠৰ লৰচৰ আছে। এই দুই পাঠক আমি প্ৰথম পাঠ আৰু দ্বিতীয় পাঠ বুলি আখ্যা দিলোঁ।

বুৰঞ্জীৰ বৰ্ণনা পদ্ধতি আৰু ভাৱধাৰাৰ পৰিচয় দিবৰ নিমিত্তে তলত কিছুমান বচন তুলি দিয়া হ'ল। সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জীত শৰাইঘাটৰ দৈবজ্ঞ অচ্যুতানন্দ দলৈয়ে বিশেষ স্থান অধিকাৰ কৰিছে। এই সমুদ্ৰ চূড়ামণি নামটো অচ্যুতানন্দ দলৈৰ খিতাপ আছিল বুলি ভাবিবলৈ সমৰ্থন পোৱা যায়।

(১) বৰফুকনে সমুদ্ৰ চূড়ামণি দৈবজ্ঞক কলে,—"গণনা কৰি চাই মোক কোৱা কোনে হাৰিব আৰু কোনে জিকিব, কোনদিনা ৰণ হব, আৰু কোনদিনা শত্ৰুৰ পৰাজয় হব।" ২নং পাত, প্ৰথম পাঠ।

(২) ইয়াকে শুনি সমুদ্ৰ চূড়ামণি দলৈয়ে কলে :—

"বহাগৰ ৮ দিন যাওঁতে যুদ্ধ আৰম্ভ হ্ব, আৰু ১১ দিন যাওঁতে খাতাংকৈ ৰণ হব। এই যুদ্ধৰ ফল আমালৈ ভাল হব। কিন্তু, আমাৰ এজন সেনাপতিৰ মৃত্যু ঘটিব।" ২নং পাত, প্ৰথম পাঠ।

(৩) পাত্ৰমন্ত্ৰীয়ে বৰমেল পাতিলে, স্বৰ্গদেৱে তেওঁলোকক ৰণলৈ যাবলৈ কলে। ফুকনবোৰে স্বৰ্গদেৱক কলে :

"আমাকে অন্য গণক নালাগে, চূড়ামণি আৰু সৰোবৰ এওঁলোক দুজনকহে লাগে।" স্বৰ্গদেৱে কলে,—"বাৰু, গণক যাওঁক, উভতি আহিলে তেওঁলোকক মই হাতী উপহাৰ দিম।" ৩নং পাত, প্ৰথম পাঠ।

(৪) অনেক বঙাল অহাৰ কথা মানুহে কলে। এদিনা বৰফুকনে কোঠৰ ওপৰত উঠি বঙালক দেখিলে, আৰু আনকো উঠি চাবলৈ কলে। ইয়াকে দেখি বৰফুকনৰ চকুৰেদি লোতক ববলৈ ধৰিলে। তেওঁ মনতে গুনিলে :

"মই ফুকনৰ দিনত এনে দশা হ'ল। মোৰ ৰজা ৰক্ষা হব কেনেকৈ? মোৰ ৰাজ্য ৰক্ষা হব কেনেকৈ? পাচলৈ বা ৰক্ষা হব কেনেকৈ? এই বুলি ভাবি ফুকন অস্থিৰ হ'ল। বহুকষ্টে ফুকন আকৌ সুস্থিৰ হ'ল। তাৰ-পাচতে পালী চাই ফুৰি অলপতে উভতি আহিল। ইয়াৰ অলপ পাচতে ফুকনে আজ্ঞা দিলে, বোলে,—বঙালক মাৰিব লাগে।" ৭নং পাত, প্ৰথম পাঠ; ৬নং পাত, দ্বিতীয় পাঠ।

(৫) স্বৰ্গদেৱে কলে :

"গণক, পুথি চাই গণি মোক ৰামসিংহ আৰু লাচিত বৰফুকনে কি কৰিব, সকলো দলৈয়ে ইয়াকে গণি চাওঁক।" দলৈয়ে শাস্ত্ৰ চাই কলে,—"ৰামসিংহ আহিছে মূষবৰ্গে আৰু লাচিত বৰফুকনে গৈছে বিড়াল বৰ্গে।" ৩নং পাত দ্বিতীয় পাঠ।

(৬) পাত্ৰ-মন্ত্ৰীয়ে গণকবোৰক সুধিলে, বোলে,—

"বঙাল কোনদিনা আহিল, কোনদিনা ৰণ হব, কোনে হাৰিব, আৰু কোনে জিকিব?" ইয়াকে শুনি চূড়ামণি সৰোবৰ দুয়ো গণকে গণনা কৰি কলে,—"বহাগৰ আঠদিন যাওঁতে বঙাল আহি নামিব আৰু ১১ দিন যাওঁতে যুদ্ধ হব। যুদ্ধত আমাৰ এজন সেনাপতি পৰিব। ১৫৯০ শকৰ ১৫ চৈত্ৰৰ দিনা শনিবাৰে স্বৰ্গমহাৰজাৰ সৈন্য গুৱাহাটীত থিত হব।" ৩নং পাত, দ্বিতীয় পাঠ।

(৭) "সেইদিনাখনে ৰাতিয়েই ফুকনে এটা সপোন দেখিলে। ৰাতিপুৱা বাহবৰীয়া, চূড়মণি, সৰোবৰ আৰু মছাইক আনি ফুকনে সপোনৰ কথা কলে।" ৬নং পাত, দ্বিতীয় পাঠ।

(৮) সৰুজনা ফুকন লাচিতে ক'লে ঃ

"সকলোৱে সাৱধানে শুনিবা। যি মানুহে পানী এৰিব তাক থিতাতে মই এই হেংদানেৰে কাটিম। আলি, গড়, বুৰুজ কাক কাক দিয়া হৈছে কটকী পঠিয়াই স্বৰ্গদেৱক জনাব লাগে।" ১২নং পাত।

(৯) গোহাঁই আৰু ফুকনবোৰে তেনেতে মাত লগালে ঃ—

"লাউফুল ফুলিলে দেখিবলৈ ভাল, কিন্তু সৰিলে একেলগে থিতাতে সৰে। দেখিলেহে লেখিম।" ১১নং পাত।

(১০) "আৰু এখন পানীৰ যুদ্ধত আমি দুই গণকে বৰ ভয় পালোঁ। এখন যুদ্ধৰ নাৱঁৰ চহিয়ালক আমাক নৈ পাৰ কৰিবলৈ কৈছিলোঁ। উত্তৰপাৰলৈ যাওঁতে নৈৰ মাজতে বঙালে আমাক আহি ধৰিলে। চাৰিখন নাৱঁেৰে বঙালে খেদি আহিল, আৰু দুইদণ্ড বেলি যুদ্ধ হ'ল। মোৰ কেউফালে গুলী লাগি মানুহ পৰিবলৈ ধৰিলে। এটা গুলী মানুহ এটাৰ কপালত লাগিল, তাৰে তেজ সৰোবৰৰ গাত পৰিল। সৰোবৰে চিঞৰি উঠিল, বোলে, চূড়ামণি, মই মৰিলো। তাৰপাচত সৰোবৰ অজ্ঞান হৈ নাৱত বাগৰি পৰিল। মই মৰা সৈন্যৰ গাৰপৰা কুৰিখন বাৰু আনি তাৰে আঁৰ কৰি তাৰ ভিতৰত লুকাই থাকিলোঁ। তেতিয়া মই চণ্ডী গোসাঁনীৰ

নাম লবলৈ ধৰিলোঁ। ১৯ খন বাৰুত গুলী লাগিল মাথোন এখনতহে নালাগিল।" ১৪নং পাত।

(১১) এই ঘটনাৰ কথা শুনি বৰফুকনে আমাক খং কৰিলে, আৰু সুধিলে, কোনে আমাক যুদ্ধৰ নাৱত উঠিবলৈ দিছিল, বোলে,—"গণক মৰিলে আমাৰ সহায় নোহোৱা হব, সিহঁতৰ গণিতাই হৈছে আমাৰ প্ৰধান বল।" চূড়ামণিয়ে কলে,—"মহাভাৰতৰ যুদ্ধত নামান ঠাইত মানুহ মৰিছিল, কোন ক'ত মৰিছিল তাৰ ইয়ত্তা নাছিল।" ১৪নং পাত।

(১২) ভকতদাস আৰু ধূলি এই দুই কটকীয়ে আহোমৰ বাহৰৰপৰা মোগলৰ বাহৰলৈ অহাযোৱা কৰি আছিল। ৰামসিংহই কটকীক সুধিলে :

"মই হেন ক্ষত্ৰিয়ই যুদ্ধৰ কামত একো কৰিব পৰা নাই কিয়? আহোমৰ ৰণ-কৌশল কেনে? তেওঁলোকৰ চৰ্দ্দাৰ বা কোন কোন?" ইয়াৰ উত্তৰত ভকতদাহে কলে :

"মহাৰাজ শুনা ৰূপস্বৰ্গ [ ৰুক্কা আতন ] নামে এজন বুঢ়াগোঁহাই আছে আৰু লাচিত নামে বৰফুকন আছে।.........এই নবাবসকলৰ লগত চূড়ামণি নামে এজন দৈবজ্ঞ আছে। তেওঁ শাস্ত্ৰ চাই গণিতা কৰি সৈন্য ৰণলৈ পঠিয়ালে সেই সৈন্যই পৰাজয় কাক বোলে নাজানে। এইহেন অপৰাজেয় বীৰসকলৰ সন্মুখত তোমাৰ জয়লাভৰ সপোন সকলো মিছা।" ১৬-১৭ নং পাত।

(১৩) ভকতদাহে বোলে,—

"চূড়ামণি তোমাৰ যশস্যা শুনি ৰামসিংহই প্ৰমাণ পাবৰ কাৰণে তোমাক তেওঁৰ ওচৰলৈ লৈ যাবৰ নিমিত্তে মোক কৈছে। আৰু দহ-হাজাৰ টকা উপহাৰ দিব বুলিও কৈছে।" কটকীৰ কথা শুনি মই মনতে গুনিলোঁ,

"যদি যাওঁ মই বঙালৰ সৈন্য হানি কৰাৰ বাবে মোক সিহঁতে ধৰি লৈ যাব। শত্ৰুৰ তালৈ যোৱাৰ কাৰণে ফুকনে মোৰ দায় ধৰিব, স্বৰ্গদেৱৰ শুচৰতো দোষী হব।" ফুকনক এই কথা কলত ফুকনে অতি খং কৰি কলে, বোলে,—

"বঙালে যদি বন্দী কৰে তেতিয়া তুমি কি কৰিবা?" তাৰ পাচত ভকতদাহে পলুৱাই ৰামসিংহৰ ওচৰলৈ লৈ যাব খুজিছিল।

(১৪) "চোৰৰ বৃত্তান্ত শুনিলোঁ। এই কথা ইমানতে শেষ হ'ল। ইয়াৰ পাচত, ১৫৯১ শকৰ ভাদ মাহত চক্ৰধ্বজসিংহ ৰজা শতক হ'ল, অৰ্থাৎ স্বৰ্গী হ'ল।" ১৮ নং পাত।

(১৫) ৰামসিংহৰ পত্ৰ পাই অসমৰ পাত্ৰ-মন্ত্ৰীয়ে যুদ্ধ জয়ৰ বিষয়ে আশঙ্কা কৰিবলৈ ধৰিলে, আৰু তেওঁলোকে এই বুলি গোপনে আলোচনা কৰিলে,

"কোঠৰপৰা ওলাই আমি যদি ভৈয়ামত যুদ্ধ কৰো তেন্তে আমি নিশ্চয় ঘাটিম। সিহঁতৰ এটা সৈন্যই আমাৰ এশটা মানুহক যুদ্ধত হৰুৱাব পাৰে। বঙালৰ সম্মুখীন কোনে হব পাৰিব ? পানীৰ যুদ্ধতহে আমাৰ বলশক্তি, মাটিৰ যুদ্ধত আমি পাকৈত নহওঁ।" পাত্ৰ-মন্ত্ৰীয়ে মনে মনে বৰ আশঙ্কা কৰিলে, কিন্তু কাৰো আগত তাক প্ৰকাশ কৰা নাছিল। ১৮নং পাত।

(১৬) এনেতে চাৰিঙ্গীয়া ফুকনে মাত লগালে,—

"মই ইয়াৰ উত্তৰ দিম। ইতিমধ্যে সৰোবৰ আৰু চূড়ামণিয়ে কি কব লগা আছে কওঁক।" চূড়ামণিয়ে মেলত কলে :

"যুদ্ধ হলে মুনিহ, ক্ষত্ৰিয় আৰু বনুৱাৰ কি সঙ্কট উপস্থিত হয় তাৰ বিষয়ে এতিয়া কম।" ইয়াৰ পাচত সংস্কৃত শ্লোক। ১৮-১৯ পাত।

(১৭) ফুকনে দৈবজ্ঞৰ গণিতৰ প্ৰমাণ পালে, আৰু কতো একো অমিল নাপালে। ফুকনে প্ৰশংসা কৰি বোলে,—

"ধন্য চূড়ামণি, তেওঁ সকলো যুদ্ধ-শাস্ত্ৰ নিজৰ কৰগত কৰিলে।" ২১নং পাত।

'ৰামসিংহৰ যুদ্ধৰ কথা' নামৰ বুৰঞ্জীৰপৰা তলত লিখা কথাখিনি অনুমান কৰিব পাৰি।

(১) অন্য জ্যোতিষীক বাদ দি পাত্ৰ-মন্ত্ৰীয়ে চূড়ামণি আৰু সৰোবৰ দৈবজ্ঞক বাছি পঠোৱাৰ কাৰণ হৈছে তেওঁলোক জ্যোতিষ গণনাত সবাতকৈ শ্ৰেষ্ঠ আছিল। কেপ্তেইন টমাচ ওৱেল্‌চ্‌ চাহাবে ১৭৯৪ চনত কৈছিল :

"তিনিজনা গোঁহাই আৰু দুজনা মন্ত্ৰীৰে এই পাত্ৰ-মন্ত্ৰী গঠিত। তিনিজনা গোঁহাই বা পাত্ৰ আছিল বৰপাত্ৰ গোহাঁই, বৰগোঁহাই আৰু বুঢ়াগোহাঁই। তেওঁলোক স্থায়ী পৰামৰ্শদাতা আছিল, আৰু তেওঁলোকে পুত্ৰ-পৌত্ৰাদি ক্ৰমে এই বিষয় ভোগ কৰিছিল। তেওঁলোকৰ মৰ্যাদা স্বৰ্গদেৱৰ অলপ তলতে। সকলো বিষয়তে তেওঁলোকৰ পৰামৰ্শ আৰু প্ৰধান কাৰ্য-কামত তেওঁলোকৰ সমৰ্থন আৱশ্যক আছিল। তেওঁলোকে ৰজা পাতিব পাৰিছিল, আৰু অসমৰ্থ বুলি জানিলে বা গুৰুতৰ দোষী বুলি প্ৰমাণ পালে ৰজা

ভাঙিবও পাৰিছিল।" কেপ্তেইন ওৱেল্চ্ চাহাবে উল্লেখ কৰা মন্ত্ৰী দুগৰাকী হৈছে বৰবৰুৱা আৰু বৰফুকন। ৰামসিংহৰ যুদ্ধৰ সময়ত যুদ্ধৰ কাৰ্যপন্থা নিৰূপণ কৰিবৰ কাৰণে গুৱাহাটীত সঘনে পাত্ৰ-মন্ত্ৰীৰ মেলা বহিছিল। পাত্ৰ-মন্ত্ৰীৰ দৰে অসমৰ শাসনকাৰ্যৰ সৰ্বশ্ৰেষ্ঠ বিষয়াসকলে চূড়ামণি আৰু সৰোবৰৰ বিষয়ে দিয়া অভিমত তেওঁলোকৰ অসাধাৰণ ব্যুৎপত্তিৰ ওপৰত ভেঁটি কৰা হৈছিল।

(২) এই দুজন দৈবজ্ঞৰ ভিতৰত সৰোবৰতকৈ চূড়ামণি অধিক পণ্ডিত আৰু কামত লগা আছিল। লাচিত ফুকনে চূড়ামণি কৰা প্ৰশংসা আৰু ৰামসিংহই তেওঁক প্ৰলোভন দেখুৱাই নিজৰ ঠাইলৈ নিবলৈ কৰা চেষ্টাৰপৰা আমি প্ৰমাণ পাওঁ।

(৩) নিজে বৰ্ণনা কৰা ঘটনাৱলীত চূড়ামণিয়ে অসামৰিকভাৱে জ্যোতিষীয়া পৰামৰ্শদাতা হিচাপে অংশ গ্ৰহণ কৰিছিল। যুজাৰু নহলেও চূড়ামণি সামৰিক সংঘৰ্ষৰ যাৱতীয় দুৰ্যোগৰ সন্মুখীন হব লাগত পৰিছিল।

(৪) বৰ্ণনাৰ মাজে-মাজে প্ৰথমা বিভক্তিৰ ব্যৱহাৰৰপৰা আমি অনুমান কৰিব পাৰোঁ যে চূড়ামণি নিজেই বৰ্ণনাকাৰক আৰু বুৰঞ্জী লেখক আছিল।

(৫) চূড়ামণি দৈবজ্ঞ সমুদ্ৰ চূড়ামণি দলৈ বুলি জনাজাত আছিল, এই নামটো প্ৰথম পাঠত পোৱা যায়। দ্বিতীয় পাঠত তেওঁক অকল চূড়ামণি বুলিহে কোৱা হৈছে। শৰাইঘাটৰ যুদ্ধৰ বহুপূৰ্বে তাৰিখ আৰু ফলাফলৰ বিষয়ে দৈবজ্ঞৰ লগত আলোচনা কৰোঁতে এই সমুদ্ৰ চূড়ামণি নামটো ব্যৱহাৰ কৰা হৈছে। সেই কালত সেই নামৰ ব্যৱহাৰ অলপ আগতীয়া হোৱা দেখি সম্ভৱতঃ তাক দ্বিতীয় পাঠত বাদ দিয়া হৈছে।

উত্তৰ গুৱাহাটীৰ সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীত অচ্যুতানন্দ দলৈ নামে এজন দৈবজ্ঞ শৰাইঘাটৰ যুদ্ধৰ সৈতে বিশেষভাৱে সংশ্লিষ্ট আছিল। এটা মহৎ সঙ্কটপূৰ্ণ ক্ষণত তেওঁ লাচিত বৰফুকনৰ কাষতে আছিল। অচ্যুতানন্দৰ গণনামতে আক্ৰমণৰ শুভলগ্ন উপস্থিত হোৱা নাছিল। ইপোনে বঙালেও টানকৈ হেচি ধৰিছিল আৰু খেনহিলৈ মাৰিবলৈ বৰফুকনো বৰ উদ্বিগ্ন হৈ পৰিছিল। এইদৰে পলম হোৱাত বৰফুকনৰ অতি খং উঠিল, তেওঁ কলে, "গণক, স্বৰ্গদেৱে নাকাটোতেই, মই তোক কাটিম।" অলপ পিচতেই অচ্যুতানন্দ দলৈয়ে খেনহিলৈ মাৰিবলৈ শুভক্ষণ উপস্থিত হৈছে বুলি কোৱাত এই সমস্যাৰ ওৰ পৰিল। যুদ্ধত অসমীয়াই ৰামসিংহৰ সৈন্যক জিনিলে।

স্বৰ্গদেৱে অচ্যুতানন্দক বিস্তৰ বঁটা-বাহন দিলে, আৰু তেওঁক সমুদ্ৰখৰি উপাধি দিলে, কাৰণ সেই যুদ্ধ পানীৰ ওপৰত হৈছিল। অসমীয়াই পুখুৰীবোৰকো সাগৰ আখ্যা দিছিল, যথা; জয়সাগৰ, শিবসাগৰ, গৌৰীসাগৰ। সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জীত শৰাইঘাটৰ যুদ্ধ সম্পৰ্কে আন কোনো দৈবজ্ঞৰ নাম পোৱা নেযায়। সমুদ্ৰখৰিৰ বংশধৰসকলে নিজৰ পৰিয়ালক সাগৰখৰিৰ বংশ বুলিও কয়।

সুকুমাৰ মহন্তৰ বুৰঞ্জীপুথিৰ শেষফালে থকা কেইটামান পাতত দৈবজ্ঞ-সকলৰ ৰজাঘৰীয়া ৰাবৰ বিষয়ে কিছুকথা লিপিবদ্ধ আছে। এইখিনি কথা 'দেওধাই অসম বুৰঞ্জী'ত অন্তৰ্ভুক্ত কৰা হৈছে, সেইদেখি তাক সুকুমাৰ মহন্তৰ বুৰঞ্জীৰ প্ৰকাশিত সংস্কৰণৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। এইকেইটা পাতত, অসম-মোগল ৰণত দৈবজ্ঞই কি অংশ গ্ৰহণ কৰিছিল তাকে বৰ্ণোৱা হৈছে। পোনতে দৈবজ্ঞসকল স্বৰ্গদেৱৰ লগত উজনিত আছিল। পাচলৈ নামনিত বিষয়াসকলৰ লগত শিক্ষিত দৈবজ্ঞ দিয়া হ'ল। আহোম সৈন্যৰ জয় হবনে পৰাজয় হব তাক গণিতা কৰি দৈবজ্ঞসকলে পৰামৰ্শ দিব লগাত পৰিছিল। এইৰূপে বিভিন্ন বিষয়াৰ মেলত দৈবজ্ঞসকল আৱশ্যকীয় অঙ্গ হৈ পৰিল। ১৫৩৯ শকত প্ৰতাপ সিংহ, স্বৰ্গদেৱে নাহৰ আৰু কলীয়া নামে দুজন দৈবজ্ঞক চামধৰাৰ ৰণলৈ পঠিয়ালে। দৈবজ্ঞৰ গণিতামতে যুদ্ধ কৰাত আহোম সৈন্যই জয়লাভ কৰিলে। দৈবজ্ঞৰ কথা সকলোৱে মানি চলিব বুলি স্বৰ্গদেৱে আজ্ঞা কৰিলে। মীৰজুমলা, ৰামসিংহ আৰু মনচুৰ-খাঁৰ যুদ্ধত বেলেগ বেলেগ আহোম ফৌজৰ লগত ভাল চাই দৈবজ্ঞ নিযুক্ত কৰা হৈছিল। মীৰজুমলাৰ আক্ৰমণৰ সময়ত জয়ধ্বজসিংহ স্বৰ্গদেৱে বিৰাট আৰু ভাকৰালক সৈন্যৰ লগত থাকিব দিলে। ৰামসিংহৰ যুদ্ধৰ বেলিকা চক্ৰধ্বজসিংহ স্বৰ্গদেৱে সৰুওজা, ৰামখৰি আৰু কবি সৰস্বতীক গুৱাহাটীৰ সেনাপতিসকলৰ লগত থাকিব দিলে। মনচুৰ-খাঁৰ সময়ত বিৰাটক দিলে সলাল বড়গোহাঁইলৈ; সমুদ্ৰখৰি আৰু জ্যোতিভূষণক দিলে চেটিয়া বন্দৰ বৰফুকনলৈ; ৰামখৰিক দিলে পিকচাইৰ নাতি ডেকাফুকনলৈ; ভাকৰালৰ নিতাইক দিলে চাৰিঙ্গীয়া ফুকনলৈ; নাহৰ আৰু বিজয়খৰিক দিলে বুঢ়াগোহাঁইলৈ; অৰ্জুনক দিলে পানীফুকনলৈ; কানুক দিলে চেংৰাই ফুকনলৈ; আৰু ৰুদ্ৰখৰিক দিলে নাম-দঙ্গীয়া ফুকনলৈ। কিছুদিনৰ পাচত গড়গঞা সন্দিকৈয়ে জনালে যে গুৱাহাটী হৈছে সীমা মুৰীৱলী ঠাই, ইয়াত ভাল ভাল দৈবজ্ঞ থকা উচিত; সেইদেখি

গদাধৰসিংহ স্বৰ্গদেৱে এইকেইজনা দৈবজ্ঞক গুৱাহাটীত থাকিব দিলে,—নাহৰ, কলীয়া, ভাকুৱাল, জ্যোতিভূৰ্ষণ আৰু ৰামখৰি।

শ্ৰীযুত কীৰ্তিনাথ বৰদলৈয়ে 'সন্দীপিকা' নামে গ্ৰন্থত উদ্ধৃত কৰা বুৰঞ্জীৰ টোকাৰপৰা জানিব পৰা যায় যে কলীয়াৰ ঘৰৰ অচ্যুতানন্দ দলৈক লাচিত বৰফুকনৰ তলে বৰদলৈ উপাধি দি সৰ্বপ্ৰধান জ্যোতিষীয়াৰূপে নিযুক্ত কৰা হৈছিল। বৰদলৈৰ তলত দৈবজ্ঞ পৰিয়ালৰ এঘাৰজন পাতিদলৈ আছিল,—কপো, ভাকুৱাল, নাহৰ, ৰামখৰি, ৰুদ্ৰখৰি, নিতাই, ৰৌমৰীয়া, উজীৰ, ধৰমশীল, বিৰাট আৰু বিজয়খৰি। আক্ৰমণৰ সময়ৰ সঙ্কেত দিয়াত পলম হোৱাত লাচিত বৰফুকনে অস্থিৰ হৈ দৈবজ্ঞক ভয় খুৱাইছিল, বোলে,—"মোমাইক কাটিলো, বামুণ দৈবজ্ঞক কাটিম।" গুলী অব্যৰ্থ হবৰ নিমিত্তে অচ্যুতানন্দই হিলৈত মন্ত্ৰ মাতি পবিত্ৰ কৰিলে। শৰাইঘাটৰ যুদ্ধৰ পাচত লাচিত বৰফুকনে মানাহা নৈলৈকে অসমৰ সীমা বহলালে। স্বৰ্গদেৱে অচ্যুতানন্দ দলৈক উপহাৰ দিলে সমুদ্ৰখৰি খিতাপ; এযোৰ গামখাৰু, সোণৰ লগুণ আৰু কামৰূপৰ আলদিবাৰীৰ গোসাঁইৰ কন্যা এটিক ভাৰ্যা কৰি লবলৈ দিলে, আৰু লগতে যৌতুক স্বৰূপে এশ বিশ ঘৰ বেটীবন্দী দিলে। এঘাৰজনা পাতিদলৈক বৰদলৈ পাতিলে। স্বৰ্গদেৱৰ চ'ৰাত এই বাৰজন বৰদলৈৰ মান-মৰ্যাদা একে। গুৱাহাটীৰ উত্তৰে কুৰুৱা গাঁৱত অচ্যুতানন্দ দলৈৰ সতি-সন্ততি এতিয়াও পোৱা যায়। অচ্যুতানন্দ এজন বিদগ্ধ পণ্ডিত আছিল। শ্ৰীযুত কীৰ্তিনাথ বৰদলৈদেৱৰ মতে অচ্যুতানন্দ দলৈয়ে হোৰাস্ফুত, ত্ৰিশিৰা, আদি কেবাখনো জ্যোতিষীয়া পুথি সংস্কৃত ভাষাত লিখে। আৰু অসমীয়া ভাষাতো কেবাখনো কাব্য লিখে। যথা, কূৰ্ম্মৱলী বধ, জঙ্ঘাসুৰ বধ, বালী-সুগ্ৰীব আৰু ব্যাসাশ্ৰম। এইখিনিতে উল্লেখ কৰিব পাৰি যে 'সন্দীপিকাৰ' গ্ৰন্থকাৰ শ্ৰীযুত কীৰ্তিনাথ বৰদলৈ অচ্যুতানন্দ দলৈৰপৰা মূলশাখাৰ অধস্তন সপ্তম পুৰুষৰ মানুহ।

ওপৰত উল্লিখিত বুৰঞ্জীৰ অন্তৰ্গত কথাখিনিৰপৰা, অনুমান হয় যে চূড়ামণি বা সমুদ্ৰ চূড়ামণি দৈবজ্ঞ বোলা মানুহজন অচ্যুতানন্দ দলৈৰ বাহিৰে আন কোনো নহয়, আৰু স্বৰ্গদেৱ উদয়াদিত্যসিংহই সমুদ্ৰখৰি নামটো দিয়াৰ পূৰ্বে জ্যোতিষীয়া জ্ঞানৰ কাৰণে অচ্যুতানন্দ দলৈক চূড়ামণি বুলি কোৱা হৈছিল, আৰু কবি হিচাপে তেওঁ কৱি সৰস্বতী নাম পাইছিল। মূল নামটো এৰি খিতাপী নামৰ ব্যৱহাৰ অনেক স্থলত দেখা যায়। 'দৰঙ্গ ৰাজ-

বংশাৱলী' নামৰ পদ্য বুৰঞ্জীৰ গ্ৰন্থকাৰ আছিল বলোদেৱ দৈৱজ্ঞ, কিন্তু তেওঁ সূৰ্যখৰি দৈৱজ্ঞ বুলিহে অধিককৈ প্ৰসিদ্ধ, বলোদেৱ নামটো মানুহে পাহৰি যোৱাৰ নিচিনা। সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী গ্ৰন্থত অচ্যুতানন্দ দলৈৰ কাৰ্য আৰু বচনক প্ৰাধান্য দিয়া হৈছে, আৰু বৰ্ণনাও নিজ চকুৰে দেখাৰ দৰে পোনপটীয়া হৈছে, তাৰ উপৰিও দৈৱজ্ঞসকলৰ ৰজাঘৰীয়া বিষয়ে এটি সংক্ষিপ্ত আখ্যান বুৰঞ্জীখনৰ শেষৰফালে সংযুক্ত কৰা হৈছে। এইবোৰ কাৰণৰপৰা মোৰ এনে ধাৰণা হয় যে বুৰঞ্জীখন অচ্যুতানন্দ দলৈয়ে নিজে সঙ্কলন কৰিছিল। কিন্তু এই অনুমানক অখণ্ডনীয় সিদ্ধান্তলৈ ৰূপান্তৰিত কৰিবলৈ হলে আৰু প্ৰমাণৰ কাৰণে বাট চাব লাগিব।

মাতৃভূমিৰ উন্নতিৰ কাৰণে, ঘাইকৈ কৃষ্টি আৰু ৰাজনীতি ক্ষেত্ৰত অসমৰ দৈৱজ্ঞসকলে ভালেখিনি বৰঙণি যোগাইছে, তাৰ ভিতৰত এইসকলৰ নাম উল্লেখ কৰিব পাৰি,—পুৰাতত্ত্ব বিভাগে প্ৰকাশ কৰা অসম বুৰঞ্জীৰ গ্ৰন্থকাৰ সোণামুৱা পৰিয়ালৰ শ্ৰীযুত হৰকান্ত মজিন্দাৰ বৰুৱা সদৰামীন; মাধৱ কন্দলিৰ ৰামায়ণৰ সম্পাদক আৰু প্ৰকাশক, ৰুদ্ৰখৰি পৰিয়ালৰ শ্ৰীযুত মাধৱচন্দ্ৰ বৰদলৈ; অগ্ৰগণী চাহখেতিয়ক সৰুমেলীয়া পৰিয়ালৰ শ্ৰীযুত মালভোগ বৰুৱা; 'টাইমচ অব আসাম' নামৰ সাদিনীয়া ইংৰাজী বাতৰি কাকতৰ প্ৰতিষ্ঠাপক, চক্ৰধৰ পৰিয়ালৰ শ্ৰীযুত ৰাধানাথ চাংকাকতী; সুপ্ৰসিদ্ধ অসমীয়া ঔপন্যাসিক বিজয়খৰি পৰিয়ালৰ শ্ৰীযুত ৰজনীকান্ত বৰদলৈ; দেশপ্ৰেমিক আৰু সাহিত্যিক ৰুদ্ৰখৰি পৰিয়ালৰ শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ; সঙ্গীতকলাত সুপণ্ডিত আৰু সাহিত্যিক কলীয়া বা সমুদ্ৰখৰি পৰিয়ালৰ, কবি শ্ৰীযুতা নলিনীবালা দেবী; আৰু ১৯৩৫ চনৰ ইণ্ডিয়া গৱৰ্ণমেণ্টৰ আইনমতে নিযুক্ত অসমৰ মুখ্যমন্ত্ৰী, উজীৰৰ ঘৰৰ শ্ৰীযুত গোপীনাথ বৰদলৈ। শ্ৰীসূৰ্য্যকুমাৰ ভূঞা। ইং ২৩-৯২-১৯৪৬ চন।

# পঞ্চম পৰিশিষ্ট

## প্ৰমাণপঞ্জী

### ইংৰাজী গ্ৰন্থ আৰু প্ৰবন্ধাৱলী


ভট্টাচাৰ্য, সুধীন্দ্ৰনাথ।—মোগল উত্তৰ-পূব সীমান্ত নীতিৰ ইতিহাস, কলিকতা, ১৯২৯ খৃষ্টাব্দ।

ভূঞা, সূৰ্য্যকুমাৰ। অসমত মীৰজুমলা আৰু ৰামসিংহ। জৰ্নেল অৱ্ ইণ্ডিয়ান হিষ্টৰী, মাদ্ৰাজ, ডিচেম্বৰ ১৯২৬।

—অসমীয়া সম্বলৰপৰা মোগলযুগৰ ভাৰতৰ ওপৰত নতুন আলোকপাত। ইচ্‌লামিক কালচাৰ, হাইদৰাবাদ, দেক্কান, ১৯২৮ চনৰ জুলাইৰপৰা ১৯২৯ চনৰ জুলাইলৈকে চাৰিখণ্ডত ধাৰাবাহিকৰূপে প্ৰকাশিত।

—ওঠৰশ শতিকাত অসম। ১৭৯২ আৰু ১৮০২ চনত সংকলিত ডাক্তৰ জে. পি. ওৱেইডৰ অসমৰ ভৌগলিক বিবৰণ। লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীৰপৰা পোৱা পাণ্ডুলিপিৰ সম্পাদিত সংস্কৰণ। শিলচৰৰপৰা প্ৰকাশিত 'আসাম ৰিভিউ' পত্ৰিকাত ধাৰাবাহিকৰূপে প্ৰকাশিত, ১৯২৮ চনৰ ডিচেম্বৰৰপৰা ১৯২৯ চনৰ আগষ্টলৈকে।

—অসমীয়া বুৰঞ্জীত পোৱা শিৱাজী মহাৰজাৰ কাহিনী। শিৱাজী নিবন্ধাৱলী, তৃতীয় খণ্ড, শিৱচৰিত্ৰ কাৰ্যালয়, পুণা।

—আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়া। কটন কলেজ মেগেজিন, গুৱাহাটী, নৱম ভাগ, তৃতীয় সংখ্যা আৰু দশম ভাগ, প্ৰথম সংখ্যা মাৰ্চ্চ আৰু চেপ্টেম্বৰ ১৯৩১ চন।

—লাচিত বৰফুকন। ১৯৩৫ চনৰ জুনমাহত পুণাত বহা ইণ্ডিয়ান হিষ্টৰী কংগ্ৰেছৰ প্ৰথম অধিবেশনত পাঠ কৰা প্ৰবন্ধৰ সাৰাংশ। মহামহোপাধ্যায় দত্তবামণ পোদ্দাৰ সম্পাদিত অধিবেশনৰ কাৰ্য বিবৰণী গ্ৰন্থত সন্নিবিষ্ট।

—অসমৰ বিবৰণ, ১৮০৭-১৮১৪ চনত ডাঃ ফ্রেন্সিচ্ বুকানন হেমিলটন, পূর্বে বুকানন, সংকলিত। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা প্ৰকাশিত, গুৱাহাটী, ১৯৪০।

বাৰ্ণিয়াৰ ফ্ৰেঙ্কই।—মোগল সাম্রাজ্যত ভ্ৰমণৰ বিবৰণ। আৰ্চিবল্ড্ কন্ষ্টেবগৰ সম্পাদিত। দ্বিতীয় তাঙৰণ অক্স্ফোৰ্ড ইউনিভাৰ্চিটি প্ৰেছৰ দ্বাৰা প্ৰকাশিত, ১৯১৬।

বেভেৰিজ, হেনৰী, আৰু বেইনী প্ৰসাদ।—'মাৰ্ছৰ-উপ-উমৰাওৰ' ইংৰাজী অনুবাদ। প্ৰথম খণ্ড; বেঙ্গল ৰয়েল এচিয়াটিক ছোচাইটি, কলিকতা, ১৯১১-১৯৪১।

ব্লকমেন্ হেন্ৰী।—কোচবেহাৰ আৰু অসম। 'ফাটীয়াহ-ই-ইব্রীয়াহ' আদি ফাৰ্চী বুৰঞ্জীৰ কিয়দ অংশৰ অনুবাদ সৈতে। বেঙ্গল এচিয়াটিক ছোচাইটিৰ জৰ্নেল। ১৮৭২, কলিকাতা, প্ৰথম ভাগ, প্ৰথম সংখ্যা।

কাণিংহাম জে-দি।—শিখৰ বুৰঞ্জী। এইচ্-ও-এল্ গেৰেটৰ দ্বাৰা সম্পাদিত, আৰু অক্স্ফোৰ্ড ইউনিভাৰচিটি প্ৰেছৰ দ্বাৰা প্ৰকাশিত, ১৯১৪।

দেশপাণ্ডে, বাবাচাহাব।—আগ্ৰাৰপৰা মহামতি শিৱাজীৰ মুক্তি আৰু প্ৰত্যাবৰ্তন। পুণা, ১৯২৯।

গেইট্ চাৰ এডোৱাৰ্ড।—অসমৰ ইতিহাস। প্ৰথম তাঙৰণ, কলিকতা ১৯০৬, দ্বিতীয় তাঙৰণ ১৯২৬।

—অসমত ঐতিহাসিক অনুসন্ধানৰ ক্ৰমোন্নতিৰ বিষয়ে ৰিপোৰ্ট। চিগং, ১৮৯৭।

গ্ৰেন্ট্ডাক, জেইম্চ্।—মাৰাথাসকলৰ বুৰঞ্জী। তিনিখণ্ড, কলিকতা, ১৯১২।

আৰভিন, উইলিয়ম।—পৰবৰ্তী মোগল, ১৭০৭-১৭৩৯। দুই খণ্ড, ১৯২২।

কিন্কেইদ, চি-এ, আৰু ডি-বি পৰশনিছ।—মাৰাথা জাতিৰ বুৰঞ্জী। প্ৰথম খণ্ড, অক্স্ফোৰ্ড ইউনিভাৰচিটি প্ৰেছ, ১৯১৮।

মেকনিফ, মেকস্ আৰ্থাৰ। —শিখ ধৰ্ম। ছয় খণ্ড, মাদ্ৰাজ, ১৯০৯। চতুৰ্থ খণ্ডত শিখৰ নবম গুৰু টেগ্বাহাদুৰৰ জীৱনী অন্তৰ্ভুক্ত।

মেনুক্কি, নিকলাও।—মোগলৰ কাহিনী। উইলিয়ম আৰভিনৰ দ্বাৰা অনুবাদ। চাৰিখণ্ড, লণ্ডন, ১৯০৭।

সৰকাৰ, চাৰ যদুনাথ।—১৬৬০ খৃষ্টাব্দত অসম আৰু আহোমসকল। 'ফাথীয়া-ই-ইব্রীয়া'ৰ' একাংশৰ অনুবাদ। বিহাৰ আৰু উৰিষ্যাৰ ৰিচাৰ্চ ছোচাইটিৰ জার্নেল, পাটনা, প্ৰথমভাগ, দ্বিতীয় সংখ্যা, ডিচেম্বৰ, ১৯১৪।

—আওৰঙ্গজেৱৰ বুৰঞ্জী। তৃতীয় খণ্ড, কলিকতা, ১৯১৬।

—শিৱাজী আৰু তেওঁৰ যুগ। কলিকতা, ১৯১৯।

—মোগল সাম্রাজ্যৰ সামৰণি। দুইখণ্ড, ১৯২২।

সেন, সুৰেন্দ্ৰনাথ।—শিব ছত্রপতি। সভাসদ বাখৰৰ অনুবাদ। কলিকতা, ১৯২০।

শৰ্মা, শ্ৰীৰাম।—মহাৰাণা প্ৰতাপ। দয়ানন্দ এংলো-বেদিক কলেজৰ ঐতিহাসিক গ্রন্থাৱলী। প্রথমখণ্ড লাহোৰ।

—মোগলযুগৰ ভাৰত সম্বন্ধে গ্ৰন্থাৱলীৰ তালিকা। ১৫২৬-১৭০৭ চন। বোম্বে, ১৯৪১।

সিংহ, অৰ্জুন।—অসমৰ সৈতে শিখ সমাজৰ সম্বন্ধ। গুৱাহাটী, ১৯৪৬।

স্মিথ্, ভিনচেণ্ট।—মহামান্য মোগল সম্রাট আকবৰ। অক্সফোর্ড, ১৯২৬।

ষ্টিউ্বাট্, চার্লচ্।—বঙ্গলাৰ ইতিহাস ; দ্বিতীয় তাঙৰণ, কলিকতা, ১৯১০।

টেভানিয়াৰ, জঁ চেপ্‌টিষ্ট।—ভাৰত ভ্ৰমণৰ কাহিনী। ভি-বলৰ দ্বাৰা সম্পাদিত। অক্সফোর্ড ইউনিভাৰচিটি প্ৰেছ, ১৯২৫।

টড্, কর্ণেল জেইমচ্।—ৰাজপুতনাৰ কাহিনী আৰু পুৰাবৃত্ত। তৃতীয় সংস্কৰণ, মাদ্রাজ, ১৮৮০। দ্বিতীয় খণ্ডত অম্বেৰৰ কাহিনী অন্তর্ভুক্ত।

টাকাকভ, এন-এম, আৰু কে-এ, কেলুচকাৰ।—শিৱাজী মহাৰাজৰ জীৱনী। বোম্বে, ১৯২১।

বৈদ্য, চি-ভি।—মাৰাথা সমাজৰ প্ৰতিষ্ঠাপক শিৱাজী। পুণা, ১৯৩১।

## অসমীয়া গ্ৰন্থ আৰু প্ৰবন্ধাৱলী

বৰদলৈ, কীৰ্তিনাথ।—সন্দীপিকা, যোৰহাট, ১৯৩০।

বৰগোহাঁই, ক্ষেত্ৰধৰ।—লাচিতৰ কাহিনী, আৱাহন, কলিকতা, পঞ্চমভাগ।

বৰুৱা, ইন্দীবৰ।—জীৱনাদৰ্শ। শিৱসাগৰ, ১৮৮৯।

বৰুৱা, কেশৱকান্ত।—বৰ্ণিয়া কাকতিৰ বংশাৱলীৰ সাৰ। প্ৰথমভাগ, শিৱসাগৰ, ১৯১৩।

বৰুৱা, সৰ্বেশ্বৰ।—লাচিত বৰফুকন। ৰায়বাহাদুৰ, পদ্মনাথ গোহাঁঞিবৰুৱাৰ জীৱনী সংগ্ৰহত অন্তৰ্ভুক্ত, প্ৰথমখণ্ড, তেজপুৰ, ১৯৪৬।

ভূঞা, শ্ৰীসূৰ্য্যকুমাৰ।—মীৰজুমলাৰ অসম অভিযান। আৱাহন সপ্তম আৰু অষ্টম ভাগ।

—ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ বুৰঞ্জী। বাঁহী, গুৱাহাটী। পঞ্চদশ আৰু ষোড়শ বছৰ।

চৌধাৰী, সোণাৰাম।—কানাই-বৰশীবোৱা শিল। আলোচনী ডিব্ৰুগড়, অষ্টম বছৰ।

গোস্বামী, হেমচন্দ্ৰ।—বৰফুকন জয়স্তম্ভ। আলোচনী, সপ্তম বছৰ।

—কানাই-বৰশীবোৱা শিলৰ গদ্য। আলোচনী, অষ্টম বছৰ।

—শৰাইঘাটৰ যুদ্ধ। উষা, তেজপুৰ, প্ৰথম বছৰ, আলোচনী, অষ্টম বছৰ।

গোস্বামী, শৰৎচন্দ্ৰ।—নীতি-লতাঙ্কুৰ। প্ৰাচীন অসমীয়া ৰণশাস্ত্ৰ। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৪১।

লেখাৰু, উপেন্দ্ৰচন্দ্ৰ।—অসমৰ সামৰিক চকী আৰু গড়ৰ তালিকা, ১৬৮১ চন মানত সংকলিত। এখন অসম্পূৰ্ণ প্ৰাচীন পুথিৰপৰা। আৱাহন, কলিকতা, দ্বিতীয় বছৰ। মূলপাঠ ৪নং অসম বুৰঞ্জীত সন্নিকট।

শইকীয়া, ভ্ৰমৰ চন্দ্ৰ।—বুৰঞ্জী-কণিকা, ঐতিহাসিক টোকা। বাঁহী, গুৱাহাটী, ত্ৰয়োদশ আৰু চতুৰ্দশ বছৰ।

## বঙলা গ্ৰন্থ আৰু প্ৰবন্ধাৱলী

আমানত-উল্লা আহমদ, খানচৌধুৰী।—কোচবেহাৰৰ ইতিহাস। প্ৰথম ভাগ, কোচবেহাৰ, ১৯৩৬।

ভূঞা, সূৰ্য্যকুমাৰ। হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম দেশেৰ ইতিহাস' গ্ৰন্থৰ পৰিচয়। বঙ্গীয় সাহিত্য-পৰিষদ পত্ৰিকা, কলিকতা, ৩৩শ ভাগ, প্ৰথম সংখ্যা, বঙ্গাব্দ ১৩৩৩। পাচত পণ্ডিত যতীন্দ্ৰনাথ ভট্টাচাৰ্যদেৱে ১৩৩৯ বঙ্গাব্দত উক্ত পত্ৰিকাত এই বিষয়ে এটি পৰিশিষ্ট প্ৰবন্ধ লিখিছিল।

ফুকন, হলিৰাম ঢেকিয়াল।—আসাম দেশের ইতিহাস। সমাচাৰ চন্দ্রিকা যন্ত্র, কলিকতা, ১৮২৯ চন।

## অসম বুৰঞ্জী

সমসাময়িক প্ৰাচীন অসমীয়া ইতিহাসসমূহক বুৰঞ্জী বোলা হয়। ৰজা-ঘৰীয়া বিষয়াৰ তত্বাৱধানত বুৰঞ্জীবোৰ সংকলিত, সেইবোৰৰ উপাদান আছিল ৰজাঘৰত সংৰক্ষিত কাকত-পত্ৰ। একে যুগৰ বুৰঞ্জীসমূহো ইখন সিখনৰ হুবহু নকল নহয়। প্ৰত্যেকখন বুৰঞ্জীত আনখনত নথকা ঘটনাৰ বিবৰণ সন্নিবিষ্ট হৈ আছে। বুৰঞ্জীৰ বিষয়ে আৰু জানিবলৈ হলে শ্ৰীসূৰ্য্যকুমাৰ ভূঞা ৰচিত 'অসমীয়া বুৰঞ্জী সম্পৰ্কীয় সাহিত্য' পঢ়িবলৈ পাঠকক অনুৰোধ ক'ৰা হ'ল। এই প্ৰবন্ধ কলিকতাৰ ইণ্ডিয়ান হিষ্টৰিকেল কোৱাৰ্টাৰ্লি, ১৯২৯ চনৰ চেপ্তেম্বৰ সংখ্যাত প্ৰকাশিত হৈছিল। ইয়াৰ লগতে প্ৰকাশিত বুৰঞ্জীবোৰৰ ইংৰাজী পাতনি আৰু ভূমিকা পঢ়িবলৈকো পাঠকক অনুৰোধ কৰা হল।

## প্ৰকাশিত অসম বুৰঞ্জী

(ক) ইংৰাজী অনুবাদ।

বৰুৱা, ৰায়চাহেব গোপালচন্দ্ৰ।—আহোম বুৰঞ্জী, অতীজৰপৰা বৃটিছে অসম অধিকাৰ কৰালৈকে। আহোম আখৰত আহোম মূল, তাৰ লগতে ইংৰাজী অনুবাদ। চিলং, ১৯৩০ চন।

ভূঞা, সূৰ্য্যকুমাৰ।—তুংখুঙ্গীয়া বুৰঞ্জী, ১৬৮১-১৮২৬ চন। শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ বুৰঞ্জী, আগকথা আৰু সামৰণি অংশৰে সৈতে, লগত শব্দাৰ্থ, আহোম ৰাজপৰিয়ালৰ পুৰুষীনামা, নিৰ্ঘণ্ট, ইত্যাদি। অক্সফোৰ্ড ইউনিভাৰ্চিটি প্ৰেছ, ১৯৩৩ চন।

—দিল্লী পাচ্চাসকলৰ কাহিনী:—অসমীয়া ভাষাত লিখা পাদশ্বাহ বুৰঞ্জীৰপৰা ইংৰাজী ভাঙনী। ১৯৩৩ চনৰ জুলাইৰপৰা ১৯৩৪ চনৰ জুলাইলৈ, দেক্কান হাইদৰাবাদ ইচলামিক কালচাৰ পত্ৰিকাত ধাৰাবাহিকৰূপে প্ৰকাশিত। সম্প্ৰতি গ্ৰন্থাকাৰে অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰপৰা প্ৰকাশিত হৈছে।

ওৱেইড্, ডাক্তৰ জন পিটাৰ।—অসমৰ বিবৰণ, যাইকৈ এখন অসমীয়া আৰু এখন আহোম ভাষাত লিখা বুৰঞ্জীৰ ইংৰাজী অনুবাদ। ১৭৯২-১৮০০ চনত সংকলিত। শ্ৰীবেণুধৰ শৰ্ম্মা সম্পাদিত, শিৱসাগৰ, ১৯২৭ চন।

(খ) অসম বুৰঞ্জীসমূহ। ইংবাজী পাতনি আৰু ভূমিকাৰে সৈতে।

ভূঞা, সূৰ্য্যকুমাৰ, সম্পাদিত।—অসমৰ বুৰঞ্জী, ১২২৮-১৮২৬ চন। কাশীনাথ তামুলীফুকনৰ বুৰঞ্জী, হৰকান্ত বৰুৱাৰ দ্বাৰা পৰিবৰ্ধিত। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩০ চন।

—কামৰূপৰ বুৰঞ্জী, অসম-মোগলৰ সংঘৰ্ষৰ কাহিনী। প্ৰাচীন কামৰূপৰ বিবৰণ আৰু ১৮খন কূটনৈতিক পত্ৰৰে সৈতে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটা, ১৯৩০, ১৯৫৮ চন।

—দেওধাই অসম বুৰঞ্জী, আহোম যুগৰ আদিছোৱাৰ বিষয়ে কেবাখনিও বুৰঞ্জীৰ সংগ্ৰহ, দাঁতিয়লীয়া বুৰঞ্জী আহোমৰ নিয়ম-ৰীতি, ইত্যাদি। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ গুৱাহাটী, ১৯৩২ চন।

—অসমৰ পদ্য-বুৰঞ্জী, পদ্যত লিখা দুখন অসম বুৰঞ্জী, ১৬৭৯-১৮৫৯ চন, লিখক দুতিৰাম হাজৰিকা আৰু বিশ্বেশ্বৰ বৈদ্যাধিপ। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩২ চন।

—তুংখুঙ্গীয়া বুৰঞ্জী, ১৬৮১-১৮০৬ চন, গ্ৰন্থকাৰ শ্ৰীনাথ দুৱৰা বৰবৰুৱা। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী ১৯৩২ চন।

—কছাৰী বুৰঞ্জী, কাছাৰৰ বুৰঞ্জী, অতীজৰপৰা ১৭১৪ চনলৈকে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩৬, ১৯৫১ চন।

—জয়ন্তীয়া বুৰঞ্জী, জয়ন্তাৰ বুৰঞ্জী, অতীজৰপৰা ১৭৪৪ চনলৈকে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩৭ চন।

—ত্ৰিপুৰা বুৰঞ্জী, বা ত্ৰিপুৰা দেশৰ কথা। ত্ৰিপুৰা দেশৰ বিৱৰণ, বিশেষকৈ ১৭১০-১৭১৫ চনত হোৱা ঘটনাৱলী সম্পৰ্কে। স্বৰ্গদেৱ ৰুদ্ৰসিংহ মহাৰাজে ত্ৰিপুৰালৈ পঠোৱা অসমৰ কটকী ৰত্নকন্দলী আৰু অৰ্জ্জুনদাস বৈৰাগীৰ দ্বাৰা সংকলিত। মূল পুথি লণ্ডনৰ বৃটিছ মিউজিয়ামত সংৰক্ষিত। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩৮ চন।

—অসম বুৰঞ্জী, অতীজৰপৰা ১৬৯৪ চনলৈকে সুকুমাৰ মহন্তৰ ঘৰত পোৱা পুথিৰপৰা। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৪৫ চন।

পাদশ্বাহ বুৰঞ্জী, দিল্লীৰ পাদশ্যাহসকলৰ কাহিনী, মুছলিম আধিপত্য স্থাপনৰ পৰা জয়পুৰ বা অম্বেৰৰ দ্বিতীয় জয়সিংহলৈকে। কামৰূপ অনু-সন্ধান সমিতি, গুৱাহাটী, ১৯৩৫।

দত্ত, শৰৎকুমাৰ, সম্পাদিত।—অসম বুৰঞ্জী, স্বৰ্গদেৱ জয়ধ্বজসিংহ মহাৰাজৰ পৰা গদাধৰসিংহৰ সিংহাসন আৰোহণলৈকে, ১৬৪৮—১৬৮১। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৩৮ চন।

গোস্বামী, হেমচন্দ্র, সম্পাদিত।—পুৰণি অসম বুৰঞ্জী, অতীজৰপৰা স্বৰ্গদেৱ গদাধৰসিংহৰ ৰাজত্বলৈকে। কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী, ১৯২২ চন।

## অপ্ৰকাশিত অসম বুৰঞ্জী

(১) অসম বুৰঞ্জী, বিৱেক-ৰত্ন, দ্বিতীয় খণ্ড, গ্ৰন্থকাৰ মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা দেৱান। অসমীয়া জাতিৰ ৰাজনীতি, ৰাজ্য পৰিচালনা আৰু ধৰ্ম সম্পৰ্কীয় বুৰঞ্জী। শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ জৰিয়তে উত্তৰ গুৱাহাটীৰ সৰুজনা দিহিং সত্ৰাধিকাৰ প্ৰভু শ্ৰীশ্ৰীত্ৰৈলোক্য শোভন-চন্দ্ৰ গোস্বামীদেৱৰপৰা পোৱা। ১৯৩৮ চনত সংকলিত।

(২) অসম বুৰঞ্জী, গ্ৰন্থকাৰ পদ্মেশ্বৰসিংহ নাওবৈচা ফুকন। অতীজৰেপৰা বৃটিছ অহালৈকে অসমৰ বুৰঞ্জী, আহোম অনুষ্ঠান আৰু নিয়ম-নীতি আদিৰ বৰ্ণনাৰ সৈতে। আনুমানিক ১৯০০ চনত সংকলিত। মিঃ এইচ-এচ-ফ্লেছাৰ আৰু শ্ৰীচন্দ্ৰকমল ভূঞাদেৱৰ জৰিয়তে গ্ৰন্থকাৰৰ পুতেক শিৱসাগৰৰ শ্ৰীচন্দ্ৰেশ্বৰ নাওবৈচা ফুকনৰপৰা পোৱা।

(৩) অসম বুৰঞ্জী, অসমৰ স্বৰ্গদেৱ আৰু বিষয়া, আৰু দিল্লী, ঢাকা কোচবেহাৰ, জয়ন্তী, কাছাৰ, চিলহট আদিৰে সৈতে গতাগত হোৱা ১৯২ খন পত্ৰৰ সংগ্ৰহ। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত মূল সাঁচিপতীয়া বুৰঞ্জীসমূহৰপৰা সংগৃহীত। ১৯২৮ চনৰ জুন মাহত গোস্বামী ডাঙৰীয়াৰ মৃত্যুৰ পাচত অসম উপত্যকাৰ কমিচনাৰৰপৰা পোৱা।

(৪) অসম বুৰঞ্জী, অসমৰ সামৰিক চকী আৰু গড় আদিৰ বিবৰণ, আনুমানিক ১৬৮১ চনত সংকলিত, অসম্পূৰ্ণ। উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰ গাঁৱৰ শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুৰপৰা পোৱা।

(৫) অসম বুৰঞ্জী, স্বৰ্গদেৱ প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনৰেপৰা ৰত্নধ্বজসিংহ চুলিকফা ল'ৰাৰজাৰ দিনলৈকে, ১৬০৩—১৬৮১ চন। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ পুত্ৰ শ্ৰীশৰৎচন্দ্ৰ গোস্বামীদেৱৰপৰা পোৱা।

(৬) অসম বুৰঞ্জী, মীৰ্জা জাহিনাৰ আক্ৰমণৰপৰা স্বৰ্গদেৱ শিৱসিংহৰ দিনলৈকে, ১৬৩০—১৭৪৪ চন। শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰপৰা পোৱা।

(৭) অসম বুৰঞ্জী, অতীজৰেপৰা স্বৰ্গদেৱ গদাধৰৰ দিনত ১৬৮২ চনত মোগলৰ হাতৰপৰা গুৱাহাটী উদ্ধাৰলৈকে। শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰপৰা পোৱা।

(৮) অসম বুৰঞ্জী, অতীজৰেপৰা ১৭১৪ চনত ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মৃত্যুলৈকে। শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰপৰা পোৱা।

(৯) অসম বুৰঞ্জী, অতীজৰেপৰা স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনলৈকে বিবিধ ঘটনাৱলী, ৰুক্নদ্দিন পাদশ্যাহৰ দিল্লী জয়ৰ আখ্যানেৰে সৈতে। শ্ৰীআনন্দৰাম গোহাঁই আৰু শ্ৰীদেৱেশ্বৰ গোহাঁই ৰাজকুমাৰৰ জৰিয়তে আহোম যুৱক সন্মিলনৰপৰা পোৱা।

(১০) অসম বুৰঞ্জী, স্বৰ্গদেৱ জয়ধ্বজসিংহৰপৰা স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ দিনত গুৱাহাটী উদ্ধাৰলৈকে, ১৬৪৮—১৬৬৭। মূল পুথিৰ নকল। শ্ৰীউমানাথ গোহাঁইৰপৰা শ্ৰীসূৰ্য্যকুমাৰ ভূঞাদেৱে পোৱা।

(১১) অসম বুৰঞ্জী, খুন্লুং—খুনলাইৰপৰা স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনলৈকে বুৰঞ্জীৰ ঘটনাসমূহৰ তালিকা। ইণ্ডিয়া অফিচ লাইব্ৰেৰীৰপৰা পোৱা।

(১২) অসম বুৰঞ্জী, 'ৰামসিংহৰ যুদ্ধৰ কথা' নামক পুথি। ৰজা ৰামসিংহৰে অসমৰ যুদ্ধৰ বিৱৰণী। অসম্পূৰ্ণ, পাঠ প্ৰাচীন আৰু খণ্ড-বিখণ্ড। শিৱসাগৰৰ চেৰেকাপাৰৰ শ্ৰীনগেন্দ্ৰ নাথ গগৈৰপৰা পোৱা।

(১৩) অসম বুৰঞ্জী, চুকাফাৰ দিনৰেপৰা প্ৰমত্তসিংহ স্বৰ্গদেৱৰ দিনলৈকে, আহোম ৰজাসকলৰ বৈবাহিক সম্বন্ধ আদিৰ বিষয়ে বিবৰণ। শিৱ-

সাগৰ জিলাৰ দিলিঙীয়াল গোহাঁই গাঁৱৰ শ্ৰীবিপুনাথ দিলিহীয়াল বুঢ়াগোহাঁইৰপৰা পোৱা।

(১৪) অসম বুৰঞ্জী, স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনৰেপৰা লালুকসোলা বৰফুকনে চুলতান আজমতাৰাৰ ফৌজদাৰ মনছুৰ-খাঁ নবাবক গুৱাহাটী এৰি দিয়ালৈকে, ১৬০৩—১৬৭৯ চন। লাচিত বৰফুকনৰ বংশধৰ যোৰহাট চিনামৰাৰ শ্ৰীৰত্নেশ্বৰ ফুকনৰপৰা শ্ৰীসূৰ্য্যকুমাৰ ভূঞাদেৱে পোৱা।

(১৫) অসম বুৰঞ্জী, চুহুংমুং দিহিঙ্গীয়া ৰজাৰপৰা প্ৰমত্তসিংহ স্বৰ্গদেৱৰ দিনলৈকে, ১৪৯৭—১৭৫১। অসম্পূৰ্ণ, কেবাখিলাও পাত নাই। অসম গৱৰ্ণমেণ্টৰ তৰফে পণ্ডিত হেমচন্দ্ৰ গোস্বামী ডাঙ্গৰীয়াই মাজুলীৰ বেঙ্গেনা-আটি সত্ৰৰ শ্ৰীশ্ৰীঅধিকাৰ গোস্বামীৰপৰা পোৱা।

(১৬) অসম বুৰঞ্জী, জয়ধ্বজসিংহৰপৰা ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ কছাৰী ৰণলৈকে ১৬৪৮—১৭০৭ চন। শ্ৰীসূৰ্য্যকুমাৰ ভূঞাদেৱে গুৱাহাটীত আমেৰিকান বেপ্টিষ্ট মিছনৰপৰা পোৱা।

দ্ৰষ্টব্য ঃ ওপৰৰ উল্লিখিত বুৰঞ্জীসমূহ অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ লাইব্ৰেৰীত সংৰক্ষিত। প্ৰকাশিত আৰু অপ্ৰকাশিত বুৰঞ্জীসমূহৰ সম্পূৰ্ণ তালিকা ডক্তৰ সূৰ্য্যকুমাৰ ভূঞাৰ আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়াৰ বিষয়ে সুবৃহৎ ইংৰাজী গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে।